# শিৱসাগৰ জিলাৰ সত্ৰানুষ্ঠান ঃ খাটপাৰ সত্ৰৰ বিশেষ উল্লেখসহ এটি অধ্যয়ন

(গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ
এম. ফিল. (অসমীয়া) ডিগ্ৰীৰ আংশিক প্ৰয়োজন
পূৰ্ত্তিৰ বাবে প্ৰদত্ত গৱেষণা - গ্ৰন্থ)

মুনমী কোঁৱৰ
আধুনিক ভাৰতীয় ভাষা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
ৰোল নং - ৫

২০০৬-২০০৭ বৰ্ষ

# শিৱসাগৰ জিলাৰ সত্ৰানুষ্ঠান ঃ খাটপাৰ সত্ৰৰ বিশেষ উল্লেখসহ এটি অধ্যয়ন

(গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ
এম. ফিল. (অসমীয়া) ডিগ্ৰীৰ আংশিক প্ৰয়োজন
পূৰ্তিৰ বাবে প্ৰদত্ত গৱেষণা - গ্ৰন্থ)

মুনমী কোঁৱৰ
আধুনিক ভাৰতীয় ভাষা বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
ৰোল নং ৫

২০০৬-২০০৭

**DEPARTMENT OF MODERN INDIAN LANGUAGES**

**GAUHATI UNIVERSITY**

GOPINATH BARDOLOI NAGAR

Guwahati - 781014 : Assam : India

**New Arts Building**
**Guwahati-781014**

*Ref. No*....................

*Date* ..................

**TO WHOM IT MAY CONCERN**

Certified that Ms. Moonmi Konwar, a regular M.Phil student of the Deptt. of MIL, G.U. has carried her research work on the topic **ŚIVASĀGAR JILĀR SATRĀNUṢṬHĀN –KHĀṬPĀR SATRAR BIŚEṢ ULLEKHSAHA EṬI ADHYAYAN** under my guidance and supervision. The study is the result of her own investigation and she has fulfilled all the norms in connection with the M. Phil regulations of the Gauhati University. The thesis as a whole, or any part of it, has not been submitted anywhere for any degree else.

Golakeswar Goswami

**Golakeswar Goswami**
Research Guide

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| | কৃতজ্ঞতা স্বীকাৰ | ক-খ |
| | অৱতৰণিকা | গ-ঘ |
| | মানচিত্ৰ | ঙ |
| প্ৰথম অধ্যায় ঃ | শিৱসাগৰ জিলাৰ চমু পৰিচয় | ১-১৩ |
| দ্বিতীয় অধ্যায় ঃ | শিৱসাগৰ জিলাত নৱ-বৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া পৰম্পৰা। | ১৪-২৭ |
| তৃতীয় অধ্যায় ঃ | শিৱসাগৰ জিলাৰ সত্ৰ আৰু সত্ৰত উদ্‌যাপিত উৎসৱ অনুষ্ঠানৰ বিৱৰণ | ২৮-৫১ |
| চতুৰ্থ অধ্যায় ঃ | খাটপাৰ সত্ৰৰ ঐতিহ্য | ৫২-৬৭ |
| পঞ্চম অধ্যায় ঃ | খাটপাৰ সত্ৰৰ ঐতিহ্যত মুখাশিল্প | ৬৮-৮০ |
| ষষ্ঠ অধ্যায় ঃ | উপসংহাৰ | ৮১-৮৩ |
| | গ্ৰন্থপঞ্জী | ৮৪-৮৮ |
| | পৰিশিষ্ট | |
| | (ক) শিৱসাগৰ জিলাৰ সত্ৰসমূহৰ নাম, সংহতি, অৱস্থানৰ তালিকা | |
| | (খ) সংবাদদাতা/দাত্ৰীৰ তালিকা | |
| | (গ) আলোকচিত্ৰ | |
| | (ঘ) টোকা | |

# কৃতজ্ঞতা জ্ঞাপন

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত ২০০৬-২০০৭ শিক্ষাবৰ্ষত এম. ফিল শ্ৰেণীত অধ্যয়ন কৰিবলৈ সুযোগ দিয়া বাবে বিভাগীয় মুৰব্বী ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক ড° উমেশ ডেকা চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেখেতৰ প্ৰেৰণা আৰু পৰামৰ্শ চিৰস্মৰণীয় হৈ ৰ'ব। সীমিত সময়ৰ ভিতৰত এম. ফিলৰ বাবে প্ৰয়োজনীয় গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰোঁতে তত্ত্বাৱধায়কৰ দায়িত্ব গ্ৰহণ কৰি সকলো প্ৰকাৰে দিহা-পৰামৰ্শ আগবঢ়াই উপকৃত কৰা বাবে মাননীয় শিক্ষাগুৰু অধ্যাপক ড° গোলোকেশ্বৰ গোস্বামী চাৰৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ থাকিলোঁ। এই বিভাগৰে আন তিনিগৰাকী অধ্যাপক ড° দিলীপ বৰা, ড° মুকুল চক্ৰৱৰ্তী আৰু ড° অনুৰাধা শৰ্মা বাইদেউৰ লগতে অতিথি প্ৰবক্তাৰূপে পোৱা ড° নীলমোহন ৰায় চাৰলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শিৱসাগৰ জিলাৰ সত্ৰসমূহৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে সত্ৰৰ নানা নজনা কথা কোৱাৰ লগতে বিভিন্ন প্ৰকাৰৰ সহায়-সহযোগ পোৱা খাটপাৰ সত্ৰৰ মুখাশিল্পী ৰেৱকান্ত মহন্ত, সদৌ অসম সত্ৰ মহাসভাৰ সভাপতি ভদ্ৰকৃষ্ণ গোস্বামী, শিৱসাগৰ জিলা সত্ৰ মহাসভাৰ সম্পাদক ৰঞ্জন মহন্ত, সত্ৰীয়া নৃত্যৰ গৱেষক ড° জগন্নাথ মহন্ত, বৰখাটপাৰ সত্ৰৰ লীলা মহন্ত, °ড নিৰুপমা মহন্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° প্ৰদীপজ্যোতি মহন্ত, গুৱাহাটীৰ চাৰু কাৰু মহাবিদ্যালয়ৰ প্ৰবক্তা কৃষ্ণ গোস্বামী, অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদৰ বিষয়া প্ৰসন্ন বৰুৱাৰ লগতে ক্ষেত্ৰ অধ্যয়নলৈ যাওঁতে লগ পোৱা বিভিন্ন সত্ৰৰ বিষয়ববীয়া— এই সকলোলৈকে শ্ৰদ্ধাপূৰ্ণ কৃতাঞ্জলি যাচিলোঁ।

আনহাতে, সকলো সময়তে উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ বাবে দেউতা-মা, নৰ দা, বিনন্দ, তপন, সহপাঠী বন্ধু-বান্ধৱীসকল আৰু ক্ষেত্ৰ অধ্যয়নলৈ যাওঁতে সহায়ৰ হাত আগবঢ়োৱা ৰাজামণি, ভিনিদেউ— পোণা, ৰাজেশ; ককাইদেউ— সোণাই, সোণটো, টুটু; ভাইটি-ভণ্টি মাইনা, জান; পেহী— জুমি আৰু আইতা দীপা শইকীয়া, সৰযু দিহিঙ্গীয়ালৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

বিভিন্ন কিতাপ-পত্ৰ আদিৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, গুৱাহাটী জিলা গ্ৰন্থাগাৰ, শংকৰদেৱ কলাক্ষেত্ৰৰ গ্ৰন্থাগাৰ, অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ কৰ্মকৰ্তাসকললৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। সদৌ শেষত গৱেষণা গ্ৰন্থখন ডিটিপি কৰি দিয়া বাবে দাদা অমৰেন্দ্ৰ বৰ্মন আৰু বন্ধু গৌতমলৈ মোৰ কৃতজ্ঞতা যাচিলোঁ।

মুনমী কোঁৱৰ

আধুনিক ভাৰতীয় ভাষা বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়।

# অৱতৰণিকা


অসমৰ শিৱসাগৰ জিলাখনি ঐতিহাসিক ভাৱে এখন গুৰুত্বপূৰ্ণ জিলা। বিভিন্ন জাতি-জনজাতিৰ ভাষা-ভাষী লোকে এই ঠাইত সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় আদি দিশত সমন্বয়ৰ সেতু গঢ়ি তুলিছে।

পঞ্চদশ-ষোড়শ শতিকাৰ শেষৰ ফালে অসমত মহাপুৰুষ শ্ৰীশংকৰদেৱে নৱ-বৈষ্ণৱ ধৰ্মৰ পাতনি মেলিছিল। তেওঁ প্ৰথমে মধ্য আৰু উজনি অসমত ধৰ্ম প্ৰচাৰ কৰি পৰৱৰ্তী সময়ত নামনি অসমলৈ আহিছিল। তেওঁৰ একান্ত সহযোগী আছিল শিষ্য মাধৱদেৱ। শংকৰদেৱ, মাধৱদেৱৰ উপৰিও দামোদৰদেৱ আৰু হৰিদেৱেও সেই সময়ত নামনি অসমত নিজস্ব পন্থা অনুযায়ী বৈষ্ণৱ ধৰ্মমত প্ৰচাৰ কৰিছিল। শংকৰদেৱৰ পাছত উজনি অসমত এই নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰত আগভাগ লৈছিল বংশীগোপালদেৱ, গোপাল আতা, বদুলা পদ্ম আতা, কেশৱচৰণ, যদুমণিদেৱ, পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভূজ ঠাকুৰ, আই কনকলতা আদিয়ে পতা ধৰ্মাচাৰ্যসকলে। বৰ্তমান শিৱসাগৰত সত্তৰ খনৰো অধিক সত্ৰ আছে। এই সত্ৰ সমূহে ধৰ্ম প্ৰচাৰৰ লগতে সাহিত্য-সংস্কৃতি, চাৰু-কাৰু কলাবিদ্যাৰ চৰ্চাও কৰি আহিছে। গীত, পদ, নাম-প্ৰসঙ্গ, নৃত্য, ভাওনা, পুতলা নাচ, পালনীয় আচাৰ-ব্যৱহাৰ আদিৰ যোগেদি সমাজলৈ এই সত্ৰসমূহে যথেষ্ট অৰিহণা যোগাইছে। এই সত্ৰসমূহৰ ভিতৰত প্ৰাধান্য লাভ কৰা কিছুমান সত্ৰৰ লগতে বিশেষকৈ খাটপাৰ সত্ৰত উদ্‌যাপিত উৎসৱ-অনুষ্ঠানৰ বিৱৰণ গৱেষণা গ্ৰন্থখনিত সন্নিবিষ্ট কৰা হৈছে। শিৱসাগৰ জিলাৰ এই সত্ৰসমূহৰ অৱস্থানৰ চিত্ৰ শিৱসাগৰ জিলাৰ মানচিত্ৰ (পৃ. ৬)ত দেখুওৱা হৈছে।

শংকৰদেৱ সৃষ্ট ভাওনাত ব্যৱহৃত মুখাই বৰ্তমান আন্তঃৰাজ্যিক স্তৰতো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। এই মুখা শিল্প নিমাৰ্ণ কৰা সত্ৰসমূহৰ ভিতৰত অন্যতম খাটপাৰ সত্ৰৰ মুখা শিল্পৰ ঐতিহ্যৰ বিষয়ে এটি আলোকপাত কৰা হৈছে। তদুপৰি সত্ৰসমূহত সংৰক্ষিত প্ৰাচীন সম্পদৰ নাম বিলাক উল্লেখ কৰি দিয়া হৈছে। এই আলোচনাৰ মাধ্যমেৰে শিৱসাগৰ জিলাৰ সত্ৰসমূহৰ সামাজিক, সাংস্কৃতিক দিশৰ বিষয়ে কিছু হ'লেও নতুন তথ্য পোহৰলৈ আহিব বুলি আশা কৰা হৈছে।

এই আলোচনাটিত অসমৰ বাহিৰে পৃথিৱীৰ বিভিন্ন প্ৰান্তত মুখা কিদৰে ব্যৱহৃত হৈ আহিছে সেই সম্পৰ্কেও কিছু তথ্য দিয়া হৈছে। সত্ৰ আৰু ইয়াৰ সত্ৰীয়া সংস্কৃতিৰ অন্যতম অংগ মুখা শিল্পক বিতং ভাৱে জনাৰ ইচ্ছাতে এম. ফিল. গৱেষণাৰ বাবে উক্ত বিষয়টো বাছি লোৱা হৈছে। এম. ফিল. বৰ্ষৰ সীমিত সময়ৰ বাবে উক্ত বিষয়টিৰ ওপৰত চমু আলোচনাহে কৰিব পৰা গৈছে। বিষয়টো অধ্যয়নৰ বাবে ক্ষেত্ৰ অধ্যয়ন পদ্ধতি আৰু সত্ৰ সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ, বুৰঞ্জী, চৰিত পুথি আদিৰ সহায় লোৱা হৈছে।

# MAP SHOWING SELECTED SATRAS IN SIVASAGAR DISTRICT, ASSAM



# প্রথম অধ্যায়

# প্ৰথম অধ্যায়

## শিৱসাগৰ জিলাৰ চমু পৰিচয় ঃ

ভাৰতবৰ্ষৰ পূবপ্ৰান্তত অৱস্থিত অসম ৰাজ্যৰ জিলাসমূহৰ ভিতৰত শিৱসাগৰ জিলাখন ঐতিহাসিকভাৱে গুৰুত্বপূৰ্ণ এখন ঠাই। আহোম স্বৰ্গদেউসকলৰ ছশ বছৰীয়া ৰাজত্বকালত এই জিলাখনৰ চৰাইদেউ, চৰগুৱা, বকতা, বৰকোলা, গড়গাঁও আদি ঠাইসমূহে গুৰুত্ব লাভ কৰিছিল।

অতীতত শিৱসাগৰ জিলা 'ৰংপুৰ', 'কলঝুঙপাৰ', 'শিৱপুৰ' আদি নামেৰে জনাজাত আছিল। শিৱসাগৰ জিলাৰ সীমা আছিল পূবে লক্ষীমপুৰ আৰু টিৰাপ জিলা, পশ্চিমে সংযুক্ত মিকিৰ, উত্তৰ কাছাৰ আৰু নগাঁও জিলা, উত্তৰে দৰং আৰু লক্ষীমপুৰ জিলা আৰু দক্ষিণে নগাপাহাৰ।

ৰংপুৰ, কলঝুঙপাৰ আৰু শিৱপুৰ নাম কেইটাৰ উৎপত্তি এনেধৰণৰ —

**ৰংপুৰ ঃ** ৰংপুৰ পূৰ্বতে মেটেকা নামেৰেহে পৰিচিত আছিল। আহোম ৰজা ৰুদ্ৰসিংহই মেটেকাত বহৰি শেনৰ (এবিধ ডাঙৰ জাতৰ শেন চৰাই) খেল চাই অতিশয় আনন্দিত হৈ সেই ঠাইত নগৰ কৰাৰ সিদ্ধান্ত কৰি নগৰখনক যিহেতু ৰং ৰহইচেৰে পৰিপূৰ্ণ কৰাৰ আশা কৰিছিল, সেই বাবে নগৰৰ নাম থৈছিল ৰংপুৰ।[১] সেই সময়ত গোটেই শিৱসাগৰ নগৰখনেই ৰংপুৰ নামেৰে জনাজাত আছিল। বিহুনামতো 'ৰংপুৰ' নামৰ উল্লেখ পোৱা যায়ঃ

ৰংপুৰৰ ৰঙামণি পিন্ধাই দিয়া সৰু ভনী
বিহু মাৰিবলৈ যাওঁ ঐ গোবিন্দাই ৰাম।

---

১) বৰুৱা, সোণাৰাম (সম্পা) ঃবুৰঞ্জীয়ে পৰশা ৰংপুৰ; ভুবন চন্দ্ৰ সন্দিকৈৰ প্ৰবন্ধ 'ইতিহাসৰ ছাঁ পোহৰত পুৰণি ৰংপুৰ'; পৃ. ১

**কলঙ্গুপাৰ ঃ** ৰংপুৰ নগৰৰ উত্তৰ সীমাৰে বৈ যোৱা দিখৌ নৈৰ পাৰত যিখন ঠাই আছিল, সেই ঠাইখনৰ নাম আছিল কলঙ্গুপাৰ। 'কলঙ্গু' শব্দটো সংস্কৃত মূলীয়।[২] ইয়াৰ উৎপত্তি 'কলস' শব্দৰ পৰা হৈছে। 'কলস' শব্দই বৃহৎ জলপাত্ৰ বা জল প্ৰবাহক বুজায়। 'দিখৌ' নৈৰ নাম প্ৰাচীন কালত 'কলন', 'কলঞ্চু', 'দিকলন' বা 'দৈকলন', 'দিকলঙ্গু' বা 'দৈ কলঙ্গু' আছিল। গতিকে কলঙ্গুপাৰ কথাষাৰে দিখৌ নৈৰ পাৰত অৱস্থিত গাওঁখনৰ কথাকে বুজাইছে বুলি ক'ব পাৰি।

**শিৱপুৰ** [৩] ঃ আহোম ৰজা শিৱসিংহৰ ৰাণী অম্বিকা বা মদাম্বিকাই (১৭৩৩ খ্ৰীঃত) শিৱসিংহৰ নাম যুগমীয়া কৰিবলৈ এটা পুখুৰী খন্দোৱাৰ কথা ভাবি ৰাজঘৰীয়া বিশেষজ্ঞৰ দ্বাৰা জৰীপ আৰু পৰীক্ষা কৰাই যি ডোখৰ ঠাই বাছি লৈছিল সেই অঞ্চলটোৱে হ'ল কলঙ্গুপাৰ। পানীৰ উহৰ সন্ধান পোৱাৰ বাবে তাতেই নাগমাৰি বহালে। তাৰ পিছত পুখুৰীৰ চাৰিওফালে গড়খাৱৈ খনাই তাৰ মাটিৰে পাৰ বান্ধিলে আৰু পুখুৰীৰ নাম দিলে শিৱসাগৰ আৰু কলঙ্গুপাৰৰ নাম ৰাখিলে শিৱপুৰ। বৃটিছ সকল অহাৰ আগলৈকে এই ঠাইৰ নাম শিৱপুৰেই আছিল।

**শিৱসাগৰ জিলাৰ ভৌগোলিক অৱস্থান আৰু জনসমষ্টি ঃ**

বৰ্তমান শিৱসাগৰ জিলাৰ চাৰিসীমাটো এনে ধৰণৰ — শিৱসাগৰ জিলাৰ উত্তৰে ব্ৰহ্মপুত্ৰ আৰু ডিব্ৰুগড় জিলা; দক্ষিণে নগাৰাজ্য আৰু অৰুণাচল প্ৰদেশ; পূবে দিচাং নৈ; পশ্চিমে জাঁজী নৈ আৰু যোৰহাট জিলা।

ব্ৰহ্মপুত্ৰ নদী এই জিলাৰ উত্তৰে বৈ গৈছে যদিও দিচাং, দিখৌ, দৰিকা, জাঁজী আদি নদীয়ে গোটেই শিৱসাগৰ জিলা আগুৰি আছে। শিৱসাগৰ নগৰৰ বুকুতেই বিৰাজ কৰি আছে শিৱসাগৰ পুখুৰী, পাৰত তিনিটা দ'ল, লগতে কেইটামান পুৰণি বৰটোপ।

---

২) বৰুৱা, সোণাৰাম (সম্পা) ঃ ৰংপুৰ, ৰংপুৰ; তাৰানাথ দাসৰ প্ৰবন্ধ 'কলনঞ্চুপাৰৰ ইতিহাসত এভুমুকি' পৃ. ৪১

৩) সদ্যোক্ত গ্ৰন্থ, ঃ সদ্যোক্ত প্ৰবন্ধ, পৃ. ৪২

ইয়াৰ জলবায়ু সেমেকা।

শিৱসাগৰ জিলাৰ মাটিকালি ২,৬৬,৮০০ হেক্টৰ। ২০০১ চনৰ লোকপিয়ল মতে, শিৱসাগৰ জিলাৰ মুঠ জনসংখ্যা ১০,৫১,৭৩৬জন। জনসংখ্যাৰ ঘনত্ব প্ৰতি কিলোমিটাৰত ৩৯৫জন। পুৰুষ ৫,৪৫,৪৭৬ জন আৰু মহিলা ৫,০৬,২৬০ জনী। শিৱসাগৰ জিলাৰ মুঠ গাঁৱৰ সংখ্যা ৮৮১ খন। ২০০১ চনৰ লোকপিয়ল মতে পুৰুষ শিক্ষিতৰ হাৰ ৮১.১০ শতাংশ আৰু মহিলা ৬৬.১৫ শতাংশ।[৪] ১৮৩৮ চনত লেফটেনেন্ট ব্ৰডীয়ে ইষ্ট ইণ্ডিয়া কোম্পানীৰ উজনি অসমৰ ৰাজধানী বা Head Quarter ৰংপুৰৰ পৰা শিৱসাগৰ পুখুৰীৰ পাৰলৈ স্থানান্তৰ কৰে।[৫] তেতিয়াৰ পৰাই মহকুমা আৰু জিলাৰ নামো শিৱসাগৰ হয়। ১৯৮৩ চনৰ জুন মাহত শিৱসাগৰ মহকুমাক জিলা ঘোষণা কৰে।

বৰ্তমান শিৱসাগৰ জিলাৰ মহকুমা তিনিটা ঃ শিৱসাগৰ, নাজিৰা আৰু চৰাইদেউ। বিভিন্ন ধৰণৰ চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, কাছাৰী, বিদ্যালয়, মহাবিদ্যালয় আদি অনুষ্ঠান, প্ৰতিষ্ঠান শিৱসাগৰ জিলাত অৱস্থিত।

**অসমীয়া সাহিত্য-সংস্কৃতিৰ দিশত শিৱসাগৰৰ অৱদান ঃ**

আহোমসকলৰ ৰাজত্বকালত ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতাত সেই সময়ত শিৱসাগৰত সাহিত্য চৰ্চাৰ পৰিৱেশ ঠন ধৰি উঠিছিল আৰু বিভিন্ন প্ৰকাৰৰ সাহিত্যৰ সৃষ্টি হৈছিল। আহোম ৰজাসকলৰ ভিতৰত জয়ধ্বজ সিংহৰ নামেই পোনপ্ৰথমে সাহিত্য ৰচনাৰ লগত জড়িত থকা দেখা যায়। তেওঁৰেই পোনপ্ৰথমে হিন্দু ধৰ্ম গ্ৰহণ কৰি

৪) District at a glance Sivsagar '2005' office of the Deputy Director of Economics and Statistics, Sivsagar.

৫) বৰুৱা, সোণাৰাম (সম্পা) ঃ ৰংপুৰ, ৰংপুৰ; মুনিন্দ্ৰ নাথ বৰগোহাঁইৰ প্ৰবন্ধ 'শিৱসাগৰত পৌৰ প্ৰশাসন' পৃ. ২৮৫

ব্ৰাহ্মণ পণ্ডিতসকলক উৎসাহ দান কৰিছিল।[৬] জয়ধ্বজ সিংহৰ উপৰিও ৰুদ্ৰসিংহ, শিৱসিংহ আৰু ৰাজেশ্বৰ সিংহৰ পৃষ্ঠপোষকতাত আহোম যুগৰ অসমীয়া সাহিত্যৰ চৰ্চা হৈছিল এই শিৱসাগৰতেই।

জয়ধ্বজ সিংহৰ দিনতেই আহোম ভাষাৰ সলনি অসমীয়া ভাষাক ৰাজকীয় ভাষা হিচাপে গ্ৰহণ কৰে। জয়ধ্বজ সিংহই 'পদ্মপুৰাণ'ৰ জনকৰ আখ্যানৰ পদ ৰচনা কৰিছিল বুলি জনা যায়। ৰুদ্ৰসিংহ সাহিত্য-সংস্কৃতি-সঙ্গীতৰ প্ৰতি গভীৰ অনুৰাগ থকা ৰজা আছিল। বুৰঞ্জীৰ মতে, তেওঁ নিজে কেইটামান গীত ৰচনা কৰিছিল।[৭] ৰুদ্ৰসিংহই ৰামনাৰায়ণ কবিৰাজ চক্ৰৱৰ্তীক ৰাজকবি পাতি ৰাজসভাত ৰাখিছিল আৰু কবিৰাজে মহাদেৱৰ 'গীত-গোবিন্দ'ৰ ভাঙনি আৰু 'ভাস্বতী' নামৰ জ্যোতিষৰ পুথি এখনো ৰচনা কৰিছিল।

শিৱসিংহ আৰু তেওঁৰ ৰাণী ফুলেশ্বৰী বা প্ৰমথেস্বৰী আৰু অম্বিকাৰ পৃষ্ঠপোষকতাত কবিৰাজ চক্ৰৱৰ্তীয়ে 'শকুন্তলা কাব্য' আৰু 'শঙ্খচূড় বধ' ৰচনা কৰে। কবিৰাজ চক্ৰৱৰ্তীৰ উপৰিও অনন্ত আচাৰ্য,ৰমানন্দ দ্বিজ আৰু সুকুমাৰ বৰকাথে ক্ৰমে 'আনন্দ লহৰী', 'বৃহৎ ঊষা হৰণ', আৰু 'হস্তীবিদ্যাৰ্ণৱ' ৰচনা কৰে; শিৱসিংহ আৰু তেওঁৰ ৰাণীৰ পৃষ্ঠপোষকতাত।

স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ পৃষ্ঠপোষকতাত বাগীশৰ 'নীতি-লতাঙ্কুৰ'; শ্ৰীকান্ত সূৰ্যবিপ্ৰৰ 'ৰামচৰিত মানস'; পৃথুৰাম দ্বিজৰ 'মূষল পৰ্ব'; 'মহাপ্ৰস্থানিক পৰ্ব'; 'স্বৰ্গাৰোহণ পৰ্ব' ৰচিত হয়। এইজনা ৰজাই 'কীচক বধ' নামৰ নাটক এখন ৰচনা কৰি কবি চূড়ামণি উপাধি লাভ কৰিছিল বুলি জনা যায়।

ডা-ডাঙৰীয়াসকলৰ ভিতৰত নাওবৈছা ফুকন আৰু বাঁহগড়ীয়া আতন

---

৬) গগৈ, লীলা ঃ অসমৰ সংস্কৃতি; পৃ. ৭৮

৭) শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত; পৃ. ২২৬

বুঢ়াগোহাঞিৰ পৃষ্ঠপোষকতাৰ কথাই উল্লেখ কৰিব পাৰি।[৮]

বুৰঞ্জী সাহিত্য আহোমসকলৰ এক অন্যতম অৱদান। ইয়াৰ সৃষ্টি সপ্তদশ শতিকাৰ মাজভাগত বুলি কোৱা হয় যদিও অষ্টাদশ শতিকাত এই সাহিত্যই বিস্তৃতি লাভ কৰিছিল।[৯] আহোম স্বৰ্গদেউ সকলৰ পৃষ্ঠপোষকতাত শিৱসাগৰৰ বিভিন্ন ঠাইত বুৰঞ্জী ৰচনা কৰা হৈছিল। তাৰে ভিতৰত বাঁহ গড়ীয়া আতন বুঢ়াগোহাঞিৰ 'ৰামসিংহৰ যুদ্ধৰ কথা', শ্ৰীনাথ বৰুৱাৰ 'তুংখুঙ্গীয়া বুৰঞ্জী' আৰু নুমলি বৰগোহাঁইৰ 'চকৰিফেঁটী' বিখ্যাত।[১০]

আহোম ৰাজত্বৰ পাছত অসমলৈ খ্ৰীষ্টান মিছনেৰীসকলৰ আগমন ঘটিল। খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য অহা এই মিছনেৰীসকলে তেওঁলোকৰ মিছন কেন্দ্ৰ স্থাপন কৰিছিল শিৱসাগৰৰ দিখৌ নৈৰ পাৰত ১৮৪০ চনত।[১১] এই ছপাশালটোৰ পৰাই বিদেশী হ'লেও নেথান ব্ৰাউন, এলিজা, অলিভাৰ কট্টাৰ, শ্ৰীমতী কট্টাৰ, মাইলছ ব্ৰন্সন, এ. কে গাৰ্নি আদি লেখকসকলে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বাবে ব্যাকৰণ, অভিধান, পাঠ্যপুথি যুগুত কৰি উলিয়াইছিল। আৰু এই ছপাশালৰ পৰাই ১৮৪৬ চনৰ জানুৱাৰী মাহত প্ৰথম অসমীয়া আলোচনী 'অৰুণোদয়' ওলায়।

অৱশ্যে প্ৰাক্ অৰুণোদয় স্তৰত পাশ্চাত্য ভাৱধাৰাৰ স্পৰ্শলৈ নহাকৈ ঘনশ্যাম খাৰঘৰীয়া ফুকন, দীননাথ বেজবৰুৱা, দূতিৰাম হাজৰিকা, মণিৰাম দেৱান, কাশীনাথ তামুলী ফুকন, যদুৰাম ডেকাবৰুৱা আদি শিৱসাগৰীয়া সাহিত্যিকে অসমীয়া সাহিত্যলৈ অৱদান যোগাই গৈছে। কাশীনাথ তামুলী ফুকনৰ 'অসম বুৰঞ্জী', দূতিৰাম হাজৰিকাৰ 'কলিভাৰত' আৰু মণিৰাম দেৱান ৰচিত 'বুৰঞ্জী বিবেকৰত্ন' লেখত ল'বলগীয়া অৱদান।

---

৮) গগৈ, লীলা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃ. ৭৮

৯) শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ২১৫

১০) গগৈ, লীলা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৮২

১১) শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ২৪৬

মিছনেৰীসকলৰ দিনতেই অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাত আগভাগ লোৱা হেমচন্দ্ৰ বৰুৱাৰ ঘৰ শিৱসাগৰৰ ৰজাবাহৰ গাঁৱত। হেমচন্দ্ৰ বৰুৱাৰ 'আদি পাঠ', 'পাঠশালা', 'স্বাস্থ্য ৰক্ষাৰ নিয়ম', 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' 'কানীয়াৰ কীৰ্ত্তন' আদি উল্লেখযোগ্য ৰচনা। তেখেতৰ 'হেমকোষ' অভিধান অসমীয়া ভাষা সাহিত্যৰ কালজয়ী সৃষ্টি। সত্যেন্দ্ৰনাথ শৰ্মাই হেমকোষ সম্পৰ্কে মন্তব্য কৰিছে ঃ 'হেমকোষে' হেমচন্দ্ৰ বৰুৱাৰ পাণ্ডিত্য; ভাষাজ্ঞান, অপৰিসীম পৰিশ্ৰমৰ আদৰ্শ দাঙি ধৰে। ই গাই গুটীয়া বা অকলশৰীয়া চেষ্টাৰ চূড়ান্ত সৌধ।[১২]

অসমীয়া ভাষা সাহিত্যৰ সকলো বিভাগৰ পৰিপুষ্টি সাধন কৰি থৈ যোৱা লক্ষ্মীনাথ বেজবৰুৱা শিৱসাগৰৰেই বেজবৰুৱা পৰিয়ালৰ দীননাথ বেজবৰুৱাৰ পুত্ৰ। যিয়ে তেওঁৰ বহুমুখী প্ৰতিভাৰ দ্বাৰা সাহিত্যত 'বেজবৰুৱাৰ যুগ' সৃষ্টি কৰি থৈ গৈছে। ড° বাণীকান্ত কাকতিয়ে জাগ্ৰত স্বদেশানুৰাগ, অপূৰ্ব ৰচনাৰীতি আৰু প্ৰকৃত হাস্যৰস তেওঁৰ ৰচনাৰ প্ৰধান বৈশিষ্ট্য বুলি উল্লেখ কৰিছে।[১৩]

১৯১৭ চনত শিৱসাগৰত অনুস্থিত হোৱা অসম সাহিত্য সভাৰ প্ৰথম সভাপতি 'অসম বন্তি' আলোচনীৰ সম্পাদক পদ্মনাথ গোহাঞিঃ বৰুৱাই স্কুলীয়া শিক্ষা লক্ষীমপুৰত আৰম্ভ কৰি শেষ কৰিছিল এই শিৱসাগৰতে। এই সময়ৰে আন কেইজনমান শিৱসাগৰীয়া সাহিত্যিক হৈছে শিশু সাহিত্যিক দুৰ্গা প্ৰসাদ মজিন্দাৰ বৰুৱা, প্ৰেমধৰ চলিহা, গুঞ্জানন বৰুৱা। 'বনফুল', 'ওমৰ তীৰ্থ' আৰু 'কথা-কবিতা' আদি কাব্য গ্ৰন্থৰে অসমীয়া সাহিত্য জগতত পৰিচিত যতীন্দ্ৰনাথ দুৱৰাও শিৱসাগৰৰে দিখৌ পাৰৰ শ্যাম সুন্দৰ দুৱৰাৰ পুতেক। ফুলনি কবি পদ্মধৰ চলিহা বুৰঞ্জী, শিশু আৰু জীৱনী সাহিত্য ৰচোতা বেণুধৰ শৰ্মাৰ ঘৰো শিৱসাগৰতে। 'ভগা টোকাৰীৰ সুৰ', 'গুণ গুণনি', 'লুইতী', 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' আদি গীতি কবিতাৰ ৰচক পাৰ্বতী প্ৰসাদ বৰুৱাও শিৱসাগৰৰ যদুৰাম ডেকা বৰুৱাৰ বংশধৰ।

---

১২) শৰ্মা, সত্যেন্দ্ৰনাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃ. ২৬৬

১৩) উল্লিখিত গ্ৰন্থ ঃ পৃ. ২৯২

শিৱসাগৰ জিলাৰ জাঁজীত জন্ম গ্ৰহণ কৰা তীৰ্থনাথ শৰ্মা আৰু সত্যেন্দ্ৰ নাথ শৰ্মা অসমীয়া সাহিত্য জগতৰ বিশিষ্ট কাণ্ডাৰী পুৰুষ। অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জী ৰচনাত দুটি মচিব নোৱাৰা নাম হৈছে মহেশ্বৰ নেওগ আৰু ডিম্বেশ্বৰ নেওগ। মহেশ্বৰ নেওগৰ 'শ্ৰী শ্ৰী শংকৰদেৱ', 'অসমীয়া সাহিত্যৰ ৰূপৰেখা', 'প্ৰাচ্য-শাসনাৱলী', 'আধুনিক অসমীয়া সাহিত্য', 'শ্ৰী শ্ৰী বংশীগোপালদেৱৰ চৰিত্ৰ' আদি গ্ৰন্থৰ মাজতে নিহিত হৈ আছে তেখেতৰ পাণ্ডিত্য। ডিম্বেশ্বৰ নেওগে 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী', 'অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভূমুকি', 'অসমীয়া সাহিত্যৰ সংক্ষিপ্ত বুৰঞ্জী' এই চাৰিখন সাহিত্যৰ বুৰঞ্জীত অসমীয়া ভাষা সাহিত্যৰ বিষয়ে আলোচনা কৰিছে।

বুৰঞ্জীবিদ ভুবন চন্দ্ৰ সন্দিকৈ, আৰু একেধাৰে বুৰঞ্জীবিদ, গীতিকাৰ, লোক-সাহিত্য-সংস্কৃতিৰ গৱেষক লীলা গগৈৰ ঘৰো শিৱসাগৰতে। আন এজন বুৰঞ্জীবিদ, নাট্যকাৰ, কথাশিল্পী নকুলচন্দ্ৰ ভূঞাৰ ঘৰো শিৱসাগৰৰ চাৰিঙত। নাট্যকাৰ ইন্দ্ৰেশ্বৰ বৰঠাকুৰ আৰু অসমত পুথিভঁৰাল আন্দোলনৰ সূত্ৰপাত ঘটোৱা লেখক কুমুদেশ্বৰ বৰঠাকুৰো আছিল শিৱসাগৰীয়া সাহিত্যিক।

একেধাৰে কবি, গীতিকাৰ, সুবক্তা, নাট্যকাৰ, সমালোচক পৰাগধৰ চলিহা শিৱসাগৰৰে ব্যক্তি। প্ৰাক্ ঐতিহাসিক কালৰে পৰা স্বাধীনতাৰ সময়লৈকে অসমৰ বিস্তৃত সময়ৰ ঘটনাৰাজিক কাব্যিক ৰূপেৰে ৰংগমঞ্চত উপস্থাপন কৰা 'চাৰি হেজাৰ বছৰৰ অসম' চলিহাৰ উল্লেখযোগ্য অৱদান।

অসমৰ বৌদ্ধিক জগতত উল্লেখযোগ্য আসন লাভ কৰা মহেন্দ্ৰ বৰাৰ ঘৰো শিৱসাগৰৰ ঢুলীয়া পাৰত। কবি সমালোচক, গৱেষক, বৰাৰ উল্লেখযোগ্য গ্ৰন্থসমূহ হৈছে - 'ৰমন্যাসবাদ', 'সাহিত্য আৰু সমাজবাদৰ কথা', 'অসমীয়া ছন্দৰ শিল্পতত্ব', 'অসমীয়া কবিতাৰ ছন্দ', 'সাহিত্য আৰু সাহিত্য' আদি।

দিখৌৰ পাৰত স্থায়ীভাৱে বাস কৰা বীৰেন বৰকটকীয়ে কবিতা, সমালোচনা

আৰু উপন্যাস ৰচনাৰে অসমীয়া সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই থৈ গৈছে। 'মন্বন্তৰ', 'ওপজা মাটিৰ সুৰ', 'চিনাকি পৃথিৱী' আদি কবিতা পুথি। 'কুমাৰী পৃথিৱী' (অনুবাদ গ্ৰন্থ), 'খোজতে মিলাও খোজ', 'মনীষী টলষ্টয়ক বুজাৰ চেষ্টাৰে', 'ৰমন্যাসিক ইংৰাজী কবিৰ কাব্য প্ৰতিভা' আদি তেওঁৰ অসমীয়া সাহিত্যলৈ অনন্য অৱদান।

লোক সাহিত্য আৰু লোকসংস্কৃতি বুটলি ফুৰা বুৰঞ্জীবিদ হেম বুঢ়াগোহাঞিৰ ঘৰ হ'ল শিৱসাগৰত। 'লেছেৰী বোটলা বুৰঞ্জী', 'সাঁচি পাতৰ সাঁচতীয়া স্মৃতি', 'জয়মতী কুঁৱৰী' আদি বুৰঞ্জীৰ তথ্যসমৃদ্ধ পুথিৰ উপৰিও 'চিন্তাৰ সঁফুৰা', 'জনগীতৰ সুৰধ্বনি', 'জন-সংস্কৃতিৰ ৰশ্মিৰেখা', 'বিহু আকৌ আহিল' আদি লোকসংস্কৃতিমূলক গ্ৰন্থ।

'বন্দী বিহংগমে কান্দে', 'পিয়ামুখ চন্দ্ৰা', 'প্ৰতিবিম্ব' আদি গল্প সংকলনৰ উপৰিও 'জবানবন্দী' উপন্যাসৰ ৰচক ইমৰান শ্বাহ শিৱসাগৰৰে সাহিত্যিক।

'কাঞ্চন বৰুৱা' ছদ্মনামেৰে ৰচনা কৰা 'অসীমত যাৰ হেৰাল সীমা'ৰ স্ৰষ্টা ভূৱন মোহন বৰুৱা আৰু 'ভাস্কৰ চিৰিজ'ৰ স্ৰষ্টা ৰংমন (ৰবীন দে) এই শিৱসাগৰৰে আছিল।

আৱাহন যুগৰ এগৰাকী উল্লেখযোগ্য কবি শশীকান্ত গগৈৰ ঘৰ শিৱসাগৰৰ বানমুখ চেতিয়া গাঁৱত। তেওঁ 'আৱাহন' আৰু 'জয়ন্তী'ত কবিতা লিখিছিল।

নাট্যকাৰ যোগেন চেতিয়াই Stanley Houghtonৰ 'Dear Departed' নাটকৰ অসমীয়া অনুবাদ 'চেনেহৰ সোঁতা', 'ধানটো পতানটো' আদি একাংকিকা ৰচনা কৰাৰ উপৰিও নাট্য সাহিত্য সম্পৰ্কে লিখা 'আধুনিক নাট্যকলা' অসমীয়া সাহিত্যৰ এখন মূল্যৱান গ্ৰন্থ। অসমীয়া সাহিত্যৰ ভঁৰাললৈ উল্লেখযোগ্য অৱদান আগবঢ়োৱা আন আন শিৱসাগৰীয়া লেখক সকল হৈছে—ৰামৰাজা সিংহ, বসন্তলাল দুৱৰা, তাৰানাথ দাস, গোপাল বুঢ়াগোহাঁই, প্ৰেমধৰ দত্ত, কৃষ্ণ কুমাৰ মিশ্ৰ, ডম্বৰু কাকতী, সোণাৰাম বৰুৱা, ভীমকান্ত বৰুৱা, প্ৰহ্লাদ কুমাৰ বৰুৱা, প্ৰেম গগৈ, শিৰীশ কুমাৰ ভট্টাচাৰ্য, দুৰ্লভ বুঢ়াগোহাঁই, দীপক ভূঞা, প্ৰদীপজ্যোতি

মহন্ত, ননীগোপাল মহন্ত, নীলমণি মহন্ত, লীলা মহন্ত, হৃদয়ানন্দ গগৈ, গংগামোহন মিলি, অনিল পাংগিং, সুৰেশ ফুকন, ৰঘুনাথ কাগযুং, বিজয় ৰবিদাস, পৰানন্দ কোঁৱৰ, প্ৰাঞ্জল প্ৰতিম বড়া আদি।

অসমীয়া সাহিত্যৰ ভঁৰাললৈ শিৱসাগৰীয়া নাৰীৰ অৱদানো যথেষ্ট — 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ', 'পৰশমণি' 'যুগদেৱতা' আৰু 'অলকানন্দা' কাব্য গ্ৰন্থৰ ৰচক নলিনীবালা দেৱী আছিল শিৱসাগৰৰে বোৱাৰী। আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হোৱা নিৰ্মল প্ৰভা বৰদলৈ শিৱসাগৰৰে জীয়াৰী। বিংশ শতাব্দীৰ দ্বিতীয় দশকতে প্ৰথম অসমীয়া মহিলা আলোচনী 'ঘৰজেউতি' (১৯২৭-২৮) কমলালয়া কাকতি আৰু কনকলতা চলিহাৰ যুগ্ম সম্পাদনাত প্ৰকাশ পাইছিল শিৱসাগৰৰ পৰাই।

কবি হিমলা বৰুৱানী আৰু অসমীয়া সাহিত্যত প্ৰথম গল্প লেখিকা সুধা বৰুৱাও শিৱসাগৰৰে নাৰী। বিংশ শতাব্দীৰ তৃতীয় দশকৰ পৰা 'ঘৰজেউতি', 'আৱাহন', 'বাঁহী', 'জয়ন্তী' আলোচনীত গল্প, প্ৰবন্ধ, নাটক, উপন্যাস আদি লিখাৰ উপৰিও শিশু সাহিত্য ৰচনা কৰা ফুলেশ্বৰী দত্ত এই শিৱসাগৰৰে। 'ৰামধেনু' যুগতে আত্ম প্ৰকাশ কৰা প্ৰবীণা শইকীয়া আছিল শিৱসাগৰৰে বোৱাৰী। অনিমা দত্ত ভৰালী যাঠিৰ দশকতে প্ৰতিষ্ঠা লাভ কৰা এগৰাকী সুদক্ষ গল্প-লেখিকা। তেখেতৰ 'বেলি ফুলৰ সপোন' এখনি সাৰ্থক চুটি গল্প সংকলন। গদ্য লেখিকা হিচাপে খ্যাতি লাভ কৰা চিত্ৰলতা ফুকনৰ 'অশ্ৰু কন্যা', 'অৰুন্ধতী', শিশু উপন্যাস — 'বন আমলখি', 'পোনাকন আৰু মই', গল্প সংকলন — 'চন্দন ধূপৰ ধোঁৱা' সাহিত্য জগতৰ অন্যতম পুথি। চৈয়দ আব্দুল মালিকৰ 'পোৱা গাঁৱত পহিলা ব'হাগ' নামৰ গল্প সংকলনখনি ইংৰাজীলৈ অনুবাদ কৰিছে শিৱসাগৰৰ হেমপ্ৰভা শইকীয়াই যুটীয়াভাৱে ৰেখা বাগ্চীৰ সৈতে।

অসমীয়া সাহিত্যলৈ, গীত, কবিতা, নাটক, শিশু সাহিত্য, গভীৰ চিন্তাশীল প্ৰবন্ধৰে অৱদান আগবঢ়াই অহা কৰবী ডেকা হাজৰিকা আৰু 'ভাষা সাহিত্যৰ অধ্যয়ন', 'ভাষা সাহিত্যৰ বিবিধ চিন্তা' আদি গ্ৰন্থ লিখা অৰ্পনা কোঁৱৰ এই শিৱসাগৰৰে।

ওপৰত উল্লেখ কৰাৰ উপৰিও আন আন শিৱসাগৰীয়া লেখিকা কিছু সংখ্যকৰ

নাম উল্লেখ কৰা হ'ল — স্নিগ্ধা ৰাণী গগৈ, তুলতুল বৰুৱা, তিলোত্তমা চেতিয়া, যমুনা বৰগোহাঁই, নিৰূপমা মহন্ত, অৰুন্ধতী মহন্ত, দময়ন্তী গগৈ, যোগমায়া সন্দিকৈ, ৰশ্মি ৰেখা গগৈ, মাধুৰী কলিতা চৌধুৰী, অসমী গগৈ, অংগনা চৌধুৰী আদি।

এইদৰে আহোম স্বৰ্গদেউসকলৰ দিনৰে পৰা (ষোড়শ শতিকা) বৰ্তমান সময়লৈকে শিৱসাগৰীয়া সাহিত্যিকে অসমীয়া সাহিত্যৰ সৃষ্টিত উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে। সেয়ে ক'ব পাৰি শিৱসাগৰ কেৱল এখন ইতিহাস প্ৰসিদ্ধ ঠাইয়েই নহয় ই জাতীয় সাহিত্য গঢ়ি তোলা এক গৌৰৱময়ী প্ৰেৰণাৰ ঠাই।

**শিৱসাগৰ জিলাৰ আৰ্থ-সামাজিক দিশ আৰু বৰ্ত্তমান পৰিবেশ পৰিস্থিতি ঃ**

বৃটিছ সকল অহাৰ আগলৈকে প্ৰায় দুহেজাৰ বছৰ ধৰি অসম তথা শিৱসাগৰ জিলা সামন্ত অৰ্থনৈতিক বিধি ব্যৱস্থাৰ দ্বাৰা পৰিচালিত আছিল। কৃষিয়েই জীৱিকাৰ প্ৰধান সম্বল আছিল যদিও পশুপালন, তাতশিল্প আদিও জীৱিকাঅৰ্জনৰ উপায় আছিল। সোণ বিচাৰি উলিওৱা, লো খনিৰ পৰা আহৰণ কৰা আহোম যুগৰ অৰ্থনৈতিক ক্ষেত্ৰৰ দুটা প্ৰধান বিষয় আছিল। শিৱসাগৰৰ দিচাং, দিচৈ, দিহিং, আদি নদীত সোণৰ কনিকা পোৱা গৈছিল বুলি জনা যায়। [১৪] ১৮২৬ খ্ৰীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে বৃটিছসকলৰ আগমনৰ লগে লগে অসম তথা শিৱসাগৰৰ জাতীয় জীৱনলৈ চমকপ্ৰদ পৰিৱৰ্তন আহিল। সৃষ্টি হ'ল নতুন চিন্তা, প্ৰত্যয় আৰু ব্যক্তিগত প্ৰচেষ্টাবাদী অৰ্থনৈতিক বিধি ব্যৱস্থা। ইংৰাজ সকলে চাহ গছ আৱিষ্কাৰ কৰি, চাহ ৰুই নতুন অৰ্থনীতিৰ জন্ম দিলে। ১৮৩৯ চনত শিৱসাগৰৰ নাজিৰাত ভাৰতৰ প্ৰথম চাহ কোম্পানী 'অসম চাহ কোম্পানী' প্ৰতিষ্ঠা কৰিলে। [১৫]

---

১৪) বৰুৱা, সোণাৰাম (সম্পা) ঃ বুৰঞ্জীয়ে পৰশা ৰংপুৰ; ডম্বৰু কাকতিৰ প্ৰবন্ধ 'তিনিশ বছৰৰ ৰংপুৰ ঃ আৰ্থসামাজিক দিশৰ এটি সৰ্বেক্ষণ', পৃ. ৩৭৮

১৫) বৰুৱা, সোণাৰাম (সম্পা) ঃ ৰংপুৰ, ৰংপুৰ; বীৰেণ কটকীৰ প্ৰবন্ধ 'শিৱসাগৰত চাহ শ্ৰমিকৰ সংস্কৃতি, পৃ. ২৫৬

বৰ্তমান শিৱসাগৰ জিলাত এই চাহ শিল্পকে জীৱিকাৰ উপায় কৰি লৈ বহুতো লোকে জীৱন নিৰ্বাহ কৰিছে। শিৱসাগৰত থকা কুটিৰ শিল্পৰ ভিতৰত ৰেচম আৰু বয়ন শিল্প, বাঁহ বেতৰ শিল্প, সোণ-ৰূপ শিল্প, কমাৰ শিল্প, কুমাৰ শিল্প, কাঁহ পিতলৰ শিল্প উল্লেখনীয়।

তাঁত শিল্পৰ সৈতে বৰ্ত্তমান শিৱসাগৰত বিভিন্ন অনুষ্ঠান জড়িত যদিও অসমৰ সৰ্ববৃহৎ অনুষ্ঠান 'ব্ৰহ্মপুত্ৰ ভেলি ৰিজিয়অ'নেল হেণ্ডলুম উইভাৰ্চ ক'পাৰেটিভ চচাইটি লিমিটেড'ৰ দুটা কাৰ্য্যালয় শিৱসাগৰ আৰু নাজিৰাত আছে। এই প্ৰতিষ্ঠানৰ সৈতে বহুতো মহিলা সমিতি জড়িত হৈ আছে।[১৬] ইয়াৰ উপৰিও বিভিন্ন আত্মসহায়ক গোট গঠন কৰি মহিলা সকলে বিভিন্ন কাপোৰ বৈ বিক্ৰী কৰাৰ লগতে খাদ্য সামগ্ৰী প্ৰস্তুত কৰি স্বাৱলম্বী হ'বলৈ প্ৰয়াস কৰিছে।

বাঁহ বেতৰ কাৰখানা গঢ়ি উঠা নাই যদিও হাঁহচৰাৰ খাটপাৰ সত্ৰৰ বাঁহৰ দ্বাৰা নিৰ্মিত মুখাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। ১৮৯৯ চনত ডিগবৈ তেল শোধনাগৰ প্ৰতিষ্ঠা কৰাৰ পাছত কোম্পানীয়ে অসমৰ বিভিন্ন ঠাইত তেলৰ সন্ধান কৰিছিল আৰু ১৯৬০ চনৰ অক্টোবৰ মাহত শিৱসাগৰৰ ৰুদ্ৰসাগৰ অঞ্চলত তেল আবিষ্কাৰ হয়।[১৭] ইয়াৰ পিছত তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ শিৱসাগৰ আৰু নাজিৰাত কাৰ্যালয় প্ৰতিষ্ঠা হয়। এই প্ৰতিষ্ঠানত ৬০০০ তকৈ অধিক লোকে নিযুক্তি পোৱা আৰু পৰোক্ষভাৱে ৯০০০ তকৈ অধিক লোকে সংস্থাপন পোৱাত শিৱসাগৰ জিলাৰ এচাম লোকৰ আৰ্থিক অৱস্থা টনকিয়াল হৈ পৰিছে।[১৮] তদুপৰি ভাৰতীয় গেছ প্ৰাধিকৰণ (GAIL)ৰ পূৰ্বাঞ্চলৰ প্ৰধান কাৰ্যালয়টো শিৱসাগৰত প্ৰতিষ্ঠা কৰাত ইয়াতো কিছু সংখ্যক লোকে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হৈ উপাৰ্জনৰ পথ উলিয়াইছে।

---

১৬) বৰুৱা, সোণাৰাম (সম্পা) ঃ ৰংপুৰ, ৰংপুৰ; সন্তোষ কুমাৰ কৰ্মকাৰৰ প্ৰবন্ধ, 'সাম্প্ৰতিক শিৱসাগৰৰ কুটিৰ শিল্প আৰু ইয়াৰ সম্ভাৱনা', পৃ. ৩১৭

১৭) সদ্যোক্ত গ্ৰন্থ ঃ অমল চন্দ্ৰ দত্তৰ প্ৰবন্ধ 'তৈল নগৰী ৰূপে শিৱসাগৰ', পৃ. ২৯৬

১৮) সদ্যোক্ত গ্ৰন্থ ঃ নৰেন্দ্ৰ নাথ টায়েৰ প্ৰবন্ধ 'শিৱসাগৰৰ আৰ্থ সামাজিক উন্নতি আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগ', পৃ. ৩০০

তেল আৰু প্ৰাকৃতিক গেছ্ আয়োগে কৰ্মসংস্থানৰ সুবিধা প্ৰধান কৰাৰ উপৰিও বৰ্তমান শিৱসাগৰ অঞ্চলৰ আৰ্থ-সামাজিক দিশ পথ-পৰিবহন, শিক্ষা, জনস্বাস্থ্য, খেল-ধেমালি আৰু পৰিবেশ উন্নতিকৰণৰ ক্ষেত্ৰতো বৰঙনি আগবঢ়াইছে। তেল অন্বেষণৰ বাবে শিৱসাগৰ জিলাৰ বিভিন্ন ৰাস্তা-পদূলি পকীকৰণ আৰু দলং আদি উন্নত কৰিছে। তেল আৰু প্ৰাকৃতিক গেছ্ আয়োগ (ONGC) আৰু ভাৰতীয় গেছ্ প্ৰাধিকৰণ (GAIL) য়ে শিৱসাগৰ জিলালৈ আৰ্থিক স্বচ্ছলতা আনিলেও অসমৰ অন্যান্য জিলাৰ দৰে শিৱসাগৰ জিলাতো নিবনুৱা সমস্যাই জুৰুলা কৰিছে। কাৰণ নতুন চামে এতিয়া আগৰ দৰে নিযুক্তি পোৱা নাই। প্ৰায়বিলাক শিক্ষিত-অৰ্ধশিক্ষিত যুৱকেই সেই বাবে সৰকৈ হ'লেও নিজকে ব্যৱসায়ত মনোনিবেশ কৰিছে অথবা অট' ৰিক্সা বা ট্ৰেকোৰ চলাই জীৱিকা অৰ্জন কৰিছে। যুৱতী বিলাকেও বিভিন্ন বেচৰকাৰী খণ্ডত কম অৰ্থত নিজৰ শ্ৰম বিনিয়োগ কৰিব লগা হৈছে নতুবা 'বিউটি পাৰ্লাৰ' খুলি নিজাকে ব্যৱসায় আৰম্ভ কৰিছে।

নিৱনুৱা সমস্যাৰ লগতে অসম নাগালেণ্ড সীমা সমস্যা, সন্ত্ৰাসবাদীৰ সমস্যা আৰু অবৈধ বিদেশী সমস্যায়ো শিৱসাগৰ জিলাক বৰ্তমানে ভাৰক্ৰান্ত কৰিছে।

আধুনিক নগৰমুখী শিক্ষা আৰু উদ্যোগমুখীতাই আৰ্থ-সামাজিক জীৱনলৈ পৰিৱৰ্তন আনিলেও শিৱসাগৰ জিলাৰ জনসাধাৰণৰ মাজত সামুহিক একতা বিৰাজমান হৈ আছে। নগৰীয়া আৰু গ্ৰাম্য এই দুয়োটা সমাজতে শংকৰদেৱৰ মহান আদৰ্শ আৰু সংস্কৃতিৰ প্ৰভাৱ দেখা যায়। একেখন সমাজতে একেটা নামঘৰতে সকলো জাতিৰ মানুহে একেলগে নাম লোৱা আৰু ভাওনা আদি পাতি সত্ৰীয়া পৰম্পৰা অক্ষুন্ন ৰাখিছে। ই সামাজিক বান্ধোনো দৃঢ় হোৱাত সহায় কৰিছে। শিৱসাগৰত শিৱ-পূজা, দুৰ্গা পূজা, বিশ্বকৰ্মা পূজা, সৰস্বতী পূজা, তিনি বিহু, ঈদ, বৰদিন, হোলী, মে-ডাম-মে-ফী আদি উলহ-মালহেৰে উদযাপন কৰা হয়। ইয়াত বাস কৰা জনজাতি সকলেও তেওঁলোকৰ ধৰ্মীয় উৎসৱ পালন কৰাৰ উপৰিও শিৱসাগৰৰ সামূহিক জীৱনৰ লগত মিলি যাবলৈ যত্ন কৰিছে। ইয়াৰ এটি উদাহৰণ হ'ল — হাঁহচৰা নগা গাঁৱত বাস কৰা নগা সকলে 'মৈৰামৰা সত্ৰ'ৰ শিষ্যত্ব গ্ৰহণ কৰি অসমীয়া শিৱসাগৰীয়া জীৱনৰ মূল সুঁতিটোৰ লগত মিলি আছে। বিশ্বায়নৰ প্ৰভাৱত অন্যান্য

ঠাইৰ দৰে শিৱসাগৰৰ জনজীৱনৰ মাজতো বহু পশ্চিমীয়া সংস্কৃতিৰ আচাৰ আচৰণ সোমাই পৰিছে। তৈল উদ্যোগ থকাৰ বাবে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা ইয়ালৈ জীৱিকা সূত্ৰে অহা বিভিন্ন ধৰ্মৰ বিভিন্ন সংস্কৃতিৰ লোকে শিৱসাগৰ জিলাত এক সংমিশ্ৰিত সামাজিক জীৱনৰ সৃষ্টি কৰিছে।

# দ্বিতীয় অধ্যায়

# দ্বিতীয় অধ্যায়

## শিৱসাগৰ জিলাত নৱ বৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া পৰম্পৰা

অসমত পঞ্চদশ ষোড়শ শতিকাত শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱৰ নেতৃত্বত যি ভক্তি ধৰ্মৰ প্ৰচাৰ হৈছিল তাৰ ফলস্বৰূপে 'সত্ৰ' আৰু 'নামঘৰৰ' সৃষ্টি হৈছিল। শংকৰদেৱে প্ৰথমতে বৰদোৱাতে সত্ৰ পাতিছিল। তাৰ পিছত ক্ৰমে মাজুলীৰ বেলগুৰি বা ধুৱাঁহাটত (প্ৰায় চৈধ্য বছৰ), কামৰূপৰ চুণপোৰা, গণককুছি, কুমাৰকুছিত আৰু শেষত পাটবাউসীত সত্ৰ পাতে। তেওঁৰ জীৱিত কালত সংহতি বিভাজন হোৱা নাছিল। দামোদৰদেৱৰও মূল সত্ৰৰ গাতে লগাই পাটবাউসী সত্ৰ প্ৰতিষ্ঠা কৰিছিল। হৰিদেৱেও দামোদৰদেৱৰ দৰে সুকীয়াকৈ ধৰ্ম প্ৰচাৰ কৰিছিল শংকৰদেৱৰ জীৱিত কালতেই। তেখেতৰ মৃত্যুৰ পিছৰ পৰাই দামোদৰদেৱী আৰু হৰিদেৱী দুটি পন্থ সুকীয়া হয়। মাধৱদেৱে শংকৰদেৱৰ পৰা মূল সম্প্ৰদায়টিৰ ভাৰ পাই তাক সংগঠন কৰিবলৈ আৰম্ভ কৰিছিল আৰু তেওঁক এই কাৰ্যত সহায় কৰিছিল নাৰায়ণ দাস ঠাকুৰ আতাই। মাধৱদেৱে বাৰজন ধৰ্মাচাৰ্য পাতি অসম, কামৰূপত সত্ৰ প্ৰতিষ্ঠা কৰিবলৈ আজ্ঞা দি থৈ গৈছিল। এই বাৰজন হৈছে মথুৰা দাস বুঢ়া আতা, ভৱানীপুৰীয়া গোপাল আতা, বদুলা পদ্ম আতা, বংশীগোপালদেৱ, যদুমণিদেৱ, ৰামচৰণ ঠাকুৰ, শ্ৰী হৰিদেৱ, লেচাকণীয়া গোবিন্দ, বৰবিষ্ণু আতা, লক্ষ্মীকান্ত, ভাটৌকুচীয়া কেশৱচৰণ, পৰিহা পাবৰ গোপাল ওৰফে পঢ়িয়া আতৈ আদি। [১] এওঁলোকে অসম কামৰূপৰ বিভিন্ন ঠাইত বিভিন্ন সত্ৰ পাতে।

মাধৱদেৱে পাতি দিয়া এই ধৰ্মাচাৰ্য সকলৰ ভিতৰত বংশীগোপালদেৱ, গোপাল আতা, বদুলা পদ্ম আতা, যদুমণিদেৱ, গুৰুনাতিদ্বয় পুৰুষোত্তম আৰু চতুৰ্ভুজ ঠাকুৰ,

১) নেওগ, মহেশ্বৰ ঃ পৱিত্ৰ অসম, পৃঃ ৩৫

চতুৰ্ভুজ ঠাকুৰৰ পত্নী কনকলতা আইৰ আজ্ঞাপৰ সত্ৰসমূহেই উজনি অসমত ঘাইকৈ বিয়পি আছে। ইয়াৰে ভিতৰত বংশীগোপালদেৱকে উজনি অসমত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক বুলি কোৱা হয়। বংশীগোপালদেৱক উজনিত ধৰ্ম প্ৰচাৰ কৰিবলৈ দামোদৰদেৱ আৰু মাধৱদেৱ দুয়োজনে আজ্ঞা দিছিল বুলি বিভিন্ন তথ্যত পোৱা যায়। তাৰে কেইটামান তথ্য উল্লেখ কৰা হ'ল ৰাম ৰায় কৃত 'গুৰুলীলাত' আছে —[২]

দামোদৰ বোলন্ত শুনিয়ো বংশী তুমি
অধিকাৰী পাতিলো হুঁ আজি হন্তে আমি
অধিকাৰী হোৱা তুমি আমাৰ বচন
অসম ৰাজ্যৰ লোক কৰায়ো শৰণ।।
ধৰ্ম্ম প্ৰৱৰ্ত্তায়ো তুমি পূব যে দিশত
অধিকাৰী হুয়া তুমি থাকিও তথাত
হেন বাক্য শুনি তান লোম শিহৰিল
আনন্দ সাগৰে মগ্ন লোতক সৰিল।।

কিছুমান তথ্যৰ মতে বংশীগোপালদেৱে মাধৱদেৱৰ আজ্ঞা লভিহে গৈছিল[৩]—

মাধৱদেৱৰ আজ্ঞা বাৰজনে পাইলা।
গোপাল দেৱত নিজ ধৰ্ম্ম সমপিলা।।
সেহি আজ্ঞা ধৰি হৈলা পৰিপূৰ্ণ সন্ত।
বাৰজন আতা সমে ভৱানীপুৰত।।
মাধৱৰ আজ্ঞা বংশীগোপালে লভিলা

২) গোস্বামী, শৰতচন্দ্ৰ দেৱ (সম্পা) ঃ ৰামৰায় ভণিত গুৰুলীলা; পৃঃ ৫৭

৩) অধিকাৰ, নাৰায়ন দেৱ ঃ সম্প্ৰদা চৰিত্ৰ; পৃঃ ৩৭-৩৮

দেবেৰা পাৰত সত্ৰ পাতি ধৰ্ম্ম কৈলা।।

ৰমানন্দ দ্বিজ ৰচিত 'বংশীগোপালদেৱৰ চৰিত্ৰ' মতে এওঁক মাধৱদেৱ আৰু দামোদৰদেৱ দুই জনে উজনিত ধৰ্ম প্ৰচাৰ কৰিবলৈ পঠিয়াইছিল। শংকৰদেৱে মাধৱক কৈ গৈছিল[৪] —

পাৰা যে মাধৱ তুমি মোহোৰ পাচত
একজন থাপি থ'বা অসম দেশত।।

গতিকে মাধৱদেৱে বংশীগোপালক উপযুক্ত যেন ভাবি অসম দেশলৈ যাবলৈ পাচিলে। এই কথা শুনি দামোদৰদেৱেও [৫]

মাধৱ দাসৰো মোৰে নাহি কিছু ভেদ।
আমাৰো সিদ্ধান্তে মাধৱৰো পৰিচ্ছেদ।।
আনো আনো কথা কিবা মাধৱে বোলয়।
তাতো মোৰ ভাল অনুমতিসে হৱয়।।
এতেকে পায়োক তুমি অসম দেশক।
হৰি ভকতিৰ পথ দেখায়ো লোকক।।

এই বুলি বংশীগোপালক উজনিলৈ অৰ্থাৎ অসম দেশত ধৰ্ম প্ৰচাৰিবলৈ আজ্ঞা কৰিলে।

**বংশীগোপালদেৱৰ চমু পৰিচয় ঃ** বংশীগোপালৰ পূৰ্বপুৰুষ ব্যাঘ্ৰপিণ্ডা গাঁৱৰ গ্ৰামেশ্বৰ আছিল। ব্যাঘ্ৰপিণ্ড বা ব্যাঘ্ৰপিণ্ডা গাঁও সম্ভৱতঃ আজিকালিৰ নগাঁও জিলাৰ পশ্চিম অঞ্চলৰ

---

৪) নেওগ, মহেশ্বৰ (সম্পা) ঃ ৰমানন্দ দ্বিজ ৰচিত শ্ৰী শ্ৰী বংশীগোপালদেৱ চৰিত্ৰ; পৃঃ ৪১

৫) উল্লিখিত গ্ৰন্থ ঃ পৃঃ ৪৮০-৪৯

ভকত গাঁওৰ পশ্চিমে থকা বাঘ-জাপ নামৰ ঠাই।[৬] তেওঁৰ পিতৃৰ নাম বলোভদ্ৰ। মাতৃৰ নাম যমুনাৱতী। ১৪৭০ শকৰ ফাগুনৰ পূৰ্ণিমা, বৃহস্পতিবাৰে তেওঁৰ জন্ম হয়। তেওঁ সৰু থাকোঁতে মাক-দেউতাক দুয়ো ঢুকায়। মালিপুৰত থকা বায়েক-ভিনিয়েকৰ তত্বাৱধানতে তেওঁ ডাঙৰ-দীঘল হয়। তেওঁৰ সৰু কালৰ নাম আছিল গোপাল। ডেকা বয়সত উদাসীন হৈ বাঁহী এটা বজাই ঘুৰি ফুৰিছিল বাবে তেওঁৰ নাম হয় বংশীগোপাল। সময়ত বংশীগোপালৰ বিয়াৰ সময় হ'ল। কিন্তু গা-ধন দিয়াৰ সামৰ্থ্য নথকাত কিছু ধন ঘটি আনিবৰ বাবে বংশীগোপালে এদল বেপাৰীৰ লগত বেহা কৰিবলৈ গৈ বৰদোৱা গ্ৰামত শংকৰক লগ পায়।[৭] তেওঁ শংকৰৰ ওচৰত থাকি যোৱাৰ ইচ্ছা আছিল যদিও বেপাৰীসকলে বায়েক ভিনিহিয়েকৰ অনুমতি অবিহনে তেওঁক থাকিবলৈ নিদিলে।

ঘৰ পালেহি যাদিও বায়েক ভিনিহিয়েকৰ একান্ত অনুৰোধ সত্বেও তেওঁ বিয়া কৰাবলৈ অমান্তি হ'ল। বংশীগোপালে এইবাৰ বৰ লুইতেদি বৰপেটাৰ ফালে যাত্ৰা কৰিলে। এই যাত্ৰাত তেওঁৰ সংগী আছিল আধলীয়া যদুমণি আৰু হৰিহৰ আতা।

বংশীগোপালে বৰপেটালৈ গৈ প্ৰথমে মাধৱদেৱৰ লগত ('সুন্দৰীদিয়াত) কিছুকাল ধৰ্ম চৰ্চা কৰি থাকিল। পিচত তেওঁ পাটবাউসীলৈ গৈ দামোদৰদেৱত শৰণ ভজন লয়। ইয়াতে দামোদৰৰ এজন প্ৰিয় শিষ্য সন্তভূষণৰ লগত তেওঁৰ মিত্ৰতা জন্মে। এইদৰে দামোদৰৰ লগত কিছুকাল থকাৰ পাচত তেওঁ পুনৰ মাধৱদেৱৰ কাষ পায়হি।

এইদৰে পাটবাউসী, সুন্দৰীদিয়াত প্ৰায় সাত বছৰ কাল থাকি মাধৱদেৱ আৰু দামোদৰদেৱ দুয়োৰে আজ্ঞা অনুসৰি বংশীগোপালে উজনিলৈ আহি ধৰ্ম প্ৰচাৰ কৰে। তেওঁৰ উজনি যাত্ৰাৰ সংগী আছিল আধলীয়া যদুমণি।

---

৬) তীৰ্থনাথ শৰ্মা ঃ আউনীআটী সত্ৰৰ বুৰঞ্জী; পৃঃ ৬৫

৭) নেওগ, মহেশ্বৰ (সম্পা) ঃ পূৰ্বোল্লেখিত গ্ৰন্থ; পৃঃ ৯ পদ ৪৪, ৪৫

বংশীগোপালে উত্তৰ লক্ষ্মীমপুৰৰ কাঁহিকুছি, কলাৰাৰী, ডেবেৰাপাৰ আৰু শেষত কুৰুৱাহীত সত্ৰ পাতি থাকিবলৈ ল'লে। আহোম ৰজা বুঢ়া ৰাজা বা প্ৰতাপ সিংহই (১৫৩৩-৭১) কুৰুৱাবাহীত তেওঁক সত্ৰ পাতি দিছিল বুলি পোৱা যায়।[৮]

গোপালদেৱৰ কুৰুৱাবাহী সত্ৰৰ পৰাই কালক্ৰমত আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী- উজনিৰ এই প্ৰসিদ্ধ চাৰি সত্ৰৰ উদ্ভৱ হোৱাৰ উপৰিও মুৰাৰি, মধুমিশ্ৰ, হৰিমিশ্ৰ, ধাপকটা, ঔবা, বড়ক'লা, কামদেৱাল, জখলাবন্ধা, শ্ৰৱণী, ধাপলিয়াল প্ৰভৃতি বহুত সত্ৰ স্থাপিত হৈছে। এই আটাইবিলাক ব্ৰহ্ম সংহতিৰ সত্ৰ।

**গোপাল আতা ঃ** 'কাল সংহতি' নামৰ শাখাটোৰ প্ৰৱৰ্তক গোপাল আতা অসমৰ নৱ-বৈষ্ণৱ আচাৰ্য সকলৰ মাজত অন্যতম। গোপালৰ পিতৃ নাম কামেশ্বৰ আৰু মাকৰ নাম বজ্ৰাঙ্গী। কামেশ্বৰে নাজিৰাৰ খোখোৱা নামৰ এখন গাঁৱৰ কাষৰ নাচনী ঘাটত বাস কৰিছিল। গোপাল আতাৰ উপৰি পুৰুষ সম্পৰ্কে মতভেদ আছে।

গোপাল আতাই শংকৰদেৱক পাটবাউসীত লগ পায় আৰু তেওঁৰ মন ভক্তি ধৰ্ম্মৰ ফালে ঢাল খালে। তাৰ পাছত মাধৱদেৱত তেওঁ শৰণ ললে আৰু সুন্দৰী দিয়াত বহা পাতিলে। গোপাল আতাই কোৱা কথাবোৰ গুৰুজনৰ মনৰ সৈতে মিলি যায় দেখি মাধৱদেৱে তেওঁৰ নাম 'কথাৰ-সাগৰ' দিলে।[৯] সুন্দৰীদিয়াত বহু দিন থকাৰ পিচত মাধৱদেৱৰ আজ্ঞা লৈ ভৱানীপুৰত সত্ৰ পাতে। মাধৱদেৱৰ মৃত্যু পৰ্যন্ত তেওঁ তাত আছিল। সেয়ে তেওঁক 'ভৱানী-পুৰীয়া আতা' নামেৰে জনা যায়।

মাধৱদেৱৰ মৃত্যুৰ পিচত গোপাল আতাই পোৱোলা বা পল্লা নৈৰ পাৰৰ কালজাৰত সত্ৰ পাতি থাকিবলৈ লয়। নৱ-বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰাৰ্থে তেওঁ অসমৰ বিভিন্ন ঠাইলৈ

---

৮) নেওগ, মহেশ্বৰ ঃ শ্ৰী শ্ৰী শংকৰদেৱ; পৃঃ ২০৮

৯) বেজবৰুৱা, লক্ষ্মীনাথ ঃ শ্ৰী শ্ৰী শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱ; পৃঃ ১৪৪-১৪৫

(ছজন ব্ৰাহ্মণ আৰু ছজন অব্ৰাহ্মণ শিষ্য প্ৰেৰণ কৰিছিল।) তেওঁলোক আৰু তেওঁলোকে স্থাপন কৰা সত্ৰসমূহ হ'ল ঃ[১০]

ৰামচৰণ (খৌৰামোচৰ, উত্তৰ লক্ষীমপুৰ)
শ্ৰীৰাম (আঁহতগুৰি, মাজুলি)
বৰ যদুমণি (বাঁহবাৰী, শিৱসাগৰ)
সৰু যদুমণি (গজলা বা সৌকাজান, মাজুলী)
পুৰুষোত্তম (কাঠপাৰ, উত্তৰ লক্ষীমপুৰ)
সনাতন (নগৰীয়া, শিৱসাগৰ)
মুৰাৰি (চৰাইবাহী, শিৱসাগৰ)
অনিৰুদ্ধ (মায়ামৰা, উত্তৰ লক্ষীমপুৰ)
নাৰায়ণ (দহঘৰীয়া বা হালধি আটী, শিৱসাগৰ)
পৰমানন্দ (হাবুং, উত্তৰ লক্ষীমপুৰ)
ৰামচৰণ (ইকৰাজন, শিৱসাগৰ)
পূৰ্ণানন্দ (উজনীয়া, কোনোৱে কয় দলৈ পো, উত্তৰ লক্ষীমপুৰ)[১১] এইসকলৰ ভিতৰত উজনি অসমত অনিৰুদ্ধদেৱ, বৰযদুমণিদেৱ, সৰু যদুমণিদেৱ আৰু শ্ৰীৰামদেৱ আতা আৰু তেওঁলোকৰ আজ্ঞাপৰ সত্ৰই বিয়পি আছে।

কিন্তু নগৰীয়া, ইকৰাজান, হালধিআটী, চৰাইবাহী আদি সত্ৰ বৰ্তমান শিৱসাগৰ জিলাত নাই।

**বদুলা আতা আৰু কেশৱচৰণ ঃ** বদুলা আতাৰ জন্ম হৈছিল লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলত। তেওঁৰ পিতৃৰ নাম তিতা চোমদাৰ আৰু মাতৃৰ নাম সত্যা। বদুলা আতাৰ প্ৰকৃত

---

১০) পূৰ্বোল্লিখিত গ্ৰন্থ; পৃঃ ২২৫

১১) বৰ্মন, শিৱনাথ ঃ শংকৰদেৱ আৰু তেৰাৰ উত্তৰসুৰীসকল; পৃঃ ৬৬

নাম পদ্ম। পদ্ম আতাই জয় ভাৰতী নামৰ এজন লোকৰ লগত থাকি শাস্ত্ৰ অধ্যয়ন কৰিছিল আৰু ভক্তি ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল।[১২] পিচত জয় ভাৰতীৰ ঘৰৰ পৰা ওলাই তেওঁ হৰি নামে এজন ব্ৰাহ্মণৰ পুখুৰী পাৰত বহা সাজি নাম-গুণ গাই আছিল। তাৰ পিচত তেওঁ কলানিভেটি নামে ওচৰৰে এখন ঠাইলৈ উঠি যায়। এই হৰিপুৰত থাকোঁতে পদ্ম আতাই মাধৱদেৱৰ 'ভক্তি ৰত্নাৱলী' শাস্ত্ৰখন এজনৰ পৰা আনি হৰি পুখুৰী পাৰত তাৰ প্ৰতিলিপি কৰি আছিল। ইয়াতে তেওঁৰ লগ লাগে উজনিত নৱ-বৈষ্ণৱ ধৰ্মৰ আন এজন প্ৰচাৰক কেশৱচৰণ। অসমৰ নৱ বৈষ্ণৱ ধৰ্মৰ আদি বুৰঞ্জীত কেশৱচৰণ আতাৰ নাম আছে। কেশৱচৰণৰ জন্ম হৈছিল ব্ৰহ্মপুত্ৰৰ উত্তৰে কাচিকটা নৈৰ পাৰৰ ভাটৌকুছী গাঁৱত। তেওঁৰ পিতৃৰ নাম টেপাই; কুল-কায়স্থ।[১৩] আহোমৰ দিনত আছে - টেপু খাঁৰ পুতেক দীৰ্ঘকাস্থা খাঁ; তেওঁৰ পুতেক কেঁৰাই খাঁ, কেঁৰাই খাঁই শংকৰদেৱত শৰণ ল'লে আৰু শংকৰদেৱে তেওঁৰ নাম দিলে কেশৱ। শংকৰদেৱৰ মৃত্যুৰ পাচত মাধৱদেৱৰ পৰা তেওঁ মালামন্ত্ৰ গ্ৰহণ কৰিলে আৰু ভাটৌকুচী নামে ঠাইত সত্ৰ পাতে। কুঁচী মানে গাঁও; সেই কাৰণে সত্ৰৰ নাম ভাটৌকুঁচী হ'ল।[১৪]

আন এটা তথ্যৰ মতে দক্ষিণ কামৰূপৰ বৰবিষ্ণু আতাই কেশৱচৰণক সুন্দৰী দিয়ালৈ লৈ যায় আৰু মাধৱদেৱৰ ওচৰত শৰণ দিয়ায়।[১৫] মাধৱদেৱে 'অচম' ৰাজ্যৰ বুজ ল'বৰ নিমিত্তে কেশৱচৰণক দেবেৰা পাৰত থকা বংশীগোপালৰ ওচৰলৈ পঠায়।[১৬] কিন্তু বংশীগোপালে সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিলৈ চাই মাধৱদেৱ উজনিলৈ অহা কথাটোত উৎসাহ নেদেখুৱালে। তেতিয়া কেশৱচৰণে ফুৰি আহোঁগৈ বুলি হৰিপুখুৰী পাৰত থকা পদ্ম আতাৰ কাষ পালেগৈ। মহেশ্বৰ নেওগৰ 'শ্ৰী শ্ৰী শংকৰদেৱ' গ্ৰন্থৰ মতে পদ্ম আতাই

---

১২) বেজবৰুৱা, লক্ষ্মীনাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃ ১৯৫

১৩) বেজবৰুৱা, লক্ষ্মীনাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃঃ ১৬৪

১৪) বৰবৰুৱা, হিতেশ্বৰ ঃ আহোমৰ দিন; পৃঃ ৫১৪

১৫) বেজবৰুৱা, লক্ষ্মীনাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃঃ ১৬৫

১৬) উল্লেখিত গ্ৰন্থ; পৃ. ১৭৩

কেশৱচৰণৰ মুখত মাধৱদেৱৰ গুণ গৰিমা শুনি মুগ্ধ হ'ল। মাধৱদেৱক দৰ্শন কৰিবলৈ কেশৱচৰণ আৰু আন দুজনমান সঙ্গীৰে সৈতে বৰপেটালৈ যাত্ৰা কৰিলে। বাটতে মালচাত সোমায় বৰবিষ্ণু আতাক দেখা কৰি যায়। মাধৱদেৱে ইতিমধ্যে উজনিলৈ যোৱাৰ আশা বাদ দি কোচবেহাৰ পাইছিলগৈ। পদ্ম আতা, কেশৱচৰণ আৰু বাকী সকলো কোচবেহাৰ পালেগৈ। মাধৱদেৱে পদ্ম আতাৰ দেউতাক তিতা বা চম্পা চোমদাৰক ল'ৰালি কালতে নাৰায়ণপুৰত লগ পাইছিল। এতিয়া তেওঁৰ পুত্ৰৰ ধাৰ্মিক প্ৰবৃত্তি দেখি আনন্দিত হ'ল আৰু নিজৰ 'নাম-মালিকা' শাস্ত্ৰখনি পদ্ম আতাক দি তেওঁৰ নিজৰ শিষ্য কৰিলে আৰু নিজৰ গাৰ বদলে তেওঁক উজনিত ধৰ্ম প্ৰচাৰিবলৈ আজ্ঞা দিলে। সেই বাবে তেওঁৰ আন এটি নাম বদুলা আতা।[১৭] গুৰুৰ আজ্ঞা শিৰত লৈ পদ্ম আতা এমাহৰ ভিতৰতে বেহাৰৰ পৰা উভতি আহিল। আহোঁতে বৰবিষ্ণু আতাক আকৌ এবাৰ দেখা দি তেওঁ নিজ ঠাই কলানি ভেটিলৈ গ'ল আৰু ধৰ্ম প্ৰচাৰিবলৈ ধৰিলে। কলানিভেটিৰ পাচত পচতিয়াভেটি, বদুলা, শলখ, মুদৈভেটি আদি নানা ঠাইত সত্ৰ পাতে যদিও কোনো ঠায়েই তেওঁৰ মনঃপুত হোৱা নাছিল। শেষত বেজবৰুৱা বংশৰ উপৰিপুৰুষ পুৰুষোত্তম বৰুৱাই তেওঁৰ কমলাটেঙাৰ বাৰী এখন (মাজুলী) সত্ৰ পাতিবৰ বাবে দান দিয়াত তাতে কমলাবাৰী সত্ৰ স্থাপন কৰে।[১৮]

ভাটৌকুছীয়া কেশৱচৰণে বৰ্তমান নগাওঁ নগৰৰ পৰা দক্ষিণ পাৰে অৱস্থিত 'বৰজহা' সত্ৰ খনি প্ৰতিষ্ঠা কৰিছিল।[১৯]

কমলাবাৰী আৰু বৰজহা এই দুয়োখনেই নিকা সংহতিৰ সত্ৰ। মধুপুৰ, ভেলা, বদলুৱা, শক্ৰাহি আদি কমলাবাৰীৰ পৰা বঢ়া সত্ৰ।

---

১৭) নেওগ, মহেশ্বৰ ঃ শ্ৰী শ্ৰী শংকৰদেৱ; পৃঃ ২০১

১৮) বেজবৰুৱা, লক্ষ্মীনাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃঃ ২১৩

১৯) মহেশ্বৰ নেওগে পৱিত্ৰ অসমত (পৃ. ৩৫) 'বৰজহা' বুলি কৈছে; কিন্তু 'আহোমৰ দিন'ত ভাটৌকুছি সত্ৰ বুলিহে আছে।

**যদুমণিদেৱ ঃ** অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ আদি বুৰঞ্জীত তিনিজনা যদুমণিদেৱৰ নাম পোৱা যায় - আধলীয়া যদুমণি, বৰ যদুমণি আৰু সৰু যদুমণি।

ব্ৰাহ্মণ কুলৰ আধলীয়া যদুমণিৰ ঘৰ আছিল উজনিৰ আধলা গাঁৱত। হৰিহৰ আতা, বংশীগোপালদেৱ আদিৰ লগ লাগি তেওঁ কামৰূপলৈ ভটিয়াই আহি সুন্দৰীদিয়াত ৰয়হি। মাধৱদেৱে তেওঁক সুন্দৰী দিয়া সত্ৰৰ পাঠক পাতিছিল।[২০] গুৰুৰ নিৰ্দেশত তেওঁ বংশীগোপালৰ সৈতে পুনৰ ধৰ্ম প্ৰচাৰ কৰিবলৈ যোৱা কথা 'গুৰু চৰিত' কথাত এইদৰে পোৱা যায়—[২১]

পাচে গুৰুজনে গোপাল যদুমনি দুইকো বোলে
অসম ৰাজ্য খনত ঃ গুৰুজন ভটিয়াতে
ধৰ্ম্মবস্তু লোপ হৈ আছে ঃ মোৰ পৰম গুৰু
শ্ৰী শংকৰদেউ কৈ গৈছে ঃ ধুৱাহটা বেলগাছে
মদন গোপাল মূৰ্ত্তি আছে ঃ লৈ দুও বিপ্ৰে
গুৰু ধৰ্ম্ম প্ৰচাৰ কৰাগৈ ঃ কিবা জীৱ লাগি
সাৰেই ঃ এই ৰূপে আজ্ঞা কৈ ওজাই পঠালে। ৪৮৭

মাধৱদেৱৰ সত্ৰত মাধৱদেৱৰ আদেশত গোপাল আৰু যদুমণিৰ অসম যাত্ৰাৰ কথা বংশীগোপালদেৱ চৰিত্ৰতো পোৱা যায় - [২২]

মাধৱে বোলন্ত যদুমণি গুৰু যৱা।
কৃষ্ণৰ ভকতি পথ দুয়ো প্ৰৱৰ্ত্তৱা।।

---

২০) বৰ্মন, শিৱনাথ ঃ শংকৰদেৱ আৰু তেৰাৰ উত্তৰসুৰীসকল; পৃঃ ৮৪

২১) নেওগ, মহেশ্বৰ (সম্পা) ঃ গুৰু চৰিত কথা; পদ ৪৮৭

২২) নেওগ, মহেশ্বৰ (সম্পা) ঃ ৰমানন্দ দ্বিজ ৰচিত শ্ৰী শ্ৰী বংশীগোপালদেৱ চৰিত্ৰ; পৃ. ৫১

দুয়োমহা বিশিষ্ট ব্রাহ্মণ ধৰ্ম্মশালী।
থাকিবাহা হৰি ভক্তি পথ প্ৰতিপালি।। ৩৩৭
যদুমণিদেৱ দেৱ গোপাল মহন্ত।
এহিমতে অসম দেশক আসিলন্ত।।২৪৫

মাধৱ গুৰুৰ অনুমোদন ক্ৰমে বংশীগোপালৰ লগত উজনিলৈ ধৰ্ম প্ৰচাৰৰ বাবে আহি কিছুকাল ডেবেৰাপাৰত সত্ৰ পাতি থাকেহি। তাৰ পৰা কিছু ভটিয়াই গৈ, মাহৰা বিলৰ (নাজিৰা) কাষত সত্ৰ পাতেগৈ। সেই কাৰণে সত্ৰৰ নাম মাহৰা হ'ল। যদুমণিদেৱৰ চাৰি পুতেক জগদানন্দ, পৰমানন্দ (বা কমলাকান্ত), পূৰ্ণানন্দ আৰু অচ্যুতানন্দ। প্ৰথম পুত্ৰ জগদানন্দ মাহৰাতে অধিকাৰ হ'ল; দ্বিতীয় পুত্ৰ পৰমানন্দ পটিয়া মানুহ এটাৰ কঠিয়াতলীত ঘৰ সাজি আছিল। পিছত সেই পটিয়াৰ লগত অৰি (বা শত্ৰু) হৈ উঠাত সত্ৰৰ নাম পটিয়াৰী হ'ল। তৃতীয় পুত্ৰ পূৰ্ণানন্দে ঘাৰমৰা সত্ৰ আৰু চতুৰ্থ পুত্ৰ অচুত্যানন্দে ডোখোৰামুখ সত্ৰ স্থাপন কৰে।[২৩]

**পুৰুষোত্তম ঠাকুৰ আৰু বৰবাৰজনীয়া ঃ** পুৰুষোত্তম ঠাকুৰ অসমৰ নৱ বৈষ্ণৱ ধৰ্মৰ পুৰুষ সংহতি পন্থাৰ প্ৰৱৰ্তক। তেওঁ শংকৰদেৱৰ বৰ নাতি আছিল। তেওঁৰ ছবছৰমান বয়সতে শংকৰদেৱৰ মৃত্যু হয়।

পুৰুষোত্তম ঠাকুৰৰ পঁয়ত্ৰিশ বছৰমান বয়সত মাধৱদেৱৰ মৃত্যু হয়। ইয়াৰ পাচত তেওঁ পাটবাউসী এৰি পূব কোচ ৰাজ্যৰ তেতিয়াৰ ৰাজধানী বৰনগৰলৈ উঠি যায়। ইয়াতে কোচ ৰজা পৰীক্ষিতনাৰায়ণে তেওঁৰ ওচৰত সপৰিয়ালে শৰণ লৈছিল বুলি জনা যায়। বৰ নগৰত অলপ দিন থাকি তেওঁ বৰপেটা ওচৰৰ জৰনিয়া বা জনিয়া গাঁৱলৈ যায় আৰু তাত সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰিবলৈ ধৰে।[২৪]

---

২৩) বৰবৰুৱা, হিতেশ্বৰ ঃ আহোমৰ দিন; পৃ. ৫১২

২৪) বৰ্মন, শিৱনাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃঃ ৯৪

পুৰুষোত্তম ঠাকুৰে ছজন ব্ৰাহ্মণ আৰু ছজন অব্ৰাহ্মণ শিষ্যক আচাৰ্য পাতি ধৰ্ম প্ৰচাৰাৰ্থে উজনিলৈ পঠিয়াইছিল। তেওঁলোক ‘বৰ বাৰজনীয়া নামে জনাজাত। এই আচাৰ্যসকল আৰু তেওঁলোকে পতা সত্ৰ বিলাক হ'ল [২৫] -

ব্ৰাহ্মণ ঃ কেশৱচৰণ (কাওচোং সত্ৰ)
গোবিন্দ বা গোপীনাথ (চেকেৰাতলি সত্ৰ)
বাসুদেৱ (চতমিয়াল সত্ৰ)
জয়কানাই (গোমোঠা সত্ৰ)
পৰমানন্দ (ৰতনপুৰ সত্ৰ)
পৰশুৰাম (পুনিয়াৰ ফুলবাৰী সত্ৰ)
অব্ৰাহ্মণ ঃ শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণ (এলেঙি সত্ৰ)
হৰিচৰণ (সাওকুচি সত্ৰ)
কৃষ্ণৰাম (কাঠপাৰ সত্ৰ)
মুৰাৰি (বেঙ্গেনাআটী সত্ৰ)
কৃষ্ণচৰণ (চুপহা সত্ৰ)
কমললোচন (ঠকৰিয়াল সত্ৰ)

এই আটাইবিলাক পুৰুষ সংহতিৰ সত্ৰ।

**চতুৰ্ভুজ ঠাকুৰ আৰু সৰু বাৰজনীয়া ঃ** পুৰুষ সংহতিৰ পন্থৰ আন এজন প্ৰধান আচাৰ্য হৈছে চতুৰ্ভুজ ঠাকুৰ। তেওঁ পুৰুষোত্তম ঠাকুৰৰ খুড়াকৰ পুতেক, ভায়েক আছিল। তেওঁৰ এবছৰীয়াতে মামা ককাক মাধৱদেৱো ঢুকায়। ল'ৰালি কালতে তেওঁৰ দেউতাক হৰিচৰণৰো মৃত্যু হয়। মাক কান্তি আই, বুঢ়িমাক কালিন্দী আই, ককায়েক পুৰুষোত্তম আদিৰ তত্বাৱধানত পাটবাউসী আৰু সুন্দৰীদিয়াত তেওঁৰ ল'ৰাকাল অতিবাহিত হৈছিল। ধৰ্মাদি ক্ষেত্ৰত তেওঁৰ

---

২৫) লক্ষ্মীনাথ বেজবৰুৱা ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃঃ ২১৫

প্ৰধান পথ প্ৰদৰ্শক আছিল ককায়েক পুৰুষোত্তম ঠাকুৰ।

ডেকা বয়সত চতুৰ্ভুজে সুন্দৰীদিয়াৰ পৰা 'ঘৰসিয়া' নামে এডোখৰ ঠাইলৈ উঠি যায় আৰু তাত ঘিলাজাৰি সত্ৰ পাতে। তেওঁ তাত থকা সময়তে পুৰুষোত্তম ঠাকুৰৰ মৃত্যু হয়। মৃত্যুৰ আগে আগে তেওঁ ভায়েকক ধৰ্মাচাৰ্য পাতি থৈ যায়।

ঘিলাজাৰিৰ পিচত তেওঁ গোৱালপাৰাৰ ফালে 'তামৰাঙা' বিলৰ পাৰত বিষ্ণুপুৰ সত্ৰ স্থাপন কৰে আৰু ধৰ্ম প্ৰচাৰিবলৈ ধৰে।[২৬]

পুৰুষোত্তম ঠাকুৰৰ দৰে চতুৰ্ভুজ ঠাকুৰেও বাৰজন লোকক আচাৰ্য পাতি ধৰ্ম প্ৰচাৰাৰ্থে উজনিলৈ পঠিয়াই দিলে। তেওঁলোক সৰু বাৰজনীয়া নামে জনাজাত।[২৭]

১) কামদেৱ (বনগাওঁ সত্ৰ)
২) জয়কৃষ্ণ (খেৰকটীয়া)
৩) জয়কানাই (গোভিৰ সত্ৰ)
৪) গোপীনাথ (কাৰৈমাৰী)
৫) মুকুন্দ (হালধিআটী)
৬) ৰত্নাকৰ (শলগুৰি)
৭) গোবিন্দ (কায়স্থ) (বিহামপুৰ সত্ৰ)
৮) ৰামভদ্ৰ (ব্ৰাহ্মণ) নাচনি পাৰ
৯) বিষ্ণুদেৱ (ব্ৰাহ্মণ) (ভন্দুলাই সত্ৰ)
১০) কানাই (ব্ৰাহ্মণ) (চুঙাপাৰ)
১১) কানু (উজনীয়া)
১২) সনাতন (বেলশিৰীয়া)

---

২৬) বৰ্মন, শিৱনাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃঃ ৯৬

২৭) বেজবৰুৱা, লক্ষ্মীনাথ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃঃ ২১৫

উল্লেখযোগ্য যে কেশৱানন্দ দেৱ গোস্বামীৰ সত্ৰ সংস্কৃতিৰ ৰূপৰেখাত কামদেৱৰ ঠাইত ৰামদেৱ আৰু জয়কৃষ্ণৰ খেৰকটীয়াৰ ঠাইত ঘৰকটীয়া আছে।[২৮]

**আই কনকলতাৰ সৰু বাৰজনীয়া ঃ** চতুৰ্ভুজ ঠাকুৰৰ পত্নী আছিল তিনিগৰাকী কনকলতা বা লক্ষ্মী আই, দেৱহুতি বা ৰেৱতী আৰু মুকুন্দপ্ৰিয়া। কনকলতাৰ ফালৰ পৰা সুভদ্ৰা আৰু ভৱপ্ৰিয়া নামৰ কন্যাৰ আৰু দেৱহুতিৰ ফালৰ সুমিত্ৰা নামৰ এক কন্যাৰ তেওঁ পিতৃ হৈছিল। মুকুন্দ প্ৰিয়াৰ গৰ্ভত দৈৱকীনন্দন নামৰ এক পুত্ৰ উপজিছিল; কিন্তু তেওঁ সৰুতে ঢুকায়। পুত্ৰ সন্তান নোহোৱা হ'লত তেওঁ দামোদৰ নামৰ এজন ভাগিনীয়েকক পুত্ৰৰূপে তুলি লৈছিল।

ঠাকুৰে মৃত্যুৰ আগে আগে দামোদৰক তেওঁৰ উত্তৰাধিকাৰ পাতি থৈ যায়। কিন্তু চলিত মত অনুসৰি তেওঁ ধৰ্মবস্তু দিছিল বৰজনা ঘৈণী কনকলতা বা লক্ষ্মী আইক।

স্বামী চতুৰ্ভুজ আৰু বৰজনাক পুৰুষোত্তম ঠাকুৰৰ অনুকৰণত শংকৰদেৱৰ এই নাতি বোৱাৰীয়েক গৰাকীয়েও ধৰ্ম প্ৰচাৰাৰ্থে বাৰজন আচাৰ্য দামোদৰদেৱৰ দ্বাৰা নিয়োগ কৰিছিল। এই সকলক 'আতা দামোদৰে পতা' বা 'কনকা বাৰজনীয়া' বুলি কোৱা হয়। [২৯]

১/ হৰিচৰণ - পটিয়ৰী

২/ গোপীনাথ - নলতলী

৩/ জয়হৰি দ্বিজ - ধনীগ্ৰাম

৪/ ৰঘুপতি দ্বিজ - কন্টৰী

৫/ শ্ৰীৰাম - পাটকটীয়া

৫/ আত্মাৰাম - বৰালি মৰা

৬/ মানপুৰ - অভয়াপুৰীয়া

৭/ মোহন - ধোন্দল

---

২৮) গোস্বামী, কেশৱানন্দ দেৱ ঃ সত্ৰ সংস্কৃতিৰ ৰূপৰেখা; পৃঃ ৭

২৯) উল্লিখিত গ্ৰন্থ; পৃঃ ৭-৮

৮/ অনন্ত বা হৃদয়ানন্দ - কালশিলা

৯/ শংখনাথ - ককিলা গঞা

১০/ পৰমানন্দ - কোঠৰ গঞা সত্ৰ

উল্লেখযোগ্য যে পুৰুষ সংহতিৰ তিনিওটা শাখাৰ সত্ৰ আৰু প্ৰতিষ্ঠাপকৰ নামৰ খেলিমেলি দেখিবলৈ পোৱা যায়। আদি কালৰে পৰা এই তিনিটা শাখাৰ বিশেষ পাৰ্থক্য নথকাৰ বাবেই এনে হোৱা সম্ভৱ বুলি কোনোৱে কয়। [৩০]

এইদৰেই শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু হৰিদেৱৰ সৃষ্টি সত্ৰানুষ্ঠানে তেওঁলোকৰ আজ্ঞাপৰ ধৰ্মাচাৰ্যসকলৰ দিনত ব্ৰহ্ম, পুৰুষ, কাল আৰু নিকা সংহতিত বিভক্ত হৈ সমগ্ৰ উজনিৰ লগতে শিৱসাগৰ জিলাতো স্থিতি আৰু বিস্তৃতি লাভ কৰিলে। বৰ্তমান শিৱসাগৰ জিলাত সত্তৰ খনৰো অধিক সত্ৰ আছে। গুৰু, দেৱ, নাম আৰু ভকত এই চাৰিটি তত্বৰ কোনো এটিক অধিক গুৰুত্ব প্ৰদান কৰি এই সত্ৰসমূহে মহা পুৰুষীয়া ধৰ্ম আৰু সংস্কৃতি প্ৰচাৰ কৰি আহিছে।

৩০) নেওগ, মহেশ্বৰ ঃ পৱিত্ৰ অসম; পৃঃ ৩৯

# তৃতীয় অধ্যায়

# তৃতীয় অধ্যায়

## শিৱসাগৰ জিলাৰ সত্ৰ আৰু সত্ৰত উদযাপিত উৎসৱ-অনুষ্ঠানৰ বিৱৰণ

শিৱসাগৰ জিলাত বৰ্তমান সত্তৰ খনৰো অধিক সত্ৰানুষ্ঠান আছে।[১] এই সত্ৰানুষ্ঠান সমূহত অতীতৰে পৰা বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন উৎসৱ-অনুষ্ঠান সমূহ পালন কৰি অহা হৈছে। এই সত্ৰানুষ্ঠান সমূহৰ বিভিন্ন সংহতিৰ ভিতৰত প্ৰাধান্য থকা কেইখনমান সত্ৰৰ চমু পৰিচয় আৰু সত্ৰত উদ্‌যাপিত উৎসৱ অনুষ্ঠানৰ চমু বিৱৰণ দাঙি ধৰিবলৈ যত্ন কৰা হ'ল।

**ব্ৰহ্মসংহতি ঃ** এই সংহতিৰ পাঁচখন সত্ৰ শিৱসাগৰ জিলাত আছে। এই পাঁচ খনৰ ভিতৰত চাৰিখন সত্ৰৰ চমু পৰিচয় দিয়া হ'ল —

**ক) দুৰামাৰি সত্ৰ**[২] ঃ শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ নিৰ্ম্মলীয়া গাঁৱত এই সত্ৰখনি আছে। সত্ৰখনি দামোদৰদেৱৰ আজ্ঞাপৰ মধুৰাম মহন্তই স্থাপন কৰিছিল ১৫১৫ শকত (১৫৯৩ খৃষ্টাব্দত)। পোনতে এই সত্ৰখনি ডুমডুমাৰ পৰা প্ৰায় ১৭ কিঃ মিঃ দূৰৰ দিৰাক নদীৰ সমীপত পতা হৈছিল। সত্ৰখনিৰ নামটোৰ সম্পৰ্কত এইদৰে কাহিনী প্ৰচলিত আছে যে দিৰাক নদীৰ পাৰত বহুতো দুৰাকাছ ওলাইছিল আৰু সেইবিলাক মাৰিৰে টঙনিয়াই মৰা হৈছিল। গতিকে সেই ঠাইত মধুৰামদেৱে সত্ৰ স্থাপন কৰাত 'দুৰামাৰি' নাম ৰাখে। সত্ৰৰ

---

১) শিৱসাগৰ জিলা সত্ৰ মহাসভাৰ সাধাৰণ সম্পাদক ৰঞ্জন মহন্তই দিয়া তালিকাত সত্তৰ খন আছে। যিবিলাক শিৱসাগৰ জিলা সত্ৰ মহাসভাৰ এলেকাধীন। তাৰ বাহিৰেও আৰু কেইখনমান সত্ৰৰ নাম এই গৱেষণা গ্ৰন্থত উল্লেখ কৰা হৈছে।

২) সংবাদদাতা ঃ নাৰায়ণ মহন্ত, দুৰামাৰি সত্ৰ।

বিগ্ৰহ বংশীবদন। প্ৰাচীন সম্পদৰ ভিতৰত এই সত্ৰত একচল্লিশখন সাঁচি পাতৰ পুথি আছে। ইয়াৰ কেইখনমানৰ নাম হ'ল — 'ৰুক্মিনী হৰণ', 'পাৰিজাত হৰণ', 'বলিচলন', 'ভোজন বেহাৰ',' নাম মালিকা' আদি।

দুৰামাৰি সত্ৰৰ শিষ্য আনুমানিক দহ পোন্ধৰ হাজাৰ মান আছে। সেইসকলৰ ভিতৰত ৰাজোৱাৰ, ঘাটোৱাৰ, কোঁচ, আহোম, মেচ আদি সম্প্ৰদায়ৰ লোক আছে। গোলাঘাট, শিৱসাগৰৰ পালেঙী, ডিব্ৰুগড়ৰ বৰবিল, আমগুৰিৰ হালোৱাটিং, চন্টক যোৰহাটৰ টিয়ক, জগদুৱাৰত এই সত্ৰৰ শিষ্য আছে।

**খ) বৈকুণ্ঠপুৰ বটৰ গএগ সত্ৰ ঃ** বৈকুণ্ঠপুৰ বটৰ গএগ সত্ৰৰ ইতিবৃত্তটি 'বটৰগএগ সত্ৰৰ ইতিবৃত্ত আৰু বৰ্তমান পৰিস্থিতি' [৩] শীৰ্ষক ইতিবৃত্ত পুথিত এইদৰে পোৱা যায় — কামৰূপ এৰি মহাপুৰুষ দামোদৰদেৱ কোচবেহাৰলৈ যোৱাত কোচবেহাৰ ৰাজ্যৰ ৰজা লক্ষীনাৰায়ণে মহাপুৰুষ দামোদৰ দেৱক ৰজাৰ ৰাজ কাৰেঙৰ কাষতে বৈকুণ্ঠপুৰ সদৃশ বেহাৰ সত্ৰ পাতি দিছিল। কিছুদিনৰ পাছত ভাগিন বলোদেৱক অধিকাৰ দি দামোদৰদেৱ বৈকুণ্ঠ প্ৰয়াণ হয়। আহোম ৰজাৰ নিমন্ত্ৰণ ক্ৰমে বলোদেৱৰ পুত্ৰ মদনমোহন অসমলৈ আহে আৰু মাজুলীৰ শালমৰা মৌজাৰ বটমাৰি চাপৰিত সত্ৰ পতাত সেই চাপৰিত থকা মৃত প্ৰায় বটগছ জুপি সজীৱ হৈ উঠাত সত্ৰৰ নাম 'বৈকুণ্ঠ পুৰ বটৰ গএগ' হয়। বটৰ গএগ আৰু দক্ষিণ পাট সত্ৰৰ গুৰি একোটা আৰু দুয়োজন মূৰ্ত্তি বিগ্ৰহো দামোদৰদেৱে প্ৰদান কৰা বুলি উক্ত ইতিবৃত্ত পুথিত প্ৰকাশ। ১৫৮৪ শক (১৬৬২) খৃষ্টাব্দত প্ৰতিষ্ঠা হোৱা বৈকুণ্ঠ পুৰ বটৰ গএগ সত্ৰই একাধিকবাৰ বান আৰু ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত আক্ৰান্ত হৈ কালক্ৰমত ১৯৩৯ চনত শিৱসাগৰ জিলাৰ নিতাই পুখুৰীৰ গড়ভগা গাঁৱলৈ স্থানান্তৰিত হৈ আহে। এই সত্ৰতে ৰজা লক্ষ্মীনাৰায়ণ সিংহ আৰু তেওঁৰ বংশৰ সকলো দীক্ষিত হৈছিল বুলি উক্ত পুথিত পোৱা যায়। বৰ্তমান সনত কুমাৰ গোস্বামীয়ে নিৰ্মালি গ্ৰহণ কৰা নাই যদিও সত্ৰৰ যাৱতীয় কাম কাজ তেওঁৱেঁই পৰিচালনা কৰি আছে। সত্ৰৰ মূল বিগ্ৰহ কেশৱৰায় মূৰ্ত্তি। শিষ্য সংখ্যা

---

৩) গোস্বামী, মহেন্দ্ৰনাথ দেৱ ঃ বটৰগএগ সত্ৰৰ ইতিবৃত্ত আৰু বৰ্তমান পৰিস্থিতি; পৃ. ৪

আনুমানিক দহহেজাৰ। চাহ মজদুৰ সম্প্ৰদায়েও তেওঁলোকৰ শিষ্যত্ব গ্ৰহণ কৰিছে। প্ৰাচীন সম্পদৰ ভিতৰত সাঁচিপাতৰ পুথি, ‘ কীৰ্ত্তন,’ ‘দশম’,‘ভাগৱত’ আছে। বাদ্য - ডবা, খোল, তাল আদি আছে।[৪]

**বিজয় মাহৰা সত্ৰ**[৫] ঃ এই সত্ৰখনি শিৱসাগৰ জিলাৰ চাৰিঙৰ হাফলুটিং ডাকঘৰৰ অন্তৰ্গত ম'হছাল গাঁৱত অৱস্থিত। সত্ৰৰ প্ৰথম অধিকাৰ বিজয় গোস্বামীদেৱ। ১৬৪২ শক ১৭২০ খৃষ্টাব্দৰ মাঘ মাহৰ শুক্লা ত্ৰয়োদশী তিথিত আহোম ৰাণী ফুলেশ্বৰীয়ে পাতি দিছিল বুলি সত্ৰৰ সূত্ৰে প্ৰকাশ। বিজয় গোস্বামীদেৱৰ নামেৰে এই সত্ৰৰ নাম বিজয় হৈছে। এই সত্ৰৰ লগত মাহাৰা, আধাৰ, ঘাৰমৰা আৰু পটিয়ৰি সত্ৰৰ যোগসূত্ৰ আছে। বিজয় মাহৰা সত্ৰৰ বিগ্ৰহ পিতলৰ বাসুদেউ মূৰ্ত্তি। প্ৰাচীন সম্পদৰ ভিতৰত ৰজাদিনীয়া আসন, বিগ্ৰহ, ডবা, কাঁহ, শংখ, চোঁৰৰ আদি সত্ৰত সংৰক্ষিত হৈ আছে। এই সত্ৰৰ মিচিং, দেউৰী, বনুৱা, নগা আদি শিষ্য আছে। শিষ্য সংখ্যা দহ হাজাৰৰ ওপৰত। এই সত্ৰৰ শাখা মাৰ্ঘেৰিটা আৰু দুলিয়াজানত আছে। এই সত্ৰৰে পঞ্চদশ অধিকাৰ চন্দ্ৰকান্ত গোস্বামীৰ নাতি বৰ্তমান মাজুলীৰ আউনী আটী সত্ৰৰ অধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামী। বৰ্তমান এই সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণকান্তদেৱ গোস্বামী

**ঘ) বৰমাহাৰা সত্ৰ**[৬] ঃ শিৱসাগৰ জিলাৰ গৌৰী সাগৰৰ পৰা প্ৰায় তিনি কিঃ মিঃ পশ্চিমে নকটানি গাঁৱত বৰমাহাৰা শাখা সত্ৰখনি অৱস্থিত। মূল বৰমাহৰা সত্ৰখন লক্ষীমপুৰ জিলাৰ উত্তৰ লক্ষীমপুৰ নগৰত আছে। শিৱসাগৰ জিলাৰ বৰমাহৰা সত্ৰৰ প্ৰতিষ্ঠাপক কৃষ্ণদেৱ গোস্বামী।

---

৪) সংবাদদাতা ঃ সনত কুমাৰ গোস্বামী, বটৰগঞা সত্ৰ।

৫) ভট্টাচাৰ্য্য, শিৰীষ কুমাৰ ঃ অসমৰ সত্ৰ পৰিচয়; পৃ. ১৬৪

৬) ভট্টাচাৰ্য, শিৰীষ কুমাৰ ঃ পূৰ্বোল্লিখিত গ্ৰন্থ; পৃ. ১৯২

**পুৰুষ সংহতি ঃ** এই সংহতিৰ সত্ৰ শিৱসাগৰ জিলাত চল্লিশখন আছে।[৭] ইয়াৰে ভিতৰত কেইখনমান উল্লেখযোগ্য সত্ৰ হৈছে —

**ক) কাৰৈমাৰি সত্ৰ**[৮] ঃ শংকৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰদেৱৰ আজ্ঞাত গোপীনাথদেৱে কাৰৈমাৰি সত্ৰখনি প্ৰতিষ্ঠা কৰিছিল। বিভিন্ন সময়ত মানৰ আক্ৰমণ, প্ৰাকৃতিক দুৰ্যোগ আদি নানা কাৰণত সত্ৰখনি লক্ষীমপুৰ জিলাৰ কৈ মাৰি বিলৰ পাৰত, নামৰূপত, শিৱসাগৰৰ ভাজনী গাঁৱত কান-কাটি বিলৰ পাৰত অস্থায়ীভাৱে সত্ৰ খনি পাতি আছিল। শেষত নিগাজীকৈ শিৱসাগৰ জিলা আৰু মহকুমাৰ ধিতাই পুখুৰী অঞ্চলৰ বাকচু কোঁচ গাঁৱত সত্ৰখনি পাতে। বৰ্তমান থকা ঠাইলৈ অহা ৩০০ বছৰ হ'ল বুলি সত্ৰৰ ভকত সকলে কয়।

সত্ৰৰ প্ৰাচীন সম্পদৰ ভিতৰত ভালে সংখ্যক সাঁচি পাতৰ পুথি, চিত্ৰযুক্ত 'কীৰ্ত্তন', 'দশম' আদি আৰু বহুতো অংকীয়া নাট সংৰক্ষিত আছে। এই সত্ৰত দুজনা গুৰুৱে লিখা নাটৰ বাহিৰেও প্ৰয়াত সত্ৰাধিকাৰ তথা সত্ৰীয়া গুৰুসকলে লিখা প্ৰায় ১৭৩ খন নাট ভাওনা পতা হৈছিল। ভোৰতাল, খুটিতাল, পাতিতাল, সৰুতাল, মঞ্জিৰা তাল, খোল, ঢাক, নেগেৰা, ডবা শংখ (গো-মুখ, পাঞ্চজন্য আদি) বেৰাকাঁহী, বৰকাঁহ, কাঠৰ আৰু পিতলৰ শৰাই, তামুলী পীৰা, সোণ, ৰূপৰ ফুল, হাতে মুখে বাগৰি অহা গায়ন-বায়নৰ স্বৰলিপি আৰু ধৰ্মীয় টোকাসমূহ আদি সত্ৰৰ সংৰক্ষিত বস্তু। এই সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ ৰবীন্দ্ৰ নাথ মহন্ত।

**খ) কোৱামৰা সত্ৰ**[৯] ঃ কনকলতা আইৰ আজ্ঞাপৰ অনন্ত ৰামদেৱক এই সত্ৰখনি ১৫৭৬ শক (১৬৫৪) খৃষ্টাব্দত ৰাজমাওৰ নিৰ্দেশমতে চক্ৰধ্বজ সিংহই প্ৰতিষ্ঠা কৰি দিয়ে বুলি 'কোৱামৰা সত্ৰৰ চমু ইতিবৃত্ত'ত পোৱা যায়। ব্ৰহ্মপুত্ৰ নদীৰ ডিবুৰুৰ লৰুৱা সুতিৰে গৈ পোৱা ৰাজমাওৰ নিজা কোৱামৰা বাৰীতে অনন্তদেৱক সত্ৰ স্থাপন কৰি দিয়াৰ বাবে সত্ৰৰ

৭) ঢাপলিয়াল সত্ৰ খনি পুৰুষ সংহতি আৰু ব্ৰহ্ম সংহতি দুয়োটা সংহতিতে অন্তৰ্ভুক্ত হৈ আছে, শিৰীষ কুমাৰ ভট্টাচাৰ্য্যৰ 'অসমৰ সত্ৰ পৰিচয়'ত।

৮) সংবাদদাতা ঃ প্ৰবীন মহন্ত, কাৰৈমাৰী সত্ৰ।

৯) মহন্ত, যোগেন্দ্ৰ নাথ ঃ কোৱামৰা সত্ৰৰ চমু ইতিবৃত্ত; পৃ. ৩৩-৩৭

নাম কোৱামৰা হয়। ইয়াৰ পিছত বিভিন্ন সময়ত বিভিন্ন সত্ৰাধিকাৰে ক্ৰমে তেজপুৰৰ চেউনি বৰদোৱা, শদিয়াৰ পাচিঘাটৰ ওচৰৰ দেপী থান, ডিৰু নদীৰ মহমাৰি, ডিমৌ নদীৰ গোধাবিল আদিত সত্ৰ প্ৰতিষ্ঠা কৰি ইয়াণ্ডাবু সন্ধিৰ পাছত শিৱসাগৰ মহকুমাৰ দিখৌ নদীৰ উপনদী নামদাঙৰ পাৰত এই সত্ৰখনি প্ৰতিষ্ঠা কৰে লৱচন্দ্ৰ দেৱে। ১৮৭৬ চনত লৱচন্দ্ৰৰ বৰপুত্ৰ যদুৰায় আতাই নামদাঙৰ পৰা, শিৱসাগৰ নগৰৰ পৰা পাঁচ কিঃ মিঃ দূৰত্বৰ দিচাং নদীৰ পাৰত প্ৰতিষ্ঠা কৰে। বৰ্তমান কোৱামৰা সত্ৰ শিৱসাগৰৰ শুকান পুখুৰী ডাকঘৰৰ অন্তৰ্গত কোৱামৰা সন্দিকৈ গাঁৱত অৱস্থিত।

সত্ৰত গুৰুজনাৰ পদশিলা, পুৰণি সিংহাসন, পিতলৰ খোল আৰু ডবা, তামৰ ডবা, জয়-বিজয় আকৃতিৰ পিতলৰ দুৱাৰ, অনন্ত শয্যা অংকিত পিতলৰ বেৰ, পঞ্চমুখী ঘণ্টা আদি প্ৰাচীন সম্পদ সংৰক্ষিত হৈ আছে। 'আই কনকলতা চৰিত' আৰু 'অনন্ত আতাৰ চৰিত' এই সত্ৰৰ বিশেষ সাঁচি পতীয়া পুথি। 'অনন্তদেৱ চৰিত' খন ইতিমধ্যে ছপা হৈ ওলাইছে। বৰ্তমান কোৱামৰা সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাথ মহন্ত।

**গ) সাউদকুছি সত্ৰ**[১০] ঃ এই সত্ৰ খনি শিৱসাগৰ জিলাৰ কোঁৱৰ পুৰত অৱস্থিত। পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ হৰিচৰণদেৱৰ পৰা বঢ়া সত্ৰ। হৰিচৰণ দেৱৰ মূল সত্ৰ লক্ষীমপুৰ জিলাৰ ডিক্ৰং ডাকঘৰৰ অধীনত সাউদকুছি গাঁৱত অৱস্থিত। কোঁৱৰ পুৰৰ সাউদকুছি সত্ৰৰ প্ৰাচীন সম্পদৰ ভিতৰত ব্ৰঞ্জৰ বিগ্ৰহ বংশীবদন, এশখনমান সাঁচিপাতৰ পুথি,' কীৰ্ত্তন', 'দশম', 'নামঘোষা',' ন-ঘোষা', ডবা, শংখ, তাল, খোল আদি সংৰক্ষিত আছে।

সত্ৰৰ শাখা শিৱসাগৰ মহকুমাৰ বেতবাৰী মৌজাৰ কটকী কোচ গাঁও, ৰাঙলী ৰিৰ্জাভ, যোৰহাটৰ কেন্দুগুৰি, কাকজান আদিত আছে। সত্ৰৰ সত্ৰাধিকাৰ পদটো পুৰুষানুক্ৰমিক হয়।

**ঘ) থুকুবিল সত্ৰ**[১১] ঃ শিৱসাগৰ জিলা আৰু মহকুমাৰ দিখৌৰ দক্ষিণ পাৰে বগীদ'ল ডাকঘৰৰ

---

১০) সংবাদদাতা ঃ প্ৰদীপজ্যোতি মহন্ত, সাউদকুছি সত্ৰ।

১১) ভটাচাৰ্য্য, শিৰীষ কুমাৰ ঃ অসমৰ সত্ৰ পৰিচয়; পৃ. ৭৫

অন্তৰ্গত এই সত্ৰখনি ১৫৩২ শক (১৬১০) খৃষ্টাব্দত মধুকল্য গোত্ৰৰ কাণুআতাৰ দ্বাৰা স্থাপন কৰা। এই সত্ৰৰ শাখা শিৱসাগৰ জিলাৰ সোণাৰীতো আছে। সোণাৰী থুকুবিল সত্ৰখনি ১৯৫৫ চনত প্ৰতিষ্ঠা কৰা।[১২] মূল বিগ্ৰহ বংশীবদন। গুৱাহাটীৰ 'নেচনেল মিউজিয়াম' ত এই সত্ৰৰ সাঁচি পাতৰ পুথি বহুতো জমা দিছে। বৰ্তমান সত্ৰত 'কাণু আতাৰ চৰিত' পুথিখনি সংৰক্ষিত আছে। এই কাণুআতা থুকুবিল, উজনীয়া, নৰাবাৰী এই তিনি সত্ৰৰ আদি প্ৰতিষ্ঠাপক।

**৬) শলগুৰি সত্ৰ**[১৩] ঃ শলগুৰি সত্ৰৰ প্ৰতিষ্ঠাপক অনন্তৰায় আতা আৰু প্ৰথম অধিকাৰ হ'ল কেশৰৰাম আতা। সত্ৰৰ স্থাপন কাল ১৫৮৫ শক (১৬৬৩ খৃষ্টাব্দত।)[১৪] এই সত্ৰ অনন্তদেৰৰ ষষ্ঠ পুৰুষলৈকে মাজুলীত আছিল। ৰামৰায় অধিকাৰৰ দিনত এই সত্ৰখন বৰ্তমান থকা ঠাইলৈ আহে। বৰ্তমান শিৱসাগৰ টাউনৰ পৰা সাত কিলোমিটাৰ দক্ষিণে শলগুৰি গাঁৱত, মোহন হাজৰিকা আলিত এই সত্ৰখনি অৱস্থিত।

প্ৰাচীন সম্পদৰ ভিতৰত সত্ৰত কাঠৰ চতুৰ্ভুজ কৃষ্ণ আৰু পিতলৰ বংশীবদন, লাৰুৱা গোঁসাইৰ মূৰ্ত্তি আছে। সাঁচিপাতৰ পুথি, ভাগৱত, কীৰ্ত্তন, দশম, গুণমালা, অনন্তৰাম চৰিত, গুৰুজনাৰ খৰম, পদশিলা, পিতলৰ দুটা ডবা, কাঁহৰ লোটা আদি সংৰক্ষিত আছে। সত্ৰৰ শিষ্য সংখ্যা লাখৰ ভিতৰত। মিচিং, কছাৰী, চাহজনজাতিৰ শিষ্য আছে।

এই সত্ৰৰ এটা বিশেষত্ব হৈছে এই সত্ৰত এগৰাকী মহিলাই (হেমলতা দেৱ গোস্বামী) ৫২ বছৰ সত্ৰাধিকাৰ পদত কাৰ্যনিৰ্বাহ কৰিছিল। সত্ৰৰ সত্ৰাধিকাৰ পদটো পুত্ৰানুক্ৰমিক। লক্ষ্মীনাথ বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত এই সত্ৰৰ কথা লিখি থৈ গৈছে।[১৫] বৰ্তমান এই সত্ৰৰ সত্ৰাধিকাৰ মাণিকচন্দ্ৰ মহন্ত।

---

১২) সংবাদদাতা ঃ মনিকা গোস্বামী, থুকুবিল সত্ৰ, সোণাৰী।

১৩) সংবাদদাতা ঃ বীণা গোস্বামী, শলগুৰি সত্ৰ।

১৪) শলগুৰি সত্ৰৰ স্থাপন কাল 'অসমৰ সত্ৰ পৰিচয়'ত ৰুদ্ৰসিংহ ৰজাৰ ৰাজত্বকাল (১৬৯৬-১৭১৪) বুলি আছে। কিন্তু শলগুৰি সত্ৰৰ তোৰণত ১৫৮৫ শক লিখা আছে।

১৫) হাজৰিকা, অতুলচন্দ্ৰ (সম্পা) ঃ বেজবৰুৱা গ্ৰন্থাৱলী; পৃ. ৩৭

**চ) বৰখাটপাৰ সত্ৰ**[১৬] ঃ শংকৰ গতিৰ বৰপুত্ৰ বলোৰাম দেৱৰ পুত্ৰ মধুৰামৰ পৰা বৰখাটপাৰ সত্ৰ বঢ়া। বৰ্ত্তমান এই সত্ৰখনি শিৱসাগৰ নগৰৰ কেইমাইলমান পশ্চিমে দিখৌৰ উত্তৰ পাৰে কোঁৱৰ পুৰত অৱস্থিত। মুল বিগ্ৰহ বংশীবদন।

সত্ৰত 'সন্তাৱলী', 'সন্তমালা', 'কীৰ্ত্তন', 'নামঘোষা', 'গুপ্তসাৰ', 'জন্ম ৰহস্য', 'ভক্তিৰত্নাৱলী', আদি সাঁচি পাত আৰু তুলা পাতত লিখা পুথি আছে। তদুপৰি মানৰ আক্ৰমণৰ সময়ত মানে কটা 'দশম' ৰ পুথিখন আছে। সত্ৰৰ শিষ্যৰ সংখ্যা ১৪,০০০। কাৰ্বি, মিচিং, সোণোৱাল কছাৰি আদি জনজাতিৰ শিষ্যৰ সংখ্যা হাজাৰৰ ওপৰত আছে। সত্ৰৰ নৃত্য, গীত, ভাওনা আদি বিভিন্ন স্থানত প্ৰদৰ্শিত হৈছে আৰু দূৰদৰ্শন যোগে সম্প্ৰচাৰিত হৈছে। বৰ্তমান সত্ৰাধিকাৰ শ্ৰীলীলা মহন্ত।

বৰখাটপাৰ সত্ৰই ইতিমধ্যে কৰি অহা সাংস্কৃতিক কাৰ্যৰ এটি খটিয়ান অধিকাৰ শ্ৰীলীলা মহন্তই দিয়া লিখিত তথ্যৰ আধাৰত উল্লেখ কৰা হ'ল —

১) ১৯৭৩ চনৰ ৭ আৰু ১০ অক্টোবৰত দিল্লী আৰু বৃন্দাবনত লীলা মহন্তৰ নেতৃত্বত 'ৰাম-বিজয়' ভাওনা আৰু সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰা হয়।

২) গুৱাহাটী দূৰদৰ্শনৰ যোগেদি 'যাকেৰি নাহিকে উপাম', 'বঢ়াৰ পো মাধৱদেৱ' আদি সংগীতালেখ্য কৰাৰ উপৰিও 'কুমৰ-হৰণ', 'চোৰধৰা' আদি অংকীয়া নাট প্ৰদৰ্শন কৰা হৈছে।

৩) মধুপুৰত ২০০০ চনত সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰা হৈছে।

৪) ২০০১ চনত উৰিষ্যাৰ জগন্নাথ মন্দিৰৰ সন্মুখত আৰু শোভনাথ পথত শ্ৰীমন্ত শংকৰ মন্দিৰত 'ইন্দ্ৰদূম্ন উপাখ্যান' আৰু 'ৰাম-বিজয' ভাওনা এটি ৫৫ জনীয়া শিল্পী দলেৰে প্ৰদৰ্শন কৰা হয়।

৫) ২০০৩ চনত ডিচেম্বৰ মাহত আন্তঃৰাষ্ট্ৰীয় ৰামায়ণী সন্মিলনত — গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত 'সীতা-হৰণ বালি বধ' মুখা অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হয়।

---

১৬) সংবাদদাতা ঃ লীলা মহন্ত, নিৰুপমা মহন্ত, বৰ খাটপাৰ সত্ৰ।

**নিকা সংহতি ঃ** শিৱসাগৰ জিলাত এই সংহতিৰ মাত্ৰ দুখন সত্ৰ আছে —

**ক) জৰাবাৰী সত্ৰ**[১৭] ঃ জৰাবাৰী সত্ৰখনি শিৱসাগৰ মহকুমাৰ জাঁজী আমগুৰিৰ মাজভাগত জৰাবাৰী গাঁৱত। সত্ৰখনৰ স্থাপন কাল ১৪৬৩ শক (১৫৪১) খৃষ্টাব্দ। প্ৰতিষ্ঠাপক নৰহৰিদেউ। সত্ৰখন কোচবিহাৰৰ মধুপুৰ সত্ৰৰ আজ্ঞাপৰ। আৰম্ভণিৰ পৰা সত্ৰখনৰ বহুতো স্থান পৰিৱৰ্তন হ'ল। শিৱসিংহ ৰজাৰ দিনত গোপীনাথ দেৱে টিপামৰ পৰা বৰ্তমান থকা ঠাইত জৰাবাৰী সত্ৰখন প্ৰতিষ্ঠা কৰে বুলি সত্ৰৰ সূত্ৰে প্ৰকাশ। শংকৰ গুৰুৰ জোঁৱায়েকক আহোম ৰজাই কটাৰ পিছত মাধৱে ভটিয়াই ক্ষন্তেক বিশ্ৰাম কৰি জৰা টেঙা খোৱা স্থানতে গোপীনাথ দেৱে সত্ৰ পতাৰ বাবে সত্ৰখনৰ নাম জৰাবাৰী হ'ল। উদাসীন আৰু গৃহস্থী দুয়োটা বৈশিষ্ট্যই সত্ৰত প্ৰচলিত। কিন্তু অধিকাৰ জন উদাসীন। উদাসীন ভকত বিলাকে 'হাটীত' বাস কৰে। টিপামত থাকোতে গোপীনাথ দেৱে মধুপুৰ সত্ৰৰ ধৰ্মাচাৰ্য হৈছিল বাবে সত্ৰখনিত তেতিয়াৰ পৰা বৰ্তমানলৈকে উদাসীন প্ৰথা চলি আহিছে। মহিলাসকলে কীৰ্ত্তনঘৰৰ কাঁথিত বহিহে নাম লয়।

সত্ৰৰ স্থায়ী গোসাঁই পৰিয়ালৰ ভিতৰতে যোগ্যজনক ৰাইজে নিৰ্বাচিত কৰি সত্ৰাধিকাৰ পাতে আৰু তেওঁৱেই অসমৰ ভিন্ন প্ৰান্তত ভক্ত গোটাই উদাস প্ৰথাৰে সত্ৰ পৰিচালনা কৰে। সত্ৰ পৰিচালনাৰ বাবে সাত-মান ভগনীয়াৰ অতিৰিক্তভাৱে 'বুঢ়াভকতৰ' বিষয়বাব আছে। সত্ৰৰ অধিকাৰৰ পাছতেই এই বুঢ়াভকতৰ স্থান। বুঢ়াভকত, নামলগোৱা, পাঠক ভক্তসকলৰ মাজৰ পৰা নিৰ্বাচন কৰি দায়িত্ব অৰ্পণ কৰাৰ লগতে উপাধি প্ৰদান কৰা প্ৰথা আছে। এই সত্ৰৰ প্ৰায় ২০,০০০ শিষ্য শদিয়াৰ পৰা ধুবুৰীলৈ সমগ্ৰ অসমতে বিয়পি আছে।

**প্ৰাচীন সম্পদ ঃ** সত্ৰত 'বদুলা আতাৰ চৰিত', 'কথা গুৰু চৰিত' আৰু গুৰু দুজনাৰ চৰিতৰ উপৰিত্ত বাৰ হাত দীঘল সাঁচি পাতত লিখা বৃহৎ 'অমৰকোষ', 'লঙ্কাকাণ্ড', 'কুলুপিয়া ঘোষা', বাৰচোৱা অংকৰ নাট 'কীৰ্ত্তন', 'দশম', ' ৰত্নাৱলী' আদি বহুতো পুৰণি পুথি সংৰক্ষিত আছে।

---

১৭) সংবাদদাতা ঃ জগন্নাথ মহন্ত, জৰাবাৰী সত্ৰ।

দহ্খনৰো অধিক হাতে লিখা আৰু সত্ৰতে ৰচনা কৰা নাট আছে। মাধৱদেৱৰ পদশিলা, তামৰ বৰঠাল, সোণৰ পানী চৰোৱা শৰাই, ভৃঙ্গাৰ, পদ্মফুলৰ আৰ্হিৰ টেমা বটা, কঠাল কাঠৰ শৰাই, খুটিতাল, বাদুলী চাকি, ডবা, শংখ, শিঙা, গজঘন্টা, ভোৰ-তাল আদি সত্ৰৰ সংৰক্ষিত বস্তু।

**খ) ঔগুৰি খটৰা সত্ৰ**[১৮] ঃ মঙ্গলদৈৰ বিখ্যাত খটৰা সত্ৰৰ পৰা বঢ়া ঔগুৰি খটৰা সত্ৰখনি শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ বাউলী মৈদাম ডাকঘৰৰ অন্তৰ্গত নিৰ্ম্মলীয়া গাঁৱত অৱস্থিত। এই সত্ৰখনিৰ স্থাপন কাল হিচাপে মূল খটৰা সত্ৰৰ স্থাপন কাল ১৫৬৮ খৃষ্টাব্দ ধৰা হয়। মূল খটৰা সত্ৰখনি মঙ্গলদৈ মহকুমাৰ দিপীলা চৌকা ডাকঘৰৰ অন্তৰ্গত খটৰা গাঁৱত আছে। শংকৰদেৱ তিৰোভাৱৰ পাছত মাধৱদেৱৰ সপ্তমজন আচাৰ্য্য লেচাকণীয়া গোবিন্দ আতৈয়ে খটৰা সত্ৰখন স্থাপন কৰিছিল। খট্ সকলক বশ কৰি সত্ৰ প্ৰতিষ্ঠা কৰা কাৰণে সত্ৰৰ নাম খটৰা হয়। উক্ত লেচাকণীয়া গোবিন্দৰ পৰিনাতি ডেকা অধিকাৰ ৰামদেৱ আতাই ধৰ্ম্ম প্ৰচাৰৰ বাবে উজনিলৈ আহি ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াৰ ওচৰৰ জয়পুৰত সত্ৰ পাতেহি। সেই সময়ত নামৰূপত বৈষ্ণৱ গোসাঁই সকলক ধৰি বলি দিয়া হৈছিল (গদাধৰ সিংহৰ দিনত খৃঃ ১৬৮১-১৬৯৫)। কথিত আছে যে ৰামদেৱকো বলি দিবলৈ নি কটোৱালে তিনি ঘাপ মাৰিও কাটিব নোৱাৰিলে। বলীয়া হাতীৰ দ্বাৰা গছকাওঁতেও হাতীয়ে নগছকিল। এনে বিলাক মহিমা শুনি আহোম ৰজা লক্ষীসিংহ খৃঃ (১৭৬৯-১৭৮০) এশ পুৰা মাটি, নানা সম্পত্তি আৰু ১২ টা খেল দি ১৬৯৩ শক (১৭৭১) খৃষ্টাব্দত জয় পুৰত সত্ৰ নিৰ্ম্মাণ কৰি দিয়ে। তেতিয়াৰ পৰা ৰজাই পাতি দিয়া এই সত্ৰৰ নাম ঔগুৰি সত্ৰ হয়। ৰামদেৱক বলি দিব খোজা স্থানক ‘বলিমৰা থান’ বোলে। ইয়াৰ পাছত সত্ৰখন যথাক্ৰমে সোণাৰীৰ কাণুবাৰী, খনামুখ, চেলেঙ হালোৱা পথাৰ আদি ঠাইত বাগৰি ফুৰাৰ পাছত নাজিৰাৰ বৰ্তমানৰ ঠাইলৈ আহে।

প্ৰাচীন সম্পদৰ ভিতৰত সত্ৰৰ বংশীবদন মূৰ্ত্তি, চতুৰ্ভুজ মূৰ্ত্তি, পিতলৰ ডবা দুটা, নেগেৰা এজোৰ, বৰকাঁহ চাৰিখন, পিতলৰ পেৰা দুটা, গজঘন্টা এটা সংৰক্ষিত আছে।

---

১৮) সংবাদদাতা ঃ দুৰ্বাকান্তদেৱ গোস্বামী, ঔগুৰি খটৰা সত্ৰ।

তদুপৰি মাধৱদেৱৰ হস্তাক্ষৰ সম্বলিত 'ভক্তি ৰত্নাৱলী' পুথিখন সত্ৰত আছে। ইয়াত থকা ১০.৫ কেজি ওজনৰ বৰকাঁহখন সম্ভৱ অসমৰ ভিতৰতে ডাঙৰ হ'ব। ৰামদেৱক বলি দিব খোজা দাখন ৰজাই পাছত ৰামদেৱক দি দিয়ে। সেই দাখনো সত্ৰত আছে।

সত্ৰৰ শিষ্য দহ হাজাৰৰো ওপৰত আছে। আহোম, কোঁচ, কছাৰী, কৈৱৰ্ত্ত সম্প্ৰদায়ৰ শিষ্য আছে। এই সত্ৰৰ শাখা যোৰহাট নগৰ আৰু গোলাঘাটৰ ফৰকাটিঙত আছে। বৰ্তমান সত্ৰাধিকাৰ শ্ৰী দুৰ্বাকান্তদেৱ গোস্বামী।

**কালসংহতি ঃ** এই সংহতি সত্ৰ শিৱসাগৰ জিলাত আঠাইশখন আছে।

**মৈৰামৰা সত্ৰ** [১৯] ঃ শিৱসাগৰ জিলা আৰু মহকুমাৰ নগাগাওঁ ডাকঘৰৰ অন্তৰ্গত এই সত্ৰখনি বৰ যদুমণিদেৱৰ আজ্ঞাপৰ ৰামানন্দদেৱে ১৬৩৬ শক (১৭১৪) খৃষ্টাব্দত স্থাপন কৰা। এই সত্ৰ প্ৰথমে ডিব্ৰুগড় জিলাৰ দিহিং নদীৰ পাৰৰ কলৌলোৱা নামে ঠাইত আছিল। দিহিঙ নদীৰ খহনীয়া আৰু মানৰ আক্ৰমনত শিৱসাগৰৰ কুজিবালিত অস্থায়ীভাৱে সত্ৰ খনি পাতি থোৱা আছিল। পাছতহে বৰ্তমান ঠাইত মৈৰামৰা চাপৰিত সত্ৰ পতা হয়। কথিত আছে যে সত্ৰখন স্থাপনৰ সময়ত গড়গঞা ৰজাৰ কাঠবৰুৱা বিষয়া আৰু নাগিনীমৰা বৰজান পাহাৰৰ নগালোকে সহায় কৰিছিল। বহুতো নগা লোক বৈষ্ণৱ ধৰ্মত শৰণ লৈ সত্ৰখনিৰ আশে পাশে বৈ গৈছিল। তেওঁলোকৰে সতি-সন্ততি বিলাকে আজিও এই সত্ৰৰ শিষ্য।

মৈৰামৰা সত্ৰত 'যদুমণিদেৱৰ চৰিত্ৰ', 'গুৰু চৰিত্ৰ', 'শ্ৰী গোপালদেৱৰ চৰিত্ৰ', 'শংকৰদেৱৰ চৰিত্ৰ', 'মাধৱদেৱৰ চৰিত্ৰ', 'গুণমালা', 'সৎসংগ নিৰ্ণয়', 'কথা-ঘোষা', 'পূৰণ সংহিতা', পুৰুষোত্তমদেৱ ৰচিত 'দিপিকা চন্দ', 'অনাদি পাতন', 'কুৰ্ম্মবলি', 'বৈষ্ণৱ অমৃত পদ', 'পদ্ম পুৰাণ', 'স্যমন্ত হৰণ' — শংকৰ, মাধৱৰ দ্বাৰা ৰচিত বৰগীত সমূহ, 'ৰত্নাৱলী', 'ভাগৱত', 'কীৰ্ত্তন', 'নামঘোষা', 'ৰামায়ণ' , 'ভক্তি প্ৰেমাৱলী' ইত্যাদি। ইয়াৰ উপৰিও ভোগজৰা, বৰশৰাই, ৰূপৰ টেমা, হেংদান, পিতলৰ আৰু কাঠৰ ডবা, ভোৰ-তাল, খুটি-তাল, কাঁহ, শংখ, গজঘন্টা আদি সত্ৰত সংৰক্ষিত আছে।

এই সত্ৰৰ শাখা পূৰ্বৰ কলৌলোৱা আৰু শিৱসাগৰ জিলাৰ গেলেকীত আছে।

---

১৯) সংবাদদাতা ঃ গঙ্গেশ্বৰ মহন্ত, মৈৰামৰা সত্ৰ।

**জকাই সত্ৰ**[২০] ঃ ১৬৮৪ খৃঃত প্ৰতিষ্ঠা কৰা জকাই সত্ৰৰ প্ৰতিষ্ঠাপক হ'ল হৃদিৰূপ আতা। কালসংহতিৰে কাটনিপাৰ সত্ৰৰ প্ৰতিষ্ঠাতা সুনন্দ আতাৰ আজ্ঞাতেই ডিব্ৰুগড় জিলাৰ মানকাটা মৌজাৰ জকাই বৰবিলত সত্ৰখনি প্ৰথমে প্ৰতিষ্ঠা কৰা হৈছিল। মানৰ আক্ৰমনত তিষ্ঠিব নোৱাৰি পৰৱৰ্তী সময় জকাই সত্ৰৰ গুৰুসকল শিষ্যবৰ্গৰ আহ্বান ক্ৰমে শিৱসাগৰ জিলাৰ চাৰিংত আহি সত্ৰ প্ৰতিষ্ঠা কৰে। তাৰপাছত এই সত্ৰৰ পৰাই গোলাঘাট জিলাৰ শিয়ালেখাটি, কচুগাওঁ, হামদৈত শাখা সত্ৰ প্ৰতিষ্ঠা হয়। এই সত্ৰৰো আহোম, চুতীয়াৰ লগতে চাহ জনগোষ্ঠী, মিচিং, শৰণীয়া কছাৰী, দেউৰী, নগা, কাৰ্বি নেপালী, নিচি আদি জনজাতি শিষ্য আছে। সত্ৰৰ শিষ্যৰ সংখ্যা তিনি লাখৰ ওপৰত।

সত্ৰত মূঠ সাঁচিপাতৰ পুথিৰ সংখ্যা ৬৪ খন। সত্ৰৰ স্থাপক হৃদিৰূপ আতা ৰচিত তিনিখন অংকীয়া নাট, 'পটল শাস্ত্ৰ', 'জন্মান্তৰ ৰহস্য', 'কৃষ্ণলীলা' সত্ৰত অপ্ৰকাশিত ভাৱে সংৰক্ষিত হৈ আছে। এই সত্ৰৰ অধিকাৰ বিভূনাথদেৱে ৰচনা কৰা 'সন্তাখ্যান' পুথিখনত চাৰি সংহতিৰ সত্ৰসমূহৰ বিৱৰণ আছে। তদুপৰি ৩০০ বছৰীয়া পুৰণি 'পুতলা নাচ' এই সত্ৰত পৰম্পৰাগতভাৱে চলি আছে। এই পুতলা বিলাক কাঠ পুতলা।

**গ) বুদবাৰী সত্ৰ**[২১] ঃ বুদবাৰী সত্ৰখনি শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ সদৰৰ দক্ষিণফালে তিনি কিঃ মিঃ দূৰত ওপৰ নাজিৰাত অৱস্থিত। বৰ যদুমণিদেৱৰ শিষ্য ৰামানন্দৰ আজ্ঞাপৰ শ্ৰীকৃষ্ণৰ দ্বিতীয় পুত্ৰ বিজয়ানন্দদেৱে এই সত্ৰ ১৫৫৭ শক (১৬৩৫ খৃঃ) ত স্থাপন কৰিছিল। প্ৰথমে এই সত্ৰখন ডিব্ৰুগড়ৰ বলমীত আছিল। তাৰ পৰা বৰ্তমানৰ নাজিৰালৈ আহে।

প্ৰাচীন সম্পদৰ ভিতৰত ৰূপৰ কৰধ্বনি, ৰূপৰ শৰাই, টেমা, মৈৰাজৰা, তামৰ শৰাই, মুগা কাপোৰত লিখা এহেজাৰ ঘোষা, 'কুমৰ-হৰণ' চিত্ৰ পুথিৰ উপৰিও সাতখন মান পুথি সত্ৰত সংৰক্ষিত আছে। ন-বুদবাৰী নামে ইয়াৰ এখন শাখা সত্ৰ নাজিৰাতে আছে। শিষ্যৰ সংখ্যা একলাখৰ ওপৰত।

---

২০) সংবাদদাতা ঃ ভদ্ৰকৃষ্ণ গোস্বামী, জকাই সত্ৰ।

২১) সংবাদদাতা ঃ মহানন্দ মহন্ত, বুদবাৰী সত্ৰ।

**ঘ) চলিহা বাৰেঘৰ সত্ৰ**[২২] ঃ শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ বাঁহগড়ৰ কাষত বৰদুৱাৰৰ পৰা দুই কিঃ মিঃ উত্তৰে বৰ্তমান এই সত্ৰখনি অৱস্থিত। যদুমণিদেৱৰ আজ্ঞাপৰ ৰামানন্দদেৱৰ শিষ্য শ্ৰীকৃষ্ণদেৱ এই সত্ৰৰ প্ৰতিষ্ঠাতা। প্ৰথমে এই সত্ৰখনি শ্ৰীকৃষ্ণদেৱে দিহিঙৰ ওচৰত বৰবামত স্থাপন কৰিছিল যাদিও-দিহিঙৰ বানে খহোৱাৰ বাবে বাৰেঘৰলৈ আনে।

প্ৰাচীন সম্পদৰ ভিতৰত - মকৰ কুণ্ডল, গাম খাৰু, ৰুদ্ৰসিংহই দিয়া তামৰ ৰূপ খটোৱা শৰাই, হাতীৰ দাঁতৰ হাত, মৈৰাজৰা আদি আছে। প্ৰাচীন পুথিৰ ভিতৰত - 'ভক্তি বিবেক', 'শ্ৰীৰামদেৱ চৰিত', 'ভক্তি চন্দ্ৰমালা', 'সৰুঘোষা', 'বৃন্দাবন চন্দ্ৰ' আদি আছে। 'নৰোত্তম চৰিত', বসুদেৱ দ্বিজ ৰচিত 'শ্ৰীৰামদেৱ' আদি পুথি প্ৰকাশ পাইছে।

সত্ৰৰ শিষ্যৰ সংখ্যা তিনি লাখৰো অধিক। শ্ৰীৰামদেৱ সত্ৰাধিকাৰৰ দিনত এই সত্ৰত নগা ৰজা নৰোত্তমসহ অৰুনাচলৰ বহুলোকে এই সত্ৰৰ শিষ্যত্ব গ্ৰহণ কৰিলে। শ্ৰীৰাম আতা আৰু নগাৰ নৰোত্তমৰ থান বৰ্তমান নহৰকটীয়াৰ ওচৰৰ মেৰবিলত জাগৃত অৱস্থাত আছে। বৰ্তমানো এই সত্ৰৰ বৰহাট, নামৰূপ, জয়পুৰ আদিত নগা শিষ্য আছে। ইয়াতো বাৰেঘৰ সত্ৰৰ শাখা আছে।

**দিহিং ন-মাটি সত্ৰ**[২৩] ঃ এই সত্ৰখনি শিৱসাগৰ জিলাৰ নাজিৰা মহকুমাৰ ন-মাটিত অৱস্থিত। ডাকঘৰ ন-মাটি। ভৱানীপুৰীয়া গোপালদেৱৰ আজ্ঞাপৰ বাৰ আচাৰ্য্যৰ অন্যতম বৰযদুমণিদেৱৰ সৰু পুত্ৰ শ্ৰীকান্তৰ দ্বাৰা স্থাপিত।

এই সত্ৰত অসমৰ আপুৰুগীয়া 'মৃদঙ্গ বাদ্য'ৰ গীত-মাত নৃত্য সংৰক্ষিত আছে। সত্ৰস্থিত প্ৰায় বিশ খনমান সাঁচি পতীয়া পুথিৰ ভিতৰত 'যদুমণিদেৱ', 'বিনন্দ শ্যামদেৱ', 'প্ৰেমাহাৰদেৱৰ চৰিত' পুথি বিশেষ উল্লেখযোগ্য। ৰূপৰ আঠকোণীয়া চন্দ্ৰকান্ত ৰজা প্ৰদত্ত মোহৰ, দুশবছৰীয়া সিংহাসন, মৈৰা মগৰযুক্ত লাচিত বৰফুকনে দিয়া হাঁতীদাতৰ হাত বিশেষ প্ৰাচীন সম্পদ। শ্ৰীযুত অচ্যুতদেৱ গোস্বামীৰ 'শ্ৰী শ্ৰী দিহিং ন-মাটি সত্ৰৰ ঐতিহ্যৰ এটি ৰেঙনি' নামৰ গ্ৰন্থ আৰু 'বিনন্দ শ্যামৰ' চৰিত প্ৰকাশ পাইছে।

---

২২) সংবাদদাতা ঃ গোবিন্দ চন্দ্ৰ গোস্বামী, চলিহা বাৰেঘৰ সত্ৰ।

২৩) সংবাদদাতা ঃ প্ৰেমনাথ গোস্বামী, দিহিং ন-মাটি সত্ৰ।

এই সত্ৰৰ সম্পদসমূহ হ'ল - নামতি ন-মাটি, তেজপুৰ, বাঁহডোঙা ন-মাটি, ভজো বাঁহবৰীয়া ন-মাটি, নাহৰকটীয়াৰ দিচাম ন-মাটি, ডিব্ৰুগড়ৰ হাপানি ন-মাটি আদি।

**চ) আদ্য গজলা শ্ৰী শ্ৰী সৌকাজান সত্ৰ**[২৪] ঃ এই সত্ৰখনি শিৱসাগৰ জিলাত নাজিৰা মহকুমাৰ অন্তৰ্গত মথিয়াছিগাত অৱস্থিত। সত্ৰখনি গোপাল আতাৰ আজ্ঞাপৰ সৰু যদুমণিদেৱে প্ৰতিষ্ঠা কৰা। সৰু যদুমণিদেৱে মাজুলীৰ গজলা সুঁতিৰ কাষত গজলাসত্ৰ পাতিছিল। কথিত আছে যে এদিন ভক্তবৃন্দৰ লগত ফুৰিবলৈ যাওঁতে সকলোৰে পিয়াহ লগাত ওচৰত ক'তো পানী নোপোৱাত হাতত থকা বেতৰ লাখুটিডালেৰে সৰু যদুমণিদেৱে ঈশ্বৰৰ নাম লৈ মাটিত পুতি দিয়াত বেতডালেদি কলকলকৈ পানী ওলাই এটা জানৰ সৃষ্টি কৰে। তাৰ পৰাই জান আৰু স্থানৰ নাম হয় সৌকাজান। সেই বাবেই আদ্য গজলা সৌকাজান নাম সৃষ্টি হোৱা বুলি ক'ব পাৰি। সৰু যদুমণিদেৱৰ পুত্ৰ তিনিজন আৰু পুত্ৰৰ পৰা জন্ম হোৱা নাতি ওঠৰজন। বৰ্তনাম অসমত ২৪ খন গজলা সত্ৰ আছে বুলি জনা যায়। এই ২৪ খন স্বয়ং সম্পূৰ্ণ আৰু অধিকাৰ থকা সত্ৰ।

মাজুলীৰ পৰা সত্ৰখনি লক্ষিমপুৰ জিলাৰ নাৰায়ণপুৰত স্থাপন কৰা হৈছিল। পাছত নগাঁও আৰু বৰ্তমানৰ ঠাইলৈ আহে। শিষ্যৰ সংখ্যা লাখৰ ওপৰত। জনজাতি শিষ্য আছে। সত্ৰৰ বিগ্ৰহ চৰ্তুভুজ আৰু বংশীবদন মূৰ্ত্তি। এই মূৰ্ত্তি কেইজনা ফুলেশ্বৰী ৰাণীয়ে দান কৰা বুলি সত্ৰৰ সুত্ৰই জনায়। সাঁচি পাতৰ পুথি আছে — 'শান্তিপৰ্ব' আৰু 'সৰু যদুমণিদেৱৰ চৰিত' পুথিখনি সত্ৰত সংৰক্ষিত আছে। ডবা, কাঁহ, শংখ, ঘণ্টা আদি সত্ৰৰ অন্যান্য প্ৰাচীন সম্পদ। এই সত্ৰৰ সত্ৰাধিকাৰ জ্যেষ্ঠানুভিত্তিক হয়। বৰ্তমানলৈকে পঁচিশজন সত্ৰাধিকাৰ আসনত বহিছে। বৰ্তমান সত্ৰাধিকাৰ শ্ৰী ঘনশ্যাম দেৱ গোস্বামী।

**শিৱসাগৰ জিলাৰ সত্ৰসমূহত উদ্‌যাপিত উৎসৱ অনুষ্ঠান ঃ**

শিৱসাগৰ জিলাৰ সকলো সংহতিৰ প্ৰায়বিলাক সত্ৰতে উদ্‌যাপন কৰা উৎসৱসমূহ হৈছে— শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, গুৰু দুজনাৰ কীৰ্ত্তন, পালনাম, ৰাস-পূৰ্ণিমা,

২৪) সংবাদদাতা ঃ ঘনশ্যাম দেৱগোস্বামী, আদ্য গজলা সৌকাজান সত্ৰ।

মাঘী পূর্ণিমা, দৌল পূর্ণিমা, তিনি বিহু আদি। ইয়াৰ বাহিৰেও কোনো সংহতিত বিশেষ ভাৱে কিছুমান উৎসৱ পালিত হৈ আহিছে। তদুপৰি নিজা সংহতিৰ আতা পুৰুষ সকলৰ, প্ৰয়াত সত্ৰাধিকাৰসকলৰ জন্ম-মৃত্যু তিথি বছৰৰ বিভিন্ন সময়ত পালন কৰা হয়। উৎসৱৰ লগত সংগতি ৰাখি অংকীয়া ভাওনা আৰু খোল-মৃদংগ, গায়ন-বায়নৰ প্ৰচলন আছে। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, গুৰু দুজনাৰ কীৰ্ত্তন পালনত সংহতি অনুযায়ী বিশেষ প্ৰভেদ নাই। মাথোঁ নিকা সংহতিৰ জৰাবাৰী সত্ৰত এই দুভাগ কীৰ্ত্তন তিনিদিনীয়াকৈ পতা হয় — প্ৰথম দিনা স্থাপনী, দ্বিতীয় দিনা তিথি আৰু তৃতীয় দিনা চৰিত তোলা। এই দুটি উৎসৱৰ বিৱৰণ পিছৰ অধ্যায়ত 'খাটপাৰ সত্ৰ'ৰ উৎসৱ অনুষ্ঠানত উল্লেখ কৰা হৈছে। সেইবাবে এই অধ্যায়ত সংহতি অনুযায়ী কেইখনমান সত্ৰত বিশেষ ভাৱে পালন কৰা উৎসৱৰ বিৱৰণহে দিবলৈ যত্ন কৰা হৈছে। লগতে সেই সত্ৰৰ দৈনিক পালনীয়, বছৰৰ বিভিন্ন মাহত পালন কৰা অন্যান্য তিথি পৰ্ববিলাক মাহ অনুযায়ী উল্লেখ কৰা হৈছে।

**ব্ৰহ্ম সংহতিৰ দুৰামাৰি সত্ৰত অনুষ্ঠিত কৰা 'দধিশাল' পতা উৎসৱ[২৫] ঃ**

'দধিশাল' পতা উৎসৱটি দুৰামাৰি সত্ৰৰ এটা বিশেষ অনুষ্ঠান। ব'হাগৰ দোমাহিতে দধিশাল সত্ৰৰ আইসকলে পাতে। দধিশাল পতাৰ ক্ৰমটো এনেধৰণৰ — প্ৰথমতে পুৱাৰ বৰগীত এটা গায় — 'তেজৰে কমলাপতি' বা উঠৰে উঠ বাপু' ইয়াৰ পাছত ক্ৰমে ঘোষা, লেছাৰী, কীৰ্ত্তন গায়, দধি মথনৰ গীত গায় উপদেশ দি নাম সামৰে। এই উপদেশ বিলাক বহুত দীঘল। লেথাৰি নিছিগাকৈ দধিশালৰ নামবিলাক গোৱা বাবে এই বিলাকক 'লালিনাম' ও বোলা হয়।

**ঘোষা —** ৰত্ন সিংহাসন গৰুড় বাহন
বৈকুণ্ঠক তেজি থাকা ভকতৰ সঙ্গে
থাকা ভকতৰ সঙ্গে
বেদৰ গুপুতা বিত্ত নাৰায়ণ এ
প্ৰচাৰিলা নৃত্য যশ ধৰ্ম বিপৰীত।

---

২৫) সংবাদদাতা ঃ সৰুমাই মহন্ত, অমিয়া মহন্ত, দুৰামাৰি সত্ৰ।

**লেছাৰী —** উঠা বাপু কমল লোচন
উঠা উঠা বাপুসৰ নয়ন ভৰি চকে

**কীৰ্ত্তন —** উঠা বাপু উঠা বাপু এ কমললোচনে
জগা বাপু দৈৱকী নন্দনে
উঠা যদুমণি পুৱাইলে ৰজনী
চৌদিশে পোহৰ হ'ল
বনৰে হৰিলা বনতে লুকাল
পখী দিহাদিহি গ'ল।

**উপদেশ—** লৰিলা কানাই তাঁতীৰ ঠাই
একে লগে বহি আছিলো চাই
আনন্দ মোহন বংশী বজাই
বিনন্দ গোঁসাই বা কি লাগে আহে
শুনৰে তাঁতী তোক কথা কওঁ পাছে
ৰাধা গাঁৱল কাপোৰ লাগে
কেমন কাপোৰ কেমন থান
ক'লেহে বুজো মই তাৰ প্ৰমাণ।

ব'হাগৰ ৬ তাৰিখে পুৰুষসকলে বৰ সৰাহ পাতে। সেইদিনাখন মণিকূটৰ গোঁসাইক বিচে, দধিশাল বিচে, তাৰ পাছত গোটেই নামঘৰটো পুৰুষ-মহিলা সকলোৱে ৭ বাৰ প্ৰদক্ষিণ কৰে। জয়ধ্বনি কৰে। উৰুলি দিয়ে, শংখ বজাই। ব'হাগৰ ৭ তাৰিখৰ পৰা আইসকলে নাম লয়। ব'হাগৰ ১৪ তাৰিখৰ দিনা আইসকলে বৰসৰাহ পাতে, আৰু সেইদিনাই দধি যি গৰাকীয়ে পাতে সেই গৰাকীয়ে দধি শাল ভাঙে।

**দধি মথোঁতে এইদৰে গায় ঃ**

১) ৰাম বোল মালে
হৰি বোল মালে
সখি সৱে দধি মথে যমুনাৰ জ্বলে।

ৰাম বোল বোল হৰি বোল বোল
মথোতে মথা জৰী ধুনা উঠি গ'ল।

২) দধি মথে হে
মথে দধি যশোদা সুন্দৰী

৩) যশোদাই ঐ আই
লৈয়া কান্দে আই
কান্দক কাটক বাপু কৃষ্ণ
দধি মথোঁগে

৪) মথনি মথিছে যশোদাই আহে
হৰি গুণ গাৱত বয়ন বিলাইহে।

এইদৰে সাত খণ্ড নাম থাকে। প্ৰতি খণ্ডৰে সুৰ বেলেগ বেলেগ। উল্লেখযোগ্য যে দধি মথে তিনি যোৰ বা পাঁচ যোৰ এৰাঁ ছোৱালীয়ে। কাষতে বহি আইসকলে নাম লয়। এই সত্ৰত 'হীৰানাম' ৰ প্ৰচলন আছে। তাৰে এটি তুলি দিয়া হৈছে —

মই আত্মা মোকে কাটে নমানয় কেনে মহাদুষ্ট।
মোহোৰ হিংসাত কোন হৈব তুষ্ট।।
হিংসা তমো গুণী মাত্ৰ নৰকৰ সাৰ।
যেন শিল তল গৈলে নুঠে আৰ বাৰ (গীত)
তুমি সি পৰম আত্মা শৰণ দায়ক।
ব্ৰহ্মাদি দেৱৰো পৰম নায়ক।। (ৰত্নাৱলী)
আত্মা ৰূপে ঈশ্বৰৰ পৰ শাৰিত।
সৰ্ব আচন্ত তাক নুগুনে মনত।।
পৰক কৰয় দ্বেষ্য বৃথা দেহ লাগি।
নৰকত পৰে সিটো পৰম অভাগি (নিমিনৱসিদ্ধ)
সমস্ত ভূততে সমথাকে সৰ্বদায়।
ধনে জনে আত্মা ভৰ ভেদ বুদ্ধি যায়।।

সমস্তৰে একে আত্মা সময় মানত

সেহিজন জানিবাহা উত্তম ভাগত।।

**দৈনিক পালনীয় ঃ** চৈধ্য প্ৰসঙ্গ, আউসী, একাদশী ব্ৰত পালন কৰা হয়।

**দুৰামাৰি সত্ৰত বছৰৰ বিভিন্ন মাহত উদযাপিত অনুষ্ঠানসমূহ ঃ**

**ব'হাগ ঃ** দধিশাল পতাৰ উপৰিও দামোদৰদেৱৰ তিথি পালন কৰা হয়।

সত্ৰত নাম প্ৰসঙ্গৰেহে ব'হাগ বিহু পালন কৰা হয়।

**জেঠ ঃ** জেঠুৱা সৱাহ পাতে - এই সৱাহত নাম প্ৰসঙ্গ ভাগৱত পাঠ কৰে।

**আহাৰ ঃ** অম্বুবাচী পালন কৰা হয়।

**ভাদ ঃ** গুৰু দুজনাৰ তিৰোভাৱ তিথি আৰু জন্মাষ্টমী পালন কৰে।

**আহিন ঃ** আহিনৰ পূৰ্ণিমাত লক্ষ্মী পূজা পতা হয়।

**কাতি ঃ** নাম প্ৰসংগৰে কাতি বিহু পালন কৰে।

**আঘোণ ঃ** ৰাস পূৰ্ণিমাত শৰাই দিয়া হয়।

**মাঘ ঃ** মাঘ বিহু নাম-প্ৰসঙ্গৰে পালন কৰা হয়।

**ফাগুন ঃ** ফাকুৱা পালন কৰা হয়।

**পুৰুষ সংহতিৰ কাৰৈমাৰী সত্ৰত উদযাপিত বোকা ভাওনা[২৬] ঃ**

**কাৰৈমাৰী সত্ৰৰ বোকা ভাওনা ঃ** বোকা ভাওনা অসমৰ ভাওনা সংস্কৃতিৰ এক বৈচিত্ৰ্যপূৰ্ণ অংগ। শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পিছৰ দিনা দিনৰ ভাগত এই নন্দোৎসৱ বা বোকা ভাওনা পাতি ৰং ৰহইচেৰে কাৰৈমাৰী সত্ৰত পৰম্পৰাগত ভাৱে পালন কৰি অহা হৈছে।

শ্ৰীকৃষ্ণৰ জন্মৰ পিছত কংসৰ ভয়ত বসুদেৱে গভীৰ নিশা ভৰা যমুনা পাৰ হৈ যশোদাৰ কাষত শ্ৰীকৃষ্ণক শুৱাই থৈ অহাৰ পাছত গকুলবাসীয়ে নন্দ-যশোদাৰ সন্তান জন্ম হোৱা বুলি জনাৰ লগে লগে প্ৰজাবৰ্গ আনন্দত অধীৰ হৈ পৰে। ৰজাৰ পুত্ৰ সন্তান

২৬) সংবাদদাতা ঃ দুলেশ্বৰ মহন্ত, পুণ্য বৰা, কাৰৈমাৰী সত্ৰ।

চাবলৈ হাতত উপহাৰৰ টোপোলা লৈ নন্দৰ ঘৰলৈ যাওঁতে সকলো প্ৰজা আনন্দত আত্মহাৰা হৈ বোকাত লুতুৰি পুতুৰি হৈ ইজনে সিজনক আকোঁৱালী লৈ মতলীয়া হৈ পৰে। ইয়াৰ আধাৰতে গোপাল দেৱে 'জন্ম যাত্ৰা' নামৰ নাট ৰচনা কৰি শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পিছৰ দিনা নন্দোৎসৱ নামৰে দিবালোকত এক ভাওনা অনুষ্ঠিত কৰি শ্ৰীকৃষ্ণৰ বাণী প্ৰচাৰৰ অভিনৱ ব্যৱস্থা গ্ৰহণ কৰিছিল। যাক 'বোকা ভাওনা' ওৰফে 'নন্দোৎসৱ' ৰূপে অভিহিত কৰা হয়। বোকাৰে লুতুৰি পুতুৰি হৈ ভাওৰীয়াসকলে ভাও দিয়াৰ বাবেই বোকা-ভাওনা। প্ৰকৃততে বোকা ভাওনা হৈছে গোপালদেৱ বিৰচিত জন্ম যাত্ৰা ভাওনাৰ অংশ বিশেষ মাত্ৰ।

**বোকা ভাওনাৰ বৈশিষ্ট্য ঃ** বোকা ভাওনাৰ প্ৰথম বৈশিষ্ট্য হৈছে, এই বোকা ভাওনা দিবালোকত অনুষ্ঠিত হয়। এই ভাওনা শ্ৰীকৃষ্ণৰ জন্মাষ্টমীৰ পিছৰ দিনাৰ বাহিৰে যেতিয়াই তেতিয়াই অনুষ্ঠিত কৰিব নোৱাৰে। বোকা ভাওনাৰ বাবে আৱশ্যকীয়া মাটি এক বিশেষ প্ৰক্ৰিয়াৰে সংগ্ৰহ কৰা হয়। এই মাটি শৌচ-প্ৰস্ৰাৱ নকৰা বিশুদ্ধ স্থানৰ পৰা সংগ্ৰহ কৰা হয়। মাটি ভাগৰ ওপৰৰ চাৰি আঙুলি মাটি খান্দি প্ৰথমে পেলাই দি তাৰ তলৰ মাটি সংগ্ৰহ কৰা হয়। পাছত ধৰ্মীয় ৰীতি নীতিৰে পঞ্চামৃতেৰে মাটিখিনি শুদ্ধি কৰি লোৱা হয়। আৱশ্যক অনুসৰি মাটি গুড়ি কৰি চালনীৰে চালি লোৱা হয়। তাৰ পাছত নাম ঘৰৰ মজিয়াত মাটিত পানী ঢালি বোকা লৈ ৰূপান্তৰিত কৰা হয়।

বোকা ভাওনা অনুষ্ঠিত কৰাৰ প্ৰাক্ কালত মঙ্গলময় পৰিৱেশ সৃষ্টি কৰে। গীত, বাদ্যৰ তালত নৃত্য কৰি আনন্দত, ভক্তি ভাৱত মতলীয়া হৈ পৰে। গীতৰ কথাৰ আঁত ধৰি ভাৱৰীয়াসকলৰ অৰ্থে ফুল চন্দন পানী, হালধী পানী, গাখীৰ আৰু লগতে লৱণু (পিঠা গুৰিৰ মিঠৈ) ছটিয়াই দিয়া হয়। তাক খাবলৈ সকলোৱে হেতা ওপৰা লগাই। এই ভাওনাত গোপাল আতাৰ জন্মযাত্ৰা নাটৰ 'আলো মাই গোকুলে উদয় যদুমণি' আৰু 'হৰষে গোপিনী পুছয় ঘনে ঘন' এই গীট দুটি গোৱা হয়। ভাওনাৰ শেষত বোকা মাটিৰ তিলক উপস্থিত সকলোৱে লয়। ধৰ্মীয় প্ৰথাৰে তিলক লৈ ৰাইজে সেই বোকা মাটি পলিথিনত লৈ গৃহাভিমুখী হয়। সেই মৃত্তিকা মাটি গোঁসাই থাপনাৰ আগত থয়।

বোকা ভাওনাত অংশ গ্ৰহণ কৰা ভাৱৰীয়া সকলৰ চৰ্ম্মৰোগ নহয় বুলি লোকবিশ্বাস বিৰাজমান। ভাওনাৰ শেষত ভাৱৰীয়া সকলে গায়নে-বায়নে ওচৰৰ নৈ নিজৰাত

গা-পা ধুই বোকা ভাওনাৰ পৰালি পেলাই।

এইদৰে কাৱৈমাৰী সত্ৰই প্ৰায় ৩০০ বছৰ সন্টালনিকৈ বোকা ভাওনা অনুষ্ঠিত কৰি আহিছে।

**কাৱৈমাৰি সত্ৰৰ দৈনিক পালনীয় ঃ** দৈনিক চৈধ্য প্ৰসঙ্গ পালন কৰা হয়।

**কাৱৈমাৰী সত্ৰত পালিত বছৰৰ অন্যান্য উৎসৱ অনুষ্ঠানসমূহ —**

**ব'হাগ ঃ** ব'হাগ বিহু নাম প্ৰসঙ্গৰে পালন কৰা হয়। বাৰ্ষিক পাল নাম পতা হয়।

**আহাৰ ঃ** অম্বুবাচী দিনকেইটাত হাত চাপৰিৰে নাম প্ৰসঙ্গ কৰা হয়।

**ভাদ ঃ** গুৰু দুজনাৰ তিৰোভাৱ তিথি পালন কৰা হয়। বিশেষতৈ শংকৰদেৱৰ তিথিত 'ভোজন বিহাৰ' ভাওনা অনুষ্ঠিত কৰা হয়। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী আৰু পিছৰদিনা 'বোকা ভাওনা' অনুষ্ঠিত কৰা হয়। আইসকলে পাঁচতি পাতে।

**আহিন ঃ** শংকৰদেৱৰ জন্মোৎসৱ আঞ্চলিক ভিত্তিত প্ৰতিবছৰে অনুষ্ঠিত কৰা হয়।

**কাতি ঃ** কাতি বিহু নাম প্ৰসঙ্গৰে পালন কৰা হয়।

**আঘোণ ঃ** ৰাস পূৰ্ণিমাত শৰাই দি নাম প্ৰসঙ্গ কৰা হয়।

**মাঘ ঃ** মাঘ বিহু নাম প্ৰসঙ্গৰে পালন কৰা হয়।

**ফাগুন ঃ** ফাকুৱা পালন কৰা হয়।

**কালসংহতিৰ মৈৰাম'ৰা সত্ৰত উদযাপিত ব'হাগ বিহু, গোপাল আতাৰ তিথি[২৭] ঃ**

**ব'হাগ বিহু ঃ** ব'হাগ বিহুত দুদিন সত্ৰত নাম প্ৰসঙ্গ কৰা হয়। গৰু বিহুৰ দিনা ৰাতিপুৱা গৰু গাই ধুৱাই দুপৰীয়া নামঘৰত শৰাই আগবঢ়াই আৰু নাম প্ৰসঙ্গ কৰে। মানুহৰ বিহুৰ দিনা গা-পা নোধোৱাকৈ (শৌচাদি কৰিলে ধুৱে) নাম কীৰ্ত্তন কৰে আৰু মাহ -হালধিৰে শৰাই

---

২৭) সংবাদদাতা ঃ গঙ্গেশ্বৰ মহন্ত, মৈৰামৰা সত্ৰ।

আগবঢ়ায়। নামৰ শেষত সকলোৱে মাহ-হালধি গাত ঘঁহে আৰু নামত নহা সকলৰ বাবে ঘৰে প্ৰতি দি পঠিয়াই যাতে সকলোৱে ঘঁহিব পাৰে। গা-পা ধুই পুনৰ নাম প্ৰসঙ্গ কৰে। ৰাতিলৈ প্ৰথম হুচৰি নামঘৰৰ সন্মুখত গায় আৰু পাছত জ্যেষ্ঠানুসৰি ঘৰে ঘৰে গায় যায়। ব'হাগ মাহটোত সত্ৰৰ প্ৰতি ঘৰতে সংকীৰ্ত্তন কৰা হয়।

**গোপাল আতাৰ তিথি ঃ** ব'হাগ মাহৰ শুক্লা ষষ্ঠীত গোপাল আতাৰ তিথি পালন কৰা হয়। সেইদিনাখন গোপাল আতাৰ বিৰচিত গীত গোৱা হয়। যেনে -

গগনে গৰজে ঘনে কুলে লৈয়া নাৰায়ণ
চলে বসুদেৱ ধীৰে ধীৰে
দেখিয়া সহস্ৰানন ভিজে প্ৰভু জনাৰ্দন
ফণায়ে ধৰিলা চত্ৰ শিৰে।
পায়া যমুনাৰ কুল
ঢৌ দেখি উৰ্ম্মিৰোল
বসুদেৱ মনে ভিত ভৈল
দেখিবাক দিলা মাজে পাৰ
ভৈল যদুৰাজে
দিন গোপাল এহু ভনে।'

**দৈনিক পালনীয় ঃ** চৈধ্য প্ৰসঙ্গ কৰা হয়।

**বছৰৰ অন্যান্য মাহত পালন কৰা অনুষ্ঠানবোৰ হৈছে —**

**জেঠ ঃ** মাধৱদেৱৰ জন্মোৎসৱ - কৃষ্ণা প্ৰতিপদ তিথিত।
**আহাৰ ঃ** অম্বুবাচীৰ নিয়ম মানে।
**ভাদ ঃ** শংকৰদেৱৰ তিৰোভাৱ তিথি - শুক্লা দ্বিতীয়া।
মাধৱদেৱৰ তিৰোভাৱ তিথি - কৃষ্ণা পঞ্চমী।
বলিকটা নামৰূপীয়া তিথি - ভাদৰ পূৰ্ণিমাত।

জন্মাষ্টমী, বোকা ভাওনা।

**আহিন ঃ** ৰামদেৱৰ জন্মোৎসৱ - শুক্লা দশমী তিথি।

**কাতি ঃ** ৰামদেৱ আতাৰ তিথি - শুক্লা দ্বাদশী তিথি। কাতি বিহুত তুলসীৰ তলত পুৰুষ মহিলাই নাম কীৰ্ত্তন কৰে আৰু নামঘৰত নাম প্ৰসঙ্গ কৰি কাতি বিহু পালন কৰে।

**আঘোণ ঃ** ৰাস পূৰ্ণিমাত শৰাই দি নাম প্ৰসঙ্গ কৰে।

**মাঘ ঃ** মাঘ বিহু পালন কৰে।

**ফাগুন ঃ** ফাকুৱাত নাম প্ৰসঙ্গ কৰি সত্ৰৰ সকলোৱে ফাকুৱা লয়।

**বৰখাটপাৰ সত্ৰৰ 'পাচতি' অনুষ্ঠান**[২৮] ঃ পাচতি অনুষ্ঠানটো সাধাৰণতে কৃষ্ণ জন্মৰ পিছ দিনা বা কেইদিনমান পিছত পালন কৰা হয়। বোকা ভাওনাৰ দৰে এই অনুষ্ঠানৰো মূল বিষয় কৃষ্ণৰ জন্মৰ পিছত নন্দৰ ঘৰত হোৱা আনন্দ উৎসৱ। এই অনুষ্ঠানটোত পুৰুষ আৰু মহিলা উভয়ে অংশ গ্ৰহণ কৰে যদিও আইসকলৰ প্ৰাধান্য বেছি। বৰখাটপাৰ সত্ৰত এই অনুষ্ঠানটো ভাদ মাহৰ সংক্ৰান্তিৰ দিনাখন পালন কৰা হয়। এই উৎসৱটো কিদৰে পালন হয় তাৰ বিৱৰণ দিয়া হ'ল —

প্ৰথমতে, নামঘৰৰ মজিয়াত যশোদাক কৃষ্ণক কোলাত লৈ থকা অৱস্থাত সজাই থোৱা হয়। তাৰ পাছত নন্দ ওলাই গুৱাল দুজনমান লৈ। ইয়াৰ পাছত গৰ্গ ঋষিৰ প্ৰবেশ হয় আৰু কৃষ্ণৰ জাত গণনা কৰে। তেওঁ কৃষ্ণ নামৰ মহত্ব বৰ্ণনা কৰে আৰু প্ৰস্থান কৰে। গৰ্গ ঋষিৰ প্ৰস্থান কৰাৰ পাছত বিচিত্ৰ সাজেৰে গোপীসকল আহে। তেওঁলোকে 'দশম'ৰ পদ অনুসৰি এইদৰে সাজ-সজ্জা কৰে —

উৰুক মুৰুক কৰি পিন্ধে অলংকাৰ
বান্ধিল উচ্ছল খোপা পুষ্প ভৰি কেশ
আখিত অঞ্জন শিৰে সিন্দুৰ বিশেষ।

উক্ত ধৰণেৰে সাজি গোপীসকলে 'হৰষে গোপিনী পুছয় ঘনে ঘনে' গীতটিত

---

২৮) সংবাদদাতা ঃ নিৰুপমা মহন্ত, বৰখাটপাৰ সত্ৰ।

ৰাগ আৰু তলৰ ছেৱে ছেৱে শুদ্ধ নাচ নাচে। এই গীতটিৰ পাছত 'গোকুল উদয় যদুমণি' গীতটি গাই আৰু যেতিয়া গীতটি 'সভাত যতেক বৃদ্ধ আছে উঠি সবে আনন্দত নাচে' এই অংশ পায়গৈ তেতিয়া বৃদ্ধ সকলে উঠি নাচে আৰু 'ফুৰে সৱে মাটিত বাগৰি' বুলি গোৱাৰ লগে লগে মাটিত বাগৰি আনন্দ কৰে। 'দধি দুগ্ধ ঘোলে মাৰে ছাটি ঐ দলিমাৰে লৱণুৰ পিণ্ড বাটি' গীতৰ কথা বস্তুৰ লগে লগে দধি-দুগ্ধ, ঘৃত-মধু, ফুল আৰু গো-মূত্ৰ আদি কৃষ্ণ যশোদা আৰু ইজনে সিজনৰ গা লৈ ছটিয়াই। তেনে সময়তে সমাজত এটা উৎসৱ মুখৰ পৰিবেশৰ সৃষ্টি হয়। লৱণুটো মিহিকৈ পিঠা গুড়ি কৰি গৰু ঘিঁউ, চেনী, গাখীৰ, মৌ মিহলাই সৰু সৰু কৈ গোল কৰি বনোৱা হয়। এইবাৰ গুৱালসকলৰ প্ৰবেশ হয়। গুৱালসকলে লোক উপাদানযুক্ত গীত গায় আনন্দ কৰে—

অ' হৌ হৌ হৌয়া, হৌয়া
নন্দই ল'ৰা পাইছে চাওঁগৈ ব'লা।
বুঢ়া নন্দৰ ল'ৰা হ'ল
বজাবজি ভাগি গ'ল।

ইয়াৰ পাছত গোপীসকলে দিহা গায়। দিহাৰ বিষয় বস্তু কৃষ্ণৰ জন্মৰ পাছৰ আনন্দ উৎসৱ —

১) হে, মাহী, পেহী, আই
আঁহা সৱে নন্দৰ ঘৰে যাওঁ।
বৃদ্ধকালে যশোদাই কৃষ্ণ
হেন পুত্ৰ পাই
আঁহা সৱে নয়ন ভৰি চাওঁ।

২) এ' বাজন বাজিল ৰে, বাজন বাজিল ৰে,
যশোদাৰ কোলাত কৃষ্ণই কান্দিল ৰে।।

৩) সখি সৱ এ, এ' হে কিনো অদভুত।
বৃদ্ধকালে যশোদাই দেখে পুত্ৰ মুখ।।

এইদৰে দিহা গায় নাম সামৰি প্ৰসাদ আদি বিতৰণ কৰে। এই পাচতি অনুষ্ঠানত কোঁচ, কলিতা, মিচিং, কৈৱৰ্ত্ত, তেলী সকলো সম্প্ৰদায়ৰ লোকে একে লগে বহি নাম লয়।

আৰু প্ৰসাদ গ্ৰহণ কৰে।

**ব্ৰহ্ম সংহতিৰ 'বটৰ গঞা' সত্ৰৰ দৈনিক আচাৰ আৰু উৎসৱ অনুষ্ঠান [২৯]—**

**দৈনিক পালনীয় ঃ**

১) সত্ৰৰ ইষ্টদেৱতা কেশৱৰায় আৰু বিষ্ণুৰ প্ৰতীক শাল গ্ৰামক পুৱা ৮ বজাৰ পূৰ্বে নিৰ্দিষ্ট সময়ত গৰুৰ গাখীৰ আৰু পানীৰে স্নান কৰাই বগা চন্দন আৰু তুলসী পত্ৰেৰে তিলক পিন্ধাই পূজা উপাসনা কৰা হয়।

২) তাৰ পাছত কেশৱৰায়ৰ সিংহাসনৰ সন্মুখত বহি লৈ প্ৰসঙ্গ কৰা হয়। প্ৰসঙ্গৰ শেষত পাঠ আৰু আৰ্শীবাদ দিয়াৰ নিয়ম পূৰ্বাপৰ চলি আছে।

৩) সদায় পুৱা আৰু সন্ধ্যা শংখ, ঘন্টা, ডবা, কাঁহ আদি বজোৱাৰ নিয়ম।

৪) এগছি অক্ষয় বন্তিত সদায় তেল শলিতা দি প্ৰজ্বলিত কৰি ৰখা হয়।

৫) নিতৌ পূজা উপাসনা আৰু প্ৰসঙ্গৰ পাছত প্ৰসাদ আৰু উপকৰণ দ্ৰব্যাদি বিতৰণ হয়।

৬) সন্ধ্যা বাদ্য ধ্বনি কৰাৰ শেষত ৰাতিৰ প্ৰসঙ্গ কৰা হয়। দিনৰ দৰে আৰ্শীবাদ দিয়াৰ প্ৰথা প্ৰচলিত।

**সাপ্তাহিক ঃ** প্ৰতি বৃহস্পতিবাৰে কেশৱৰায়ৰ বাওঁফালে সৰু এখন সিংহাসনত বিৰাজ কৰা লক্ষ্মীদেৱীৰ আগত গন্ধ নৈবদ্য দি বন্তী প্ৰজ্বলন কৰি গোসাঁনীসকলে মিলি লক্ষ্মীৰ স্তুতি স্তৱ আদিৰ লগতে নামঘোষাৰ ছবি ছন্দৰে প্ৰাৰ্থনা কৰে।

**সত্ৰৰ বছেৰেকীয়া পালনীয় ঃ**

১) ৰাস মহোৎসৱেই বটৰ গঞা সত্ৰৰ মূল উৎসৱ। এই ভাগী উৎসৱ বৈকুণ্ঠপুৰ (বেহাৰ) সত্ৰৰ দ্বিতীয় অধিকাৰ বলোদেৱে আৰম্ভ কৰিছিল। এই উৎসৱটি

---

২৯) সংবাদদাতা ঃ ইন্দ্ৰভূষণ গোস্বামী, বৈকুণ্ঠপুৰ বটৰগঞা সত্ৰ।

বটৰগঞা সত্ৰত সময় সুবিধা বুজি ৰাস ভাওনা, ৰাস পূজা, নাইবা পাল নামেৰে উদ্‌যাপিত হৈ আছে। এই সত্ৰত ১৯৫৫ চনৰ পৰা ১৯৬৬ চনলৈকে মহাৰাসৰ ভাওনা নিতাই পুখুৰী পানীদিহিং (শিৱসাগৰ) দুয়ো মৌজাত সৰ্বপ্ৰথমে কৰা হৈছিল।

২) সত্ৰত সত্ৰাধিকাৰ আৰু আইসকলৰ তিথি সমূহ উদযাপন কৰা হয়।

৩) প্ৰতি আহাৰ মাহত শ্ৰী শ্ৰী মদ্ভাগৱতৰ দশম স্কন্ধ পাঠ হয়। এই পাঠত পকা কঁঠাল আৰু শুকান পিঠা পৰিবেশন কৰা হয়।

৪) শাওন মাহত কেশৱৰায়ৰ আগত আবেলি আইসকলে নাম লয়।

৫) প্ৰতিটো ভাদ মাহত চাৰি প্ৰসঙ্গ চলে। প্ৰসঙ্গ আৰম্ভণি আৰু শেষৰ দিনা বিশেষ নাম আৰু পাঠৰ ব্যৱস্থা আছে।

৬) প্ৰতি কাতি মাহত মাহজুৰি তুলসী ভেটিৰ সন্মুখত আকাশবন্তী প্ৰজ্বলন কৰা হয়।

৭) আঘোণত শ্ৰী শ্ৰী কেশৱৰায়ক নৱান্ন দিয়াৰ নিয়ম। সকলো গোসাঁই ভকত বৈষ্ণৱ মিলি ভোজ ভাত খায়।

৮) ফাগুনত শিৱৰাত্ৰি পালন হয়।

৯) চ'তত শ্ৰী শ্ৰী কেশৱৰায়ক আবিৰ আদি দি ফল্গুৎসৱ মনা হয়।

১০) ব'হাগত মহাপ্ৰভুক নৱবস্ত্ৰ পৰিধান কৰোৱা হয়।

ইয়াৰ বাহিৰেও তিনিটা বিহু, অম্বুবাচী, দামোদৰদেৱৰ তিথি, শংকৰদেৱ-মাধৱদেৱৰ তিথি, জন্মাষ্টমী, সৰস্বতী পূজা, লক্ষ্মী পূজাত ভিন্ন ভাবে সেৱা - উপাসনা কৰে।

# চতুর্থ অধ্যায়

# চতুৰ্থ অধ্যায়

## খাটপাৰ সত্ৰৰ ঐতিহ্য

শিৱসাগৰ নগৰৰ পৰা দহ কিঃ মিঃ পূবলৈ কুজিবালি অঞ্চল। শিৱসাগৰ নামৰূপ মূল পথৰ পৰা হাৰিপৰা আলি বা কুজিবালি আলিয়েদি তিনি কিঃ মিঃ গৈ পোৱা ঢেকেৰীগাঁৱত আছে সত্ৰীয়া পৰম্পৰাৰে সমৃদ্ধ পুৰুষ সংহতিৰ 'খাটপাৰ' সত্ৰ। সত্ৰখন গৃহস্থী সত্ৰ। বৰ বাৰজনীয়া সত্ৰসমূহৰ অন্তৰ্ভুক্ত খাটপাৰ সত্ৰৰ পূৰ্বপুৰুষ সদানন্দদেৱ[১] শংকৰদেৱৰ পূৰ্বপুৰুষ চণ্ডীবৰ ভূঞাৰ লগতে কামৰূপলৈ আহিছিল। সেই সদানন্দদেৱৰ পঞ্চম পুৰুষত সতানন্দদেৱৰ জন্ম। সতানন্দদেৱে মহাপুৰুষজনাৰ ওচৰত ধৰ্ম শিক্ষা গ্ৰহণ কৰি গুৰু প্ৰদত্ত নাম 'বৰভকত' নামে জনাজাত হয়।[২] এই সতানন্দ বা বৰভকতৰ মূলসত্ৰ 'পতিগণ্ড' বুলি কোৱা হয়। সতানন্দৰ চাৰি পুত্ৰৰ ভিতৰত কনিষ্ঠ পুত্ৰ হৈছে শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণ। পুৰুষোত্তম ঠাকুৰে ছজন ব্ৰাহ্মণ আৰু ছজন কায়স্থ লগ লগাই বৰবাৰজনীয়া সত্ৰসমূহৰ সৃষ্টি কৰিছিল। এইসকলৰ ভিতৰত শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণই এলেঙ্গী (এলেঙী) সত্ৰসমূহৰ মূল প্ৰতিষ্ঠাতা।[৩] বাপুকৃষ্ণদেৱৰ দুজন পুত্ৰ বাপুৰামদেৱ আৰু শংকৰগতিদেৱ। বাপুৰামদেৱে সৰ্বতোপ্ৰকাৰৰ শিক্ষা সাং কৰি পিতৃ আজ্ঞা লৈ ধৰ্মপ্ৰচাৰত আত্মনিয়োগ কৰে আৰু উজনিৰ বহু ঠাইত ধৰ্মপ্ৰচাৰ কৰি তেখেত গড়গাঁও নগৰ পায়হি। কথিত আছে যে ৰাজহাউলীত ৰাজকুমাৰ আৰু অমাত্য বৰ্গৰ অনেকে তেখেতৰ ওচৰত দীক্ষিত হয়। সেই সময়ৰ আহোম ৰজা স্বৰ্গদেউ প্ৰতাপ সিংহই তেওঁৰ অবৰ্ত্তমানত হোৱা এনে কাৰ্য্যৰ বাবে

---

১) বেজবৰুৱা, লক্ষ্মীনাথ ঃ শ্ৰী শ্ৰী শংকৰদেৱ শ্ৰী শ্ৰী মাধৱদেৱ; পৃ. ৩

২) নেওগ, মহেশ্বৰ (সম্পাঃ), বৰদোৱা গুৰুচৰিত; পৃ. ৬৮

৩) গোস্বামী, কেশবানন্দ দেৱ ঃ সত্ৰ সংস্কৃতিৰ ৰূপৰেখা; পৃ. ৫-৬

ক্ৰোধান্বিত হৈ বাপুৰামদেৱক বিচাৰি সৈন্য নিয়োগ কৰে। সৈন্যসকলে বাপুৰামদেৱক বিচাৰি নাপাই তেওঁৰ ভাতৃ শংকৰগতিদেৱক মাতৃৰ সৈতে ধৰি আনি ৰজাৰ আগত দিয়েহি। শংকৰগতিৰ শান্ত-শিষ্ট আৰু সুন্দৰ চেহেৰা দেখি ৰাজদণ্ড নিদি ভ্ৰাতৃৰ অনুসন্ধানৰ বাবে সুবিধা ল'বলৈ নগৰৰ কাষতে ৰখাৰ ব্যৱস্থা কৰে। পিছত প্ৰতাপ সিংহৰ মাতৃ ৰাজমাওৰ অনুৰোধ ক্ৰমে ডিব্ৰুগড়ৰ জামিৰা অঞ্চলত থকা জামিৰা খাট বা আগতে জুই লাগি পোৰাৰ কাৰণে পোৰা খাটৰ (৭৪৫ পুৰা) ২৯৮০ বিঘা মাটিত নামঘৰ, মণিকুট সজাই এখন চতুৰ্ভুজ কলীয়া ঠাকুৰৰ (বিষ্ণু) মূৰ্ত্তি, এঘৰ পূজাৰী ব্ৰাহ্মণ আৰু ১২০ ঘৰ পাইকসহ সকলোধৰণৰ সা-সম্পত্তি দি সত্ৰ প্ৰতিষ্ঠা কৰি দিয়ে। ৰাজমাওপ্ৰদত্ত পোৰা মাটিত প্ৰতিষ্ঠিত এই সত্ৰখনিয়ে পিছলৈ শ্ৰী শ্ৰী খাটপাৰ সত্ৰ নামেৰে জনাজাত হয়।[৪] শংকৰগতিদেৱৰ বলোৰাম, মাধৱৰাম আৰু সোণাৰাম নামৰ তিনিপুত্ৰৰ বৰপুত্ৰ খাটপাৰৰ অধিকাৰ পদত বহে। বলোৰামদেৱৰ পুত্ৰ চাৰিজন— মধুৰাম, যাদৱৰাম, উত্তমৰাম আৰু শিশুৰাম। উত্তমৰাম মূল সত্ৰৰ অধিকাৰ হৈ থাকে। পৰৱৰ্ত্তী কালৰ খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰসকলৰ নাম উল্লেখ কৰা হ'ল—

শংকৰগতিদেৱ
↓
বলোৰামদেৱ
↓
উত্তমৰামদেৱ
↓
হৰিশ্চন্দ্ৰদেৱ
↓
হৰিদেৱ
↓
পৰশুৰামদেৱ
↓
পূৰ্ণানন্দদেৱ
↓
বিভূদেৱ
↓
চন্দ্ৰকান্তদেৱ

৪) মহন্ত, ৰেৱকান্ত ঃ শ্ৰী শ্ৰী খাটপাৰ সত্ৰৰ চমু ইতিবৃত্ত আৰু বংশাৱলী কথন; পৃ. (ঠ)

হৰিকান্তদেৱ

↓

নৰানন্দদেৱ

↓

হেমকান্তদেৱ

↓

দেৱানন্দদেৱ

↓

গোপীকান্তদেৱ আৰু বৰ্তমান সত্ৰাধিকাৰ নিত্যানন্দদেৱ।

সত্ৰাধিকাৰ হৰিকান্তদেৱৰ দিনতেই মোৱামৰীয়াসকলৰ অত্যাচাৰত থাকিব নোৱাৰি নিজ শিষ্যসকল থকা এটা অঞ্চল চাৰিং ৰতনপুৰীয়া গাঁৱলৈ আহি সত্ৰ প্ৰতিষ্ঠা কৰে। তেখেতৰ পুত্ৰ হৰিদেৱে পুনৰ সত্ৰ স্থানান্তৰ কৰি শিৱসাগৰ বেতবাৰী মৌজাৰ দৰিকা নৈৰ পাৰৰ ডিমুৱাল অঞ্চলত সত্ৰ পাতি থাকে। সেই স্থানতো সত্ৰৰ আৱশ্যকীয় ভূমিৰ অভাৱত স্থানীয় কেইবাজনো সত্ৰানুৱৰ্ত্তী লোকৰ সহযোগত (১৬৮২) শক ১৭৬০ চনত বৰ্ত্তমান সত্ৰ থকা স্থানতে সত্ৰ প্ৰতিষ্ঠা কৰে। তেখেতে ব্ৰহ্মপুত্ৰ নদীৰ পৰা সৰল পদ্ম কাঠৰ খুঁটা চতি আনি খেৰৰ চাৱনি দি এটি বৰ নামঘৰ সাজে বৰ্ত্তমান সত্ৰৰ নামঘৰ থকা ঠাইতে। সেই নামঘৰতে সুদীৰ্ঘকাল সত্ৰৰ কাম চলি থাকে। তেখেতৰ পুত্ৰ পৰশুৰামদেৱৰ ১৮৬০ চনত মৃত্যুপৰ্য্যন্ত উক্ত ঘৰতে কাৰ্যনিৰ্বাহ কৰে। হৰিশ্চন্দ্ৰদেৱৰ পূৰ্ণানন্দদেৱ, কৃষ্ণানন্দদেৱ আৰু বিভূদেৱ নামৰ তিনিজন পুত্ৰ আছিল। বৰ পুত্ৰ পূৰ্ণানন্দদেৱে সুদীৰ্ঘ পঞ্চাছ বছৰ কাল সত্ৰাধিকাৰ আসনত থাকে। পৰবৰ্ত্তী কালত তেখেতৰ কনিষ্ঠ ভাতৃ বিভূদেৱ সত্ৰাধিকাৰ আসনত বহে। তেখেতে সাত বছৰ সত্ৰাধিকাৰ পদত থাকে। বিভূদেৱৰ মৃত্যুৰ পাছত বৰ পুত্ৰ চন্দ্ৰকান্তদেৱ সত্ৰাধিকাৰ আসনত বহে। এই জনা সত্ৰাধিকাৰে আসনত অধিষ্ঠিত হৈয়ে সত্ৰীয়া সংস্কৃতিৰ কেন্দ্ৰস্থল বৰদোৱাৰ পৰা সত্ৰীয়া নৃত্য-গীত বাদ্যাদিৰ শিক্ষাদানৰ কাৰণে শান্তিৰাম গায়ন পৰিয়ালসহ বহু বছৰ নিজা ঘৰতে সত্ৰত ৰাখি সেই সময়ত নিজ পুত্ৰসহ সত্ৰত থকা কিশোৰ আৰু যুৱকসকলক সত্ৰীয়া নৃত্য গীত আৰু বাদ্যত পাকৈত কৰি তোলে। সত্ৰলৈ যাতায়াতৰ ভাল পথ নথকাৰ কাৰণে ১৯২৮ চনত ১ মাইল দৈৰ্ঘ্যৰ পথ নিজৰ স্থাৱৰ সম্পত্তি ১৬ পূৰা (৬৪ বিঘা) মাটি বিক্ৰীৰে নিৰ্মাণ কৰি দিয়ে। দেশ স্বাধীনতাৰ কাৰণে সেই সময়ছোৱাত চলি থকা বিভিন্ন আন্দোলনত অংশগ্ৰহণ কৰি স্বাৱলম্বী হোৱাৰ বাবে সমীপস্থ

ৰাইজক উদগনি যোগাই নিজৰ একমাত্ৰ পুত্ৰ গোপীকান্ত দেৱকো ম্লেছ ভাষা নপঢ়াই মজলীয়া বিদ্যালয়ত শিক্ষা গ্ৰহণৰ কাম সামৰণি মাৰিলে। চন্দ্ৰকান্ত দেৱে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, ৰামচৰণ ঠাকুৰ দৈত্যাৰী ঠাকুৰ আদিয়ে লিখা নাট সমূহৰ ভাওনাবোৰ কৰিবৰ কাৰণে নিজে মুখা সাজি, অংকীয়া শৈলীত নিজে ১৮ খন নাট - ৰামায়ণ, মহাভাৰত, ভাগৱত আৰু পুৰাণৰ পৰা সংকলন কৰি সেইবোৰ নাট ভাওনা সত্ৰত কৰায়। তাৰ বাবেও ভাওনাৰ সকলো আহাৰ্য্য সম্ভাৰ নিজে তৈয়াৰ কৰি নিজ পুত্ৰসহ (গোপীকান্ত মহন্ত) সত্ৰ অনুৰাগী লোকসকলক শিক্ষা দিয়ে। জিলাখনৰ সকলো স্বাধীনতাৰ যুঁজাৰু লোক আহি কানি নিবাৰণ আৰু বিদেশী বস্ত্ৰ বৰ্জন আদি আন্দোলনৰ কাৰ্য্যক্ৰমসমূহৰ বহু গুৰুত্বপূৰ্ণ সভা এই সত্ৰত অনুষ্ঠিত হৈছিল। এইজনা সত্ৰাধিকাৰৰ ১৯৪৪ চনত মৃত্যু হোৱাৰ পাছত ভ্ৰাতৃ হৰিকান্তদেৱ সত্ৰৰ অধিকাৰ হয়। মাত্ৰ এবছৰ কাল তেখেত সত্ৰাধিকাৰ হয়। পৰৱৰ্ত্তী কালত কৃষ্ণানন্দদেৱৰ পুত্ৰ নবানন্দদেৱ জেষ্ঠানুক্ৰম অনুসৰি ১৯৪৬ চনত সত্ৰাধিকাৰ পদত অধিষ্ঠিত হয়। নৱানন্দদেৱ সত্ৰাধিকাৰ হোৱাৰ পাছত তেখেতৰ তিনিজন পুত্ৰ মহামাৰীত আক্ৰান্ত হৈ মৃত্যু হয়। গীত-বাদ্য-নৃত্য আৰু নাম-প্ৰসঙ্গত পাকৈত এই সত্ৰাধিকাৰজনৰ দিনতে ১৯৫০ চনৰ ভূমিকম্পত সত্ৰৰ নামঘৰ জৰাজীৰ্ণ হৈ পৰে। তেখেতৰ পাছত বিভূদেৱৰ কনিষ্ঠ পুত্ৰ হেমকান্তদেৱ সত্ৰৰ গাদীত বহে। ১৯৫৯ চনত তেখেতৰ মৃত্যুৰ পাছত পূৰ্ণানন্দদেৱৰ পুত্ৰ দেৱানন্দদেৱ জ্যেষ্ঠানুক্ৰম প্ৰথা অনুসৰি সত্ৰাধিকাৰ পদত অধিষ্ঠিত হয়। এইজনা সত্ৰাধিকাৰে ৯৬ বছৰ বয়সতো ভাদ মাহৰ গুৰু কীৰ্ত্তনত সূত্ৰধাৰৰ ভাও দিছিল। ৯৯ বছৰ বয়সত ১৯৯০ চনত তেখেতৰ মৃত্যু হয়।[৫] ইয়াৰ পাছত গোপীকান্ত মহন্ত জ্যেষ্ঠানুক্ৰম অনুসৰি সত্ৰাধিকাৰ পদত অধিষ্ঠিত হয়। ১৯৯২ চনত সত্ৰাধিকাৰৰ নিৰ্মালি গ্ৰহণ কৰিলেও তাৰ আগতেই সত্ৰৰ নামঘৰ, মণিকুট, বাটচ'ৰা, তোৰণ আদি নিৰ্মাণ কৰাই সম্পূৰ্ণ কৰিছিল। তদুপৰি সামাজিক, সাংস্কৃতিক, আধ্যাত্মিক শিল্পকলাৰ ক্ষেত্ৰত নিজৰ অধ্যৱসায়ৰ বাবেই সত্ৰখনিক অসমতেই নহয় সমগ্ৰ দেশৰ ভিতৰতে সুকীয়া আসন দিয়াইছিল তেখেতৰ জীৱিত কালতেই ভাওনাত ব্যৱহৃত মুখাক ন-ৰূপত গঢ় দিওঁতাসকলৰ অন্যতম প্ৰধান কাৰিকৰ আছিল গোপীকান্ত মহন্তদেৱ। ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে অসমৰ মুখা শিল্পৰ বিষয়ে

---

৫) সংবাদদাতা ঃ হেৰকান্ত মহন্ত, খাটপাৰ সত্ৰ।

এখনি তথ্য-চিত্ৰ কৰিছিল এই তথ্যচিত্ৰখন কৰাৰ কথা তেখেতৰ মনত কেনেকৈ সোমাল এইদৰে কৈছে — [৬]

অসমৰ মুখাশিল্পৰ বিষয়ে তথ্যচিত্ৰ এখন কৰাৰ কথা মোৰ মনলৈ কেনেকৈ আহিল বাৰু। যতদূৰ সম্ভৱ শিৱসাগৰৰ খাটপাৰ সত্ৰৰ মুখাশিল্প দেখিয়েই চাগৈ। খাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত গোপীকান্ত মহন্ত ডাঙৰীয়া কিমান যে বিচক্ষণ ব্যক্তি আছিল। তেখেতৰ গুণৰ কথা কৈ শেষ কৰিব নোৱাৰি। বাদ্যই, নৃত্যই, ভাওনাই বচনে, মুখাশিল্প, চাৰু-কাৰু শিল্পসকলোতে তেখেত অতি সুদক্ষ আছিল। তেখেতৰ পুত্ৰ ৰেৱকান্ত মহন্ত মোৰ ডাঙৰ ভাই সোণৰ যুৰীয়াই হ'ব। তেৰোঁ উত্তৰাধিকাৰী সূত্ৰে পিতৃৰ পৰা অশেষ গুণ লাভ কৰিছে। এই গুণী ব্যক্তি দুজনে তেওঁলোকৰ ৰূপদক্ষ হাতেৰে নিৰ্মিত হেঙুল হাইতাল চৰোৱা অজস্ৰ সুন্দৰ সুন্দৰ মুখা সত্ৰত দেখি মই অতিশয় মুগ্ধ হৈছিলো। এনে শিল্পৰ চৰ্চা অসমৰ আৰু ক'ত ক'ত আছে অনুসন্ধান কৰিছিলো আৰু ক্ৰমান্বয়ে লুপ্ত হৈ অহা এই মহান ঐতিহ্যৰ প্ৰতিটো দিশ ৰেকৰ্ড কৰি ৰখাৰ বাসনা জন্মিছিল।

গোপীকান্ত মহন্তই বাঁহ-বেতৰ পৰা বিভিন্ন টেমা নিৰ্মাণ কৰিছিল। ১৯৭৫ চনত শিৱসাগৰ যুৱ দলে ৰঙালী বিহু সন্মিলন উপলক্ষে অসম ভ্ৰমণলৈ অহা সেই সময়ৰ পঞ্জাৱৰ মুখ্যমন্ত্ৰী গিয়ানী জেইল সিঙক ৰাজহুৱা সম্বৰ্দ্ধনা জনোৱা মুগাৰ কাপোৰত ছপোৱা সম্বৰ্দ্ধনা পত্ৰখনি ভৰাই দিবলৈ গোপীকান্ত মহন্তই বাঁহৰ চুঙাত বেতেৰে গুঠি সাঁফৰ মাৰিব পৰা ব্যৱস্থাৰে এটি টেমা দিছিল।

গোপীকান্ত মহন্ত সত্ৰীয়া শিল্পী হোৱাৰ উপৰিও তেখেত কৃষক গ্ৰাম্য চিকিৎসক, হাতী চিকাৰী, মুগা পালক হিচাপেও জনাজাত।

**খাটপাৰ সত্ৰত পালনীয় ৰীতি-নীতি ঃ**

**চৈধ্য প্ৰসঙ্গ ঃ** সত্ৰৰ দৈনিক পালনীয় কৰ্তব্যৰ ভিতৰত চৈধ্য প্ৰসঙ্গ অন্যতম। এই চৈধ্য প্ৰসঙ্গৰ প্ৰৱৰ্তনকাৰী হিচাপে কোনো কোনো চৰিত্ৰ পুথিৰ মতে মাধৱদেৱকে ধৰা হয় যদিও

৬) নিৰ্মলপ্ৰভা বৰদলৈ ঃ জীৱন জীৱন বৰ অনুপম; পৃ. ১৬৬

তেওঁৰ পিছত গুৰুৰ নাতি পুৰুষোত্তম ঠাকুৰেহে প্ৰসঙ্গ প্ৰণালীৰ বিশদ ৰীতি নীতিৰে এক সুনিৰ্দিষ্ট ৰূপ দিয়ে।[৭] এই চৈধ্য প্ৰসঙ্গ হৈছে সত্ৰত দৈনিক পালনীয় প্ৰাৰ্থনাৰ ৰীতি।

**খাটপাৰ সত্ৰত** - ১) প্ৰাতস বা পুৱাৰ প্ৰসঙ্গ ২) ডেৰ পৰীয়া বা দুপৰৰ প্ৰসঙ্গ, ৩) আবেলিৰ প্ৰসঙ্গ ৪) সন্ধ্যাৰ প্ৰসঙ্গ আৰু ৫) গধূলিৰ প্ৰসঙ্গ - এই পাঁচোটি সময়ত কৰা বৰগীত, ঘোষা, কীৰ্ত্তন পাঠ বা উপদেশ, গুণমালা, ভটিমা আদি কাৰ্যসমূহৰ ওপৰত ভিত্তি কৰি কিদৰে চৈধ্য প্ৰসঙ্গ কৰা হয় তাৰ বিৱৰণ পৃথকে দেখুওৱা হ'ল —

**১) প্ৰাতস বা পুৱাৰ প্ৰসঙ্গ ঃ** সত্ৰৰ ভকতসকলে পুৱাৰ দোকমোকালিতে উঠি শুচি সংযমন হৈ কীৰ্ত্তন ঘৰত প্ৰৱেশ কৰি তিথি উৎসৱ আদি হ'লে প্ৰথমে খোল প্ৰসঙ্গ কৰি শ্যাম, অহিৰ, ললিত, কৌ, কল্যাণ আৰু পূৰ্বী ৰাগৰ যিকোনো এটি ৰাগ দি সেই ৰাগৰ এটি বৰগীত বিশেষ সুৰত গাই ঘোষা আৰম্ভ কৰে। শংকৰদেৱৰ নামঘোষা, নান্দীঘোষা আৰু নামছন্দ, লেছাৰী, দুলৰী আদিৰ পৰা চাৰিটি ঘোষা গাই এটি ন-ঘোষা গাই দুটি বা এটি কীৰ্ত্তন দিয়ে। কীৰ্ত্তনৰ শেষত নাম সামৰি সেৱা ধৰে। পাছত এটি উপদেশ মাতে। এই উপদেশ ভাগৱত, ৰত্নাৱলী আদি শাস্ত্ৰৰ পৰা গোৱা হয়। এই পুৱাৰ প্ৰসঙ্গ ভাগত গীত প্ৰসঙ্গ, নাম প্ৰসঙ্গ আৰু পাঠ প্ৰসঙ্গৰ হিচাপত তিনি প্ৰসঙ্গ কৰা বুলি ধৰি লোৱা হয়।

**২) ডেৰপৰীয়া প্ৰসঙ্গ বা দুপৰীয়া প্ৰসঙ্গ ঃ** এই প্ৰসঙ্গ পুৱা ন-বজাৰ পৰা এঘাৰ বজাৰ ভিতৰত কৰা হয়। এই প্ৰসঙ্গ ভাগত প্ৰথমে গীত প্ৰসঙ্গ আৰম্ভ কৰা হয়। খোল প্ৰসঙ্গৰ ব্যৱস্থা তিথি, পাৰ্বন বা উৎসৱ আদিতহে কৰা হয়। খোল প্ৰসঙ্গ কৰোঁতে প্ৰথমতে খোলৰ জোৰণী, চাহিনী, ধুমুহী গুৰুঘাট বজোৱাৰ পাছত ৰাগ ধেমালি আৰম্ভ কৰে। উক্ত ৰাগ ধেমালিতে পুৱাৰ প্ৰসঙ্গৰ সময়তে গোৱা ৰাগ সমূহৰে যিকোনো এটি ৰাগ দি সেই ৰাগৰ এটি বৰগীত নিৰ্দিষ্ট তালত ঘাত, চোক, জামান আৰু ভঙ্গী ব্যৱহাৰ কৰি গোৱা হয়। কেৱল এখন তালকে ব্যৱহাৰ নকৰি অন্যান্য কেইবাখনিও তাল ব্যৱহাৰ কৰিও গীতটি সম্পূৰ্ণকৈ

---

৭) গোস্বামী, কেশৱানন্দ দেৱ ঃ পূৰ্বোক্ত গ্ৰন্থ; পৃ. ২৭

গাই শেষত এফাঁকি ঘোষা গাই সেৰা ধৰি গীত প্ৰসঙ্গৰ সামৰণি মাৰে। নান্দী ঘোষা গোৱাৰ পাছত নামঘোষাৰ নাম ছন্দৰ পৰা চাৰিটা ঘোষা গাই এটি ন-ঘোষা গোৱা হয়। তাৰ পাছত কীৰ্ত্তন গাই নাম সামৰি সেৰা ধৰে। কীৰ্ত্তনৰ পাছত ভাগৱত, দশম, ৰত্নাৱলী - যিকোনো এখনৰ পৰা নিত্য পাঠ পঢ়া হয়। এই ভাগি প্ৰসঙ্গতো তিনি প্ৰসঙ্গৰ লেখ লোৱা হয়।

৩) **আবেলিৰ প্ৰসঙ্গ বা বিয়লিৰ প্ৰসঙ্গ ঃ** এই ভাগ প্ৰসঙ্গতো বসন্ত, আশোৱাৰী, মাহুৰ, ধনশ্ৰী, ভাটিয়ালী, ভূপালী, বেলোৱাৰ, শ্ৰীগান্ধাৰ সুহাই আদি ভাগৰ নিৰ্দিষ্ট এটি বৰগীত নিৰ্দিষ্ট ৰাগ-সুৰ লয়ত পৰিতাল, একতাল, ৰচকতাল, বৰজৌতি ধৰমজৌতি, মাঠজৌতি, ৰূপক, ৰূপ-গঞ্জল, বৰ-বিষম, সৰু-বিষম, সুতাৰ, গঞ্জল, আঠতলা, দহবাৰী দোমানী, আদি তালৰ ভিতৰত যিকোনো এখন বা কেইবাখনি তাল ব্যৱহাৰ কৰি তালৰ অংশ বিশেষ ঘাত, গা-মান, চোক, জামান, ভঙ্গী আদি ব্যৱহাৰ কৰি প্ৰচলিত ব্যৱস্থা অনুসৰি গাই সেৰা ধৰে।

সাধাৰণতে কেৱল ভাদ মাহতহে এই ভাগ প্ৰসঙ্গত খোল প্ৰসঙ্গ কৰা হয়। অন্য সময়ত ওপৰোক্ত ৰাগ সমূহৰ যিকোনো ৰাগৰ এতি বৰগীত সেই ৰাগ-সুৰ লয়তে কোনো বাদ্য ব্যৱহাৰ নকৰাকৈয়ে গাই সেৰা ধৰি নাম প্ৰসঙ্গৰ কাম আৰম্ভ কৰা হয়। নান্দী ঘোষা গোৱাৰ পাছত ঘোষা-ছন্দৰ পৰা চাৰিটি ঘোষা আৰু এটি ন-ঘোষা গাই এটি বা দুটি কীৰ্ত্তন দি সামৰাৰ পাছত সেৰা ধৰি এটি উপদেশ মাতে। এই প্ৰসঙ্গতো গীত, নাম আৰু পাঠ এই তিনি প্ৰসঙ্গৰ লেখ লোৱা হয়।

৪) **সন্ধ্যাৰ প্ৰসঙ্গ ঃ** এই ভাগ প্ৰসঙ্গৰ সময়ত সন্ধ্যাৰ লগে লগে কীৰ্ত্তন ঘৰত প্ৰৱেশ কৰি চাকি বন্তি প্ৰজ্বলন কৰি ডবা, কাঁহ, শঙ্খ, ঘন্টা, ভোৰ-তাল লৈ শব্দ ধ্বনি কৰাৰ পাছত আসনত বহি অকলে বা লগ সঙ্গ লৈ প্ৰথমে গুৰু ভটিমা গাই পাছত একাদিক্ৰমে দেৱ-ভটিমা, গুণমালা, লীলা-মালা, চপয়, টোটয় আদি গোৱাৰ পাছত সেৰা ধৰি পুনৰ এটি বা দুটি উপদেশ মাতি সেৰা ধৰি এই ভাগ প্ৰসঙ্গৰ সামৰণি মাৰে। এই প্ৰসঙ্গ ভাগত গুণমালা আৰু ভটিমা আদিত এক আৰু উপদেশ বা পাঠত এক মুঠ দুই প্ৰসঙ্গ কৰা বুলি লেখত সামৰি লোৱা হয়।

৫) **গধূলি প্ৰসঙ্গ ঃ** সাধাৰণতে সত্ৰসমূহত গধূলিৰ প্ৰসঙ্গ ভাগ খোল প্ৰসঙ্গৰে আৰম্ভ কৰে। খাটপাৰ সত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। ইয়াতো খোলৰ জোৰণী, চাহিনী, ধুমুহী আৰু গুৰুঘাত মাৰি ৰাগ ধেমালিত ধৰে। ৰাগ ধেমালিৰ বাজনা ভাগতে বসন্ত, আশোৱাৰী, মাহুৰ, ধনশ্ৰী, ভাটিয়ালী, গৌৰী, বৰাড়ী, ভূপালী, শ্ৰী গান্ধাৰ, বেলোৱাৰ, সুহাই আদি ৰাগ সমূহৰ পৰা যিকোনো এটি ৰাগ দি সেই ৰাগৰ এটি বৰগীত নিৰ্দিষ্ট সুৰ, লয় আৰু তালত আৰম্ভ কৰি গোৱা হয়। উক্ত নিৰ্দিষ্ট তালৰ উপৰিও পৰিতাল, একতাল, ৰচকতাল, বৰজৌতি, মাঠজৌতি, ধৰমজৌতি , সৰু-বিষম, বৰ-বিষম ৰূপক, ৰূপ গঞ্জল, সুতাৰ, গঞ্জল, আঠতলা, দহবাৰী, দোমানী আদি তালৰ ঘাত, গা-মান, চোক, জামান আৰু ভঙ্গী আদি বিভিন্ন অংশ ব্যৱহাৰ কৰি গোৱাৰ প্ৰচলিত ব্যৱস্থা অনুসৰি গাই সেৱা ধৰে। পুনৰ নাম আৰম্ভ কৰি নান্দী-ঘোষা, ঘোষাছন্দৰ ঘোষা আৰু ন-ঘোষা গাই, এটি বা দুটি কীৰ্ত্তন গাই নাম সামৰি সেৱা ধৰে। পুনশ্চ নিত্য পাঠৰ একো অংশ পাঠৰ গাই সেৱা ধৰি হৰিধ্বনি কৰে। এই প্ৰসঙ্গতো গীত, নাম আৰু পাঠকে ধৰি তিনি প্ৰসঙ্গৰ লেখ লোৱা হয়।

এইদৰে প্ৰাতস, ডেৰ পৰীয়া, বিয়লি, সন্ধ্যা আৰু গধূলিৰ প্ৰসঙ্গ সামৰি এই চৈধ্য প্ৰসঙ্গ 'খাটপাৰ সত্ৰত' পূৰ্বানুপৰ চলি আহিছে। চৈধ্য প্ৰসংগৰ মাজতে পুৱা আৰু আবেলি আই সকলেও নাম লয়।

**আচাৰ-ৰীতি পালনত পুৰুষ মহিলাৰ প্ৰভেদ ঃ** ধৰ্মীয় ৰীতি-নীতি পালনৰ ক্ষেত্ৰত স্বাস্থ্যজনিত প্ৰতিবন্ধকতাৰ বাহিৰে পুৰুষ মহিলাৰ বিশেষ প্ৰভেদ নাই।

**জন্ম-মৃত্যু সম্পৰ্কীয় ৰীতি-নীতি ঃ** সন্তান জন্ম হোৱাৰ পাছত মাতৃ গৰাকীয়ে মাহেকলৈ অশৌচ পালন কৰে। মাহেকৰ মূৰত শুচি সংযমন হৈ ভগৱানৰ ওচৰত সেৱা প্ৰাৰ্থনা জনাই।

কোনো লোকৰ মৃত্যুৰ পাছত তিনিদিনত তিলানী, দহদিনত দহা আৰু এঘাৰ দিনত আদ্যশ্ৰাদ্ধ সম্পন্ন কৰা হয়। তিনিদিনলৈকে লঘোনত থাকে। বাকী দিনকেইটাত হবিষ্যান্ন গ্ৰহণ কৰা হয় এঘাৰ দিনলৈকে। এঘাৰ দিনত আদ্যশ্ৰাদ্ধৰ কাম নাম-প্ৰসংগৰে সমাপ্ত কৰি ৰাতিলৈ নাম এষাৰ আয়োজন কৰি পিছদিনাখন সিদ্ধান্ন গ্ৰহণ কৰি (দুপৰৰ আহাৰৰ সময়তে) ভকতসকলৰ লগত সমৱৰ্তী হৈ ব্ৰতৰ সামৰণি মাৰে।

এইবিলাকৰ উপৰিও আঁউসী, একাদশীত ব্ৰত পালন কৰা হয়।

**খাটপাৰ সত্ৰৰ পালনীয় উৎসৱ পাৰ্বন ঃ**

১) **শ্ৰীকৃষ্ণকেন্দ্ৰিক উৎসৱ ঃ**

ক) **জন্মাষ্টমী আৰু বোকা ভাওনা ঃ** পুৱাতে খোল-প্ৰসঙ্গ কৰি শ্যাম ৰাগৰ 'পৰভাতে সুমৰো গোবিন্দ হৃষিকেশ গোপনন্দ ভৱনে বেকত গোপ কেশ' এই বৰগীতটি গোৱা হয়। মঞ্জিৰা তাল লৈ নান্দী ঘোষা, চাৰিটি নামঘোষা, এটি- ন ঘোষা আৰু দুভাগ কীৰ্ত্তন গাই সেৱা জনাই প্ৰাতঃ প্ৰসঙ্গৰ সামৰণি মৰা হয়। ৰাতিপুৱা আকৌ আইসকলৰ নাম কীৰ্ত্তন আৰম্ভ হয়। আইসকলেও তদনুৰূপ ঘোষা, কীৰ্ত্তন আৰু শ্ৰীকৃষ্ণৰ জন্ম বিষয়ক দিহা (বসুদেৱ দৈৱকীৰ বিয়াৰ পৰা আৰম্ভ কৰি কৃষ্ণ জন্মলৈকে ) গাই নাম সামৰে —

দিহা ঃ

(১) ভাদ্ৰ মাসতে ৰোহিণী নক্ষত্ৰ এ'
অষ্টমীৰ দিনা ৰাতি।
পদ্মৰ পাততে গোসাঁই উপজিলে
সুগন্ধি লগাইছে বাতি।।

(২) ঘোৰ অন্ধকাৰে শিলা বৰষিলে এ
নুশুনি প্ৰজাৰ মাত।
পালি পহৰীয়া সৱে নিদ্ৰা গৈলে
উপজিলে জগন্নাথ।।

ন-মান বজাৰ পাছতে পুৰুষ সকলৰ খোল প্ৰসঙ্গ আৰম্ভ হয়। সত্ৰীয়া আৰ্হিমতে প্ৰসঙ্গৰ আৰম্ভণিতে জোৰণী, চাহিনী, ধুমুহী আৰু গুৰুঘাত বজাই ৰাগ ধেমালি গায়। ৰাগ ধেমালি গাওতে পুৰুষ সকলে শ্যাম ৰাগৰ 'পৰভাতে সুমৰো গোবিন্দ' গীতটি বিভিন্ন তাল, মান ব্যৱহাৰ কৰি সকলোৱে গায়; গুৰুস্মৰণ কৰে। তাৰ পাছত অহিৰ ৰাগৰ 'গোৱিন্দ চিন্তহু বাল গোপালং' গীতটিও বিভিন্ন তাল, মান সুৰ, লয়ত গাই খোল প্ৰসঙ্গ সামৰে। নাম প্ৰসঙ্গ আৰম্ভ হয়। সেইদিনাখন ঘোষা গাওঁতে 'দীন দয়াশীল দেৱ দামোদৰ'

এই নামছন্দ ঘোষাটোৰ পৰা আৰম্ভ কৰি তাৰ তলৰ আৰু তিনি যুতি ঘোষা গোৱা হয়—

দীন দয়াশীল দেৱ দামোদৰ হৰি দামোদৰ।

দামোদৰ দামোদৰ দেৱ দামোদৰ।।

অনাদি অনন্ত সদাশিৱ সনাতন হৰি এ

নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন।

নিত্য নিৰঞ্জন নিত্য নিৰঞ্জন হৰি নিত্য নিৰঞ্জন।।

ইয়াৰ পিছত এফাঁকি ন-ঘোষা গোৱাৰ পাছত কীৰ্ত্তন আৰম্ভ হয়। কীৰ্ত্তনত 'কৃষ্ণ গোপাল করুণাময় ৰাম ৰাম হৰি' কীৰ্ত্তন ভাগ গাই 'ৰাম পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে' আৰু 'কৃষ্ণ সূৰ্য ভৈলন্ত উদিত নাম ধৰ্ম কৰিলা বিদিত' এই তিনি ভাগ কীৰ্ত্তন গাই নাম সামৰে। ইয়াৰ পিছত নিত্য পাঠ আৰম্ভ হয়। সেইদিনা নিত্য পাঠত কৃষ্ণ জন্ম বিষয়ক পাঠ পঢ়া হয়। তাৰ পাছত গায়ন বায়ন আদিয়ে বিভিন্ন বাদ্য বজাই কীৰ্ত্তন ঘৰ মুখৰিত কৰি ডেৰ পৰীয়া প্ৰসঙ্গৰ সামৰণি মাৰি প্ৰসাদ আদি বিতৰণ কৰে।

পুনৰ আইসকলে বিয়লি প্ৰসঙ্গ কৰে। সন্ধিয়াৰ লগে লগে ডবা, শংখ, কাঁহ ঘণ্টা বজাই চাকি-বন্তি লগাই গুরু-ভটিমা, দেৱ-ভটিমা, গুণমালা, লীলা-মালা, চপয়, টোটয় আদি গোৱাৰ পাছত দুটি উপদেশ দি সন্ধ্যা প্ৰসঙ্গ সামৰে।

গধূলি প্ৰসঙ্গতো খোল-তালেৰে প্ৰসঙ্গ আৰম্ভ কৰি ধনশ্ৰী ৰাগৰ 'নাৰায়ন কাহে ভকতি কৰো তেৰা' বা ভাটিয়ালী ৰাগৰ 'হৰি মোৰ হৰি মোৰ এ দীন দয়াল' গীতৰ যিকোনো এভাগি গায়। তাৰ পিছত নাম আৰম্ভ হয়। নান্দী ঘোষা গোৱাৰ পাছত 'বেদৰ গুপুত বিত্ত নাৰায়ন এ দৈৱকীত হন্তে সাক্ষাত বিদিত' ঘোষাটি একাদিক্ৰমে চাৰি যুতি গোৱা হয় — তাৰ পাছত দুটি কীৰ্ত্তন দি নাম সামৰে।

নাম সামৰাৰ পাছত গায়ন বায়নে 'যোৰা' গোৱা আৰম্ভ কৰে। আঁৰিয়া, অগ্নিগড় আদি জ্বলাই লৈ গায়নৰ নান্দী শ্লোক, 'শ্ৰীমৎযশোদা সুত পুত কমলে' গাই হৰিধ্বনি কৰি ডবা শংখ, ঘন্টা, কাঁহ বজাই গায়নৰ জোৰণি আৰম্ভ কৰে। জোৰণীৰ পাছত বহা চাহিনী, উঠা চাহিনী ৯খন গোৱাৰ পাছত দুখন ধুমুহীত দুজনা গুরুক স্মৰণ কৰি বৰধেমালি আৰম্ভ কৰে। বৰধেমালিৰ সাতোটা সঁচাৰ বজাই আধ্যাত্মিক দৃষ্টিৰে সপ্ত বৈকুণ্ঠৰ পট নিৰ্মাণ কৰি লোৱা হয়। ঘোষা-ধেমালি আৰম্ভ কৰি প্ৰথম চাৰি যুতি ঘোষা গাই পৰম শ্ৰীকৃষ্ণক সপ্ত

বৈকুণ্ঠত প্ৰতিষ্ঠা কৰাৰ লগতে হস্তমুদ্ৰাৰে তুতি নিবেদন কৰে। ঘোষা ধেমালিৰ পাছত ৰাগ ধেমালি আৰু চোক ধেমালি গাই গায়নৰ কাম সামৰে। ইয়াৰ পিছত গোপাল আতা কৃত 'জন্ম যাত্ৰা' নাট ভাওনা আৰম্ভ হয়। সেইদিনাখন কৃষ্ণৰ জন্মলৈকেহে প্ৰদৰ্শন কৰি সামৰি থোৱা হয়। পিছদিনাখন নাটৰ পাছৰ অংশ, কৃষ্ণ জন্ম হোৱা বুলি গম পাই নন্দ-যশোদাৰ ঘৰলৈ ঢাপলি মেলা আৰু তাত স্ফূৰ্তি কৰা 'গোপ উৎসৱটো' (বোকা-ভাওনা) দিনতে কৰা হয়। বোকা-ভাওনাৰ পাছত পুনৰ হাত চাপৰি বজাই কেইটিমান দিহা নাম গাই বোকা-ভাওনাৰ ভকতৰ পদ-ধূলি নিত্য নৈমিত্তিক সেৱা কৰোঁতে মৃত্তিকা ল'বলৈ সংগ্ৰহ কৰি থৈ দিয়া হয়।

**খ) ফল্গুৎসৱ ঃ** ইয়াতো তদনুৰূপভাৱে নাম-কীৰ্ত্তন হয়। আৰু ফল্গুৎসৱ সম্পৰ্কীয় গীত, ঘোষা, কীৰ্ত্তন দুজনা গুৰুৰ কৃতৰ পৰা লৈ কৰা হয়। ফল্গুৎসৱৰ আগদিনা খন সত্ৰৰ নামঘৰত এখনি শৰাই দি নাম প্ৰসঙ্গ আদি আৰম্ভ কৰি বোকা আদি ছটিওৱা হয়। ফল্গুৎসৱৰ দিনা নাম-গুণ কৰাৰ পিছত মণিকূটৰ বিগ্ৰহ কলীয়া ঠাকুৰক মুকলিলৈ উলিয়াই আনি ৰখা হয় আৰু গায়ন-বায়নৰ সৈতে এখন গৰুড় বাহন তৈয়াৰ কৰি বা চাৰিজন মানুহে কান্ধত তুলি (আসন সহ) সমীপস্থ অঞ্চল ভ্ৰমণ কৰে। ভ্ৰমণ কৰাৰ সময়ত খোল, তাল, শংখ, ঘণ্টা, আদি বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰি ওলাহেৰে নৃত্য আদি কৰি অঞ্চলটো মুখৰিত কৰি মূৰ্ত্তি জনাক নামঘৰলৈ আনে আৰু ভক্ত সকলে সেৱা সৎকাৰ জনাই ফল্গুৎসৱৰ সামৰণি মাৰে। মূৰ্ত্তি জনাক লৈ সমীপস্থ অঞ্চল ভ্ৰমণ কৰোঁতে 'ঘুনুচা কীৰ্তন'ৰ পৰা 'তুৰ বসন্ত ৰাগ'ৰ এই গীতটি গোৱা হয় —

'দোলায় গোৱিন্দ পৰম আনন্দ
ৰতন সিংহাসনে বসি
কনক বিৰচিত দোলৰ মণ্ডপ
বুলয় যেন ৰবি শশী'

নাম প্ৰসঙ্গ কৰোঁতে ললিত ৰাগৰ 'গোপাল খেলে বালক সংগে গীতটি গোৱা হয়। ফল্গুৎসৱৰ দিনাখন 'উৰেষাৰ' তিনিভাগ কীৰ্ত্তন দিয়া হয়। তাৰে এভাগ হৈছে —

ৰঙে ফাকু খেলে চৈতন্য বনমালী
দুহাতে ফাকুৰ গুণ্ডা সিঞ্চন্ত মুৰাৰি
আছে য'ত নদীনদ তীর্থ পৃথিৱীত
জ্যেষ্ঠ মাসে শুক্লা দশমী তিথিত
প্ৰত্যেক থাকন্ত তৈতে আসি দিন সাত
স্নান দান কৰিলে অক্ষয় হোৱৈ তাত।

—এইদৰে ফল্গুৎসৱ কৰা হয়।

## ২) অন্যান্য উৎসৱ-পাৰ্বন ঃ

ক) **শংকৰদেৱৰ তিৰোভাৱ তিথি ঃ** পুৱা প্ৰাতঃ প্ৰসঙ্গৰে তিথিৰ কাম আৰম্ভ কৰা হয়। খোল, তালেৰে জোৰণি, চাহিনী, ধুমুহী, ৰাগ ধেমালি গাই পূৰ্বী কল্যাণ ৰাগৰ 'গোকুল চলৰে মুৰাৰু' গীতটি গোৱা হয়। গীতটি শংকৰদেৱ ৰচিত কালিয়াদমন নাটৰ। মঞ্জিৰা তালেৰে ঘোষা, কীৰ্ত্তন গাই উপদেশ মাতি প্ৰাতঃ প্ৰসঙ্গ সামৰে।

তাৰ পিছত আইসকলৰ নাম আৰম্ভ হয়। আইসকলেও নিৰ্দিষ্ট ঘোষা চাৰিটি, তিনিভাগ কীৰ্ত্তন আৰু কিছু দিহা গাই নাম সামৰে।

দুপৰীয়া পুৰুষৰ প্ৰসঙ্গ আৰম্ভ হয়। ইয়াতো নিৰ্দিষ্ট দুটি বৰগীত গাই খোল প্ৰসঙ্গ সামৰি নাম প্ৰসঙ্গ আৰম্ভ হয়। নাম প্ৰসঙ্গত নান্দী ঘোষা গোৱাৰ পাছত নামছন্দৰ পৰা —

মাধৱ মাধৱ মাধৱ মধুৰিপু মুৰাৰি এ হৰি হৰি ৰাম।
গোবিন্দ কৃষ্ণ হৰি হৰি ৰাম।।
নাৰায়ণ নিৰঞ্জন নিৰাকাৰ নিৰাময়।
মুৰাৰি এ হৰি হৰি ৰাম।।
প্ৰাণ গোপাল দীনবন্ধু নাৰায়ণ।।

উক্ত ঘোষাটি গায়। লগতে ন-ঘোষাৰ পৰা 'শংকৰেহে গুৰু মোৰ প্ৰিয়তম আত্মা হৰি' শীৰ্ষক ন-ঘোষা ফাঁকি গায়। ইয়াৰ পিছত কীৰ্ত্তন পুথিৰ 'ব্ৰহ্মমোহন'ৰ 'ৰাম

নিৰঞ্জন, ৰাম নিৰঞ্জন, ৰাম নিৰঞ্জন' কীৰ্ত্তন ভাগ আৰম্ভ কৰি 'কালীয়দমন'ৰ পৰা এটি কীৰ্ত্তন আৰু ভাগৱত তাৎপৰ্যৰ পৰা এটি কীৰ্ত্তন গাই মুঠ তিনি ভাগ কীৰ্ত্তন গাই নিত্য পাঠ পঢ়ে। পাঠ পঢ়াৰ পাছতে গায়ন বায়নৰ কাম আৰম্ভ হয়। ন-ধেমালি আৰু ৰাগ ধেমালি গোৱাৰ পাছত মাধৱদেৱৰ 'ভোজন-বিহাৰ' নাট ভাওনা কৰা হয়। নাট সামৰি সেৱা-সৎকাৰ জনাই প্ৰসাদ আদি বিতৰণ কৰে। ভাওনা কৰি থকাৰ বাবে বিয়লিৰ নাম বা পুৰুষ সকলৰ নাম ভাওনাতে সমৰ্পন কৰা হয়। সন্ধ্যা প্ৰসঙ্গ কৰাৰ পাছত গধূলি প্ৰসঙ্গ কৰি পুনৰ ৰাতিৰ ভাওনাৰ কাৰণে গায়ন বায়নৰ জোৰণিৰ পাছত পাঁচখন বহা চাহিনী চাৰি খন উঠা চাহিনী বজাই দুখন ধুমুহীৰে গুৰুস্মৰণ কৰি বৰ ধেমালিৰ কাম আৰম্ভ কৰা হয়। তাৰ পাছত ৰাগ ধেমালি গাই 'সুহাই' ৰাগ দিয়া হয়। উল্লেখযোগ্য যে বৰ ধেমালি গাই থাকোতেই কৃষ্ণ প্ৰবেশৰ সিন্ধুৰা ৰাগটি দি থোৱা হয়। ঘোষা ধেমালিৰ পিছত চোক ধেমালি মাৰি গায়নৰ কাম সামৰণি পৰে আৰু সূত্ৰৰ প্ৰবেশ হয়। সূত্ৰধাৰৰ প্ৰবেশৰ পিছত শংকৰদেৱ ৰচিত এখন নাট-ভাওনা কৰা হয়। উল্লেখযোগ্য যে এই নাটবিলাক সালসলনিকৈ কৰি থকা হয়। এইদৰে গুৰু কীৰ্ত্তন ভাগ সম্পন্ন কৰা হয়।

**খ) মাধৱদেৱৰ তিথি ঃ** শংকৰদেৱৰ তিৰোভাৱ তিথিত কীৰ্ত্তন ভাগ কৰা ধৰণেৰে মাধৱদেৱৰ তিথিৰ দিনাখনো নাম প্ৰসঙ্গ কৰি দিনতে 'দধি-মথন', 'পিপৰা-গুচোৱা', 'চোৰ-ধৰা', আদিৰ পৰা যিকোনো এখন নাট ভাওনা কৰা হয়। ৰাতিলৈও কোনো সময়ত শংকৰদেৱ বা মাধৱদেৱ বা পৰৱৰ্ত্তী আতা পুৰুষ সকলে ৰচনা কৰা যিকোনো এখন নাট কৰা হয়।

**গ) ব'হাগ বিহু ঃ** চ'তৰ শেষ দিনাখন পুৱাতেই উঠি প্ৰাতঃ প্ৰসঙ্গ কৰাৰ পাছত সকলো পৰিয়ালে পোহ-পাল দিয়া গৰু, ম'হ আদিক গা ধুৱাবৰ কাৰণে আগ দিনাখনেই যোগাৰ কৰি থোৱা কেৰেলা, বেঙেনা, জাতিলাও হালধি, বৰথেকেৰা আদি বস্তু চকল-চকলকৈ কাটি দুডলীয়া, তিনিডলীয়া বা পাঁচডলীয়া বাঁহৰ চাকত বস্তুবোৰ সিঁ লোৱা হয়। এখন চালনীত তলে ওপৰে কলপাত দি চাকসমূহ একেলগে গোটাই আগবঢ়াই থোৱা হয়। গৰু ম'হবোৰক নুৱাবৰ কাৰণে মাহ-হালধি গোটাই লৈ প্ৰথমে গৰু ম'হৰ গাত ঘঁহে আৰু তাৰ পিছত গৰুবোৰ সকলোৱে লৈ গৈ লাহনীৰে নৈ, পুখুৰী বা পথাৰ আদিত গা-ধুৱাই (হৰিধ্বনি

কৰি) আৰু চাকৰ পৰা সীঁ থোৱা দ্ৰব্য সমূহ উলিয়াই লৈ 'মাৰ সৰু বাপেৰ সৰু তই হবি বৰ গৰু' আদি শব্দ উচ্চাৰণ কৰি গৰুবোৰৰ গাত মাৰে। আৰু তাৰ পিছতে কিশোৰ সকলে ইজনে সিজনলৈ দলিয়াদলি কৰি ৰং ধেমালি কৰি মাহ হালধি সানি গা-পা ধুৱে। তাৰ পাছত সমৱেত সকলৰ চালনীৰ পৰা ইজনে সিজনৰ পৰা চাক সলনি কৰি ঘৰৰ গোহালিত আঁৰি থৈ পোহনীয়া পশুবোৰ ৰোগ ব্যাধি আদি নিৰাময় কামনা কৰে। তাৰ পাছত নাহৰ পাতত 'দেৱ দেৱ মহাদেৱ নীল গ্ৰীৱ জটাধৰ বাত বৃষ্টি হৰং দেৱ' এই শ্লোকটি লিখি ঘৰৰ ছালত খুচি থয়। জ্যেষ্ঠজনক সেৱা জনাই সকলোৱে নামঘৰত প্ৰসঙ্গৰ কাৰণে আগবাঢ়ি যায়।

ব'হাগৰ এক তাৰিখৰ দিনা গৰু চাকৰ মাহ-হালধি আনি পিহি লৈ গাত সানি গা-পা ধুই জ্যেষ্ঠজনক সেৱা জনাই বিহুৰ জা-জলপান খোৱা হয়। আৰু তাৰ পিছত নামঘৰত নৱবৰ্ষ উপলক্ষে শৰাই আগবঢ়াই নাম-প্ৰসঙ্গ কৰে। উল্লেখযোগ্য যে এই সত্ৰৰ চৌহদত ব'হাগ বিহুত হুচৰি পৰিবৰ্তে সংকীৰ্ত্তন ঘৰে ঘৰে গোৱা হয়। সত্ৰত তিনিদিন নাম-প্ৰসঙ্গ চলি থাকে। কোনো কোনোৱে এই কেইদিনত কড়ি-পচিও খেলে।

**ঘ) আহাৰ ঃ** অম্বুবাচী সময়ত নীতিগত ভাৱে কোনো ব্যৱস্থা নাই। সত্ৰৰ নামঘৰত শলা-বন্তি জ্বলোৱা হয়। সেইকেইদিন খোল, তাল, ডবা, শংখ নবজোৱাকৈ হাত চাপৰিৰে নিত্য প্ৰসঙ্গসমূহ কৰা হয়। সামাজিক ভাৰসাম্য ৰক্ষা কৰি অম্বুবাচী পালনৰ এটি ধাৰাবাহিক প্ৰচেষ্টা সত্ৰত প্ৰচলিত হৈ আছে।

**ঙ) ভাদ মাহৰ পাল নাম ঃ** শাওন ভাদৰ সংক্ৰান্তিৰ দিনাখন পালনাম আৰম্ভ কৰা হয়। প্ৰথমতে প্ৰাতঃ প্ৰসঙ্গ কৰা হয়। তাৰ পিছত আইসকলে নাম আৰম্ভ কৰে। আইসকলৰ নামৰ পাছত ডেৰপৰীয়া প্ৰসঙ্গ কৰি নিত্য পাঠ গোৱাৰ পাছত পাল নামৰ ঘোষা আৰম্ভ হয়। পাল নামৰ ঘোষা বিলাক ক'তো লিখিত ৰূপত পোৱা নাযায়। এইবিলাক মুখে মুখে বাগৰি ৰক্ষিত হৈছে। গোটেই ভাদ মাহটো চৈধ্য প্ৰসঙ্গৰ মাজে মাজে পাল নামৰ ঘোষা উচ্চাৰণ কৰি থাকে আৰু ভাদ মাহৰ সংক্ৰান্তিৰ দিনা ডেৰ পৰীয়া প্ৰসঙ্গৰ পাছত পাল নামৰ ঘোষা

সম্বৰণ কৰি সেৱা জনাই আৰু পিছদিনা সকলোৱে মিলি জুলি সিদ্ধান্ন্য গ্ৰহণ কৰে। এই পৰম্পৰাৰে ভাদ মাহৰ পালনাম চলি আছে।

**চ) কাতি বিহু ঃ** কাতি বিহুৰ দিনাখন পুৱাৰ পৰা নাম প্ৰসঙ্গ হয়। সন্ধ্যা প্ৰসঙ্গৰ লগে লগে চাকি বন্তি জ্বলোৱা হয়। চোতালৰ মূৰত এটি ভেটি তৈয়াৰ কৰি এটি তুলসীৰ পুলি ৰুই দিনৰ ভাগতে তৈয়াৰ কৰি ৰখা হয়। সন্ধ্যাৰ পিছত তুলসীৰ বন্তি জ্বলায়। বয়োজ্যেষ্ঠজনৰ ঘৰৰ পৰা আৰম্ভ কৰি সকলোৰে ঘৰে ঘৰে কিশোৰ-কিশোৰীসকলে দিহা নাম গাই গৃহস্থৰ কুশল মংগল কামনা কৰে আৰু অৰ্পিত মাহ-চাউল, কল-কুঁহিয়াৰ আদি গ্ৰহণ কৰে।

**ছ) আঘোণ ঃ** এই সত্ৰত ৰাস পূৰ্ণিমাৰ দিনাখন ৰাস পতাৰ ব্যৱস্থা নাই যদিও নাম-কীৰ্ত্তন কৰা হয়। এই সত্ৰত নিৰ্মিত মুখা বিলাক ৰাস পতা সত্ৰ অনুষ্ঠানত যোগান ধৰি সহযোগিতা আগবঢ়োৱা হয়। এইবিলাকৰ উপৰিও পুৰুষোত্তম ঠাকুৰ আৰু চতুৰ্ভুজ ঠাকুৰদেৱৰ তিথি, সত্ৰাধিকাৰ সকলৰ তিথিবোৰতো দৈনন্দিন পালন হোৱা চৈধ্য প্ৰসঙ্গৰ লগতে এটি বৰগীত আৰু একোটি কীৰ্ত্তন বেছিকৈ গোৱাৰ প্ৰথা আছে। তদুপৰি মাজে মাজে খাটপাৰ সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ সকলৰ দ্বাৰা ৰচিত অংকীয়া শৈলীৰ নাট-ভাওনা কৰা হয়।

**জ) মাঘ বিহু ঃ** মাঘ বিহুৰ কেইবা দিনৰ আগৰ পৰা খৰি কাঠ কাটি মেজিৰ বাবে মজুত কৰি ৰাখে। উৰুকাৰ দিনা আবেলি সকলো গোট খাই চাৰিটা কল পুলি পুতি খৰি কাঠেৰে মেজিটো তৈয়াৰ কৰি থয়। ইয়াৰ উপৰিও কল ঠৰুৱাৰেও বেলেগে একো একোটা মেজি সাজে। এই মেজিক ঢেৰঢেৰী মেজি বুলি কোৱা হয়। এই মেজি উৰুকাৰ দিনাখনেই জ্বলোৱা হয়। উৰুকাৰ দিনাখন সন্ধিয়াৰ সময়ত সকলোৱে মিলি এসাঁজ ভোজ ভাত খোৱাৰ ব্যৱস্থা আছে। সত্ৰৰ নামঘৰত গধূলি প্ৰসঙ্গৰ পাছত ৰাতিটো কীৰ্ত্তন পাঠ কৰা হয়। কীৰ্ত্তন পাঠৰ পাছত সবহুৱা দিহা নাম গায়। খোল, নাগেৰা, ডবা লৈ দিহা নাম গোৱাৰ পাছত গায়ন বায়নৰ কাম আৰম্ভ কৰে। তাত, চাহিনী, ধুমুহী, ন-ধেমালি আৰু ৰাগ ধেমালি গাই এটি পূৰ্বী বা কল্যাণ ৰাগৰ বৰগীত গাই পুৱাৰ মঞ্জিৰা নাম আৰম্ভ কৰে। দোকমোকালিৰ তেনে সময়তে ৰাতিটো ৰখি থকা মূল মেজিটোত হৰিধ্বনি দি অগ্নি সংযোগ কৰে। 'এ প্ৰাণ

হৰি গৈলা এৰি' 'কংসবধ'ৰ কীৰ্ত্তন ভাগ সকলোৱে মেজিটোক বেঢ়ি গায়। মেজি জ্বলোৱাৰ পাছত আইসকলে নাম লয়। পুনৰ গা-পা ধুই ঘৰে ঘৰে পৰিয়ালৰ জ্যেষ্ঠসকলক পৰ্য্যায়ক্ৰমে সেৱা কৰি ঘৰত বা অন্যান্য ভাই-ভগ্নী সকলৰ ঘৰত লঘু আহাৰ গ্ৰহণ কৰে। তাৰ পিছত ডেব পৰীয়া প্ৰসঙ্গৰ কাৰণে সকলো সমবেত হৈ খোল-প্ৰসঙ্গ, নাম-কীৰ্ত্তন কৰি বিহু পালন কৰে। ইঘৰে সিঘৰক ভোগালীৰ খাদ্য সামগ্ৰী বিতৰণ কৰি ভোগালীৰ আনন্দ গ্ৰহণ কৰে।

ওপৰত উল্লেখ কৰা ধৰণেৰে খাটপাৰ সত্ৰই পালনীয় ৰীতি-নীতি আৰু উৎসৱ-অনুষ্ঠানৰ জৰিয়তে ইয়াৰ ঐতিহ্য, পৰম্পৰা বৰ্তাই ৰাখিছে।

# পঞ্চম অধ্যায়

# পঞ্চম অধ্যায়

## খাটপাৰ সত্ৰৰ ঐতিহ্যত মুখাশিল্প

### মুখা

মানুহৰ এটা সহজাত সৌন্দৰ্যস্পৃহা আছে। এই সহজাত সৌন্দৰ্যস্পৃহাৰে ফল হ'ল শিল্প কলা।[১] মুখা বা Mask মুখৰ অৱয়বত নিৰ্মিত এক প্ৰাচীনতম লোককলা সম্পদ।[২] চন্দ্ৰকান্ত অভিধানত ইয়াৰ অৰ্থ এইদৰে দিয়া হৈছে — মুখত পিন্ধা কোনো বিশেষ মুখৰ আকৃতি ছোঁ; আকৃতি সলাবৰ অৰ্থে পিন্ধিবলৈ সজা মুখ; a mask.

সাধাৰণ ভাৱে যি আহিলাৰে তৈয়াৰী বস্তুৰে অঙ্গ-প্ৰত্যঙ্গ মুখ ঢাকি পিন্ধা হয় তাকেই মুখা বোলা হয়। কোনে ক'ত, কেতিয়া, কেনেকৈ মুখা তৈয়াৰ কৰিবলৈ ল'লে তাৰ সঠিক তথ্য পোৱা নাযায় যদিও "পৃথিৱীৰ প্ৰান্তই প্ৰান্তই বিভিন্ন সমাজ আৰু সংস্কৃতিত মুখাৰ বহুল প্ৰয়োগ ঘটি আহিছে।[৩] এই মুখা পিন্ধি কৰা নৃত্যৰ ব্যৱহাৰ পৃথিৱীৰ বিভিন্ন দেশত পোৱা যায় ঃ[৪]

---

১) বৰুৱা, নৱকান্ত ঃ ভাৰতীয় চাৰুকলাৰ চিনাকী; পৃ. ১

২) চলিহা, ভৱপ্ৰসাদ (সম্পা) ঃ শংকৰী সংস্কৃতিৰ অধ্যয়ন; যুগল দাসৰ প্ৰবন্ধ 'ভাওনাৰ সাজ-সজ্জা আৰু সা-সৰাঞ্জাম'; পৃ. ৪৭

৩) মহন্ত, প্ৰদীপজ্যোতি ঃ শংকৰদেৱৰ শিল্পলোক; পৃ. ৬৬

৪) ১৯৯৮ চনত ইন্দিৰা গান্ধী ৰাষ্টীয় কলা সংস্থান (IGNCA) ৰ উদ্যোগত নতুন দিল্লীত আয়োজিত Mind, Man and Mask শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ বিষয়ে গৌতম চেট্টাৰ্জীয়ে লিখা প্ৰবন্ধৰ পৰা তথ্যসমূহ লোৱা হৈছে ইন্টাৰনেটৰ যোগেদি।

নেপালত 'মহাকালী মহাত্মা' (Mahakali Mahatma) 'মহালক্ষ্মী ডান্স' (Mahalaxmi dance) 'খিচা ডান্স' (Khicha dance) 'যম ৰাজ' (Yama Raj), আৰু নেৱাৰ সম্প্ৰদায়ৰ 'কুমাৰী ডান্স'ত (Kumari Dance) পৰম্পৰাগত মুখা পিন্ধি নৃত্য কৰা হয়। ভূটানৰ মুখা বিলাক কাঠেৰে নিৰ্মিত। 'ডুৰডাগ' (Durdag) নামৰ এবিধ নৃত্যত ভূটিয়াসকলে মুখা পৰিধান কৰে। শ্ৰীলংকাৰ মুখা নৃত্য ১০০০ বছৰ পুৰণি। জাপানৰ 'নো' [৫] নামৰ নাট্যাভিনয়ত মুখ্য অভিনেতা গৰাকীয়ে মুখা ব্যৱহাৰ কৰে। মুখ্য অভিনেতা গৰাকীক শ্বাইট' বোলে।

## ভাৰতবৰ্ষত মুখা শিল্পৰ ব্যৱহাৰ

ভাৰতীয় মুখাশিল্পই ভাৰতীয় সংস্কৃতিত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। ভাৰতবৰ্ষৰ বিভিন্ন নাট্য পৰম্পৰাত মুখাৰ বহুল প্ৰচলন আছে।[৬]

উৰিষ্যা আৰু পশ্চিম বংগৰ 'ছৌ' (chau) নাচত মুখাৰ প্ৰচলন আছে। কেৰালাৰ 'কৃষ্ণাট্টম' (Krishnattam) নাট্যাভিনয়ত মুখা ব্যৱহাৰ কৰা হয়, আৰু 'তেয়ম' প্ৰভৃতি আন কেইটামান লোকনাট্য পৰম্পৰাতো মুখা সদৃশ সাজ ব্যৱহাৰ কৰা হয়।

মধ্য প্ৰদেশৰ মুখা কাঠেৰে নিৰ্মিত। সাপ, জীৱ-জন্তু, পতংগ আদিৰ অবয়বত তেওঁলোকে মুখা নিৰ্মাণ কৰে। অন্ধ্ৰ প্ৰদেশত প্ৰচলিত ভাগৱতৰ 'নৰসিংহ' মুখা অতি জনপ্ৰিয়।

উত্তৰ পূব ভাৰতৰ জনজাতি সকলৰ মাজতো 'মুখা'ৰ প্ৰচলন আছে। অৰুনাচলৰ 'চেৰদুকপেন' সকলৰ মাজত প্ৰচলিত 'এজিলিমু' (Ajilimu) নামৰ নৃত্যটিত 'ন্যাপা' (Nyapa) আৰু 'ন্যাৰো' (Nyaro) নামৰ দুটা দৈত্যৰ মুখা পৰিধান কৰা হয়।

---

৫) বৰুৱা, সত্যপ্ৰসাদ ঃ নাটক আৰু অভিনয় প্ৰসংগ, পৃ. ৫২

৬) মহন্ত, প্ৰদীপজ্যোতি ঃ পূৰ্বোল্লেখিত গ্ৰন্থ, পৃ. ৬৭ আৰু (ইন্টাৰনেটৰ সহায়ত)

## অসমত মুখা শিল্পৰ ব্যৱহাৰ আৰু পৰম্পৰা ঃ

অংকীয়া ভাওনাৰ উপৰিও অসমৰ বিভিন্ন লোক পৰম্পৰাত 'মুখা' ব্যৱহাৰ হৈ আহিছে। দক্ষিণ গোৱালপাৰাৰ 'ভাৰীগান, 'ভাসান যাত্ৰা', 'বাঁশী পুৰাণ গান', 'গোৱালনী যাত্ৰা' আদিত মুখাৰ ব্যৱহাৰ কৰা হয়।[৭] তিৱাসকলৰ পৰম্পৰাগত পূজা-অৰ্চনাত ব্যৱহাৰ কৰা মুখা, সোণোৱালসকলে এসময়ত কোনো কোনো পৰম্পৰাগত ৰীতি আৰু উৎসৱত ব্যৱহাৰ কৰা মুখা (এতিয়া লুপ্ত) ধুবুৰী গোৱালপাৰ অঞ্চলত প্ৰচলিত 'কালী চণ্ডী' পূজা আৰু নাচত মুখা ব্যৱহাৰ কৰা হয়।[৮] অংকীয়া ভাওনাৰ মুখা বা মোখা এক উল্লেখযোগ্য পুস্ত[৯] বা ছোঁ। খৃষ্টীয় পঞ্চদশ যোড়শ শতিকাত শংকৰদেৱৰ নেতৃত্বত হোৱা নৱ-বৈষ্ণৱ আন্দোলনে গীত, নাট, বাদ্য, ভাওনাৰ মাধ্যমেৰে যি নতুন ধাৰা প্ৰচাৰ কৰিলে, তাত 'মুখা' কো এটি বিশিষ্ট কলালৈ ৰূপান্তৰ ঘটালে। 'চিহ্নযাত্ৰা' নাটতে তেওঁ প্ৰথমে বিভিন্ন ধৰণৰ মুখা সাজি প্ৰদৰ্শন কৰাৰ নিদৰ্শন পোৱা যায়।

ৰামচৰণ ঠাকুৰ কৃত 'গুৰু চৰিত'ত চিহ্নযাত্ৰা ভাওনাত মুখাৰ প্ৰসংগ উল্লেখিত হৈছে —[১০]

যাৰ যিবা বাহন তাহাক সাজিলন্ত।
মুখা বন্ধ কৰি তাৰ চৌ নিৰ্ম্মিলন্ত।। ১৪৭৫

ভাওনাৰ চোঁ যত সভা সঙে নিল।
আৰবস্ত্ৰ দিয়া তাক তৈতে ঢাকি থৈল।। ১৪৮০

---

৭) ভৰালী, শৈলেন ঃ অসমীয়া লোকনাট্য পৰম্পৰা, পৃ. ৫২, ৮১

৮) মহন্ত, প্ৰদীপজ্যোতি ঃ পূৰ্বোল্লেখিত গ্ৰন্থ; পৃ. ৬৬

৯) পুস্ত ঃ ভৰতৰ নাট্যশাস্ত্ৰত উল্লিখিত আহাৰ্যৰ চাৰিটা ভাগৰ ভিতৰত পুস্ত এটা। ই হস্ত শিল্পজাত বাঁহ বেত-কাঠ আদিৰে সঁজা সা-সৰঞ্জাম। ভাওনাৰ ভাষাত পুস্তক 'ছোঁ' বা 'চোঁ' বুলি কয়।
যি ঘৰত চোঁ বোৰ সংৰক্ষন কৰা হয় আৰু লগতে অংগসজ্জা কৰা হয় তাক চোঁ ঘৰ বোলে। (যুগল দাসৰ পূৰ্বোল্লিখিত প্ৰবন্ধ)

১০) ভট্টাচাৰ্য, বসন্ত কুমাৰ (সম্পা) ঃ ৰামচৰণ ঠাকুৰ কৃত গুৰু চৰিত; পৃ. ৩২৩-৩২৫

গৰুড়ৰ মুখা সৰ্বজয়ক দিলন্ত।

কেতাই খায়ে খোল দোহাৰে ধৰিলন্ত।। ১৪৮১'

'বৰদোৱা গুৰু চৰিত'তো মাধৱদেৱে তাঁতি কুচি লোকবিলাকক 'ৰামযাত্ৰা' নাট কৰিবৰ কাৰণে ৰথ আৰু ছোঁ-মুখা সাঁজিবলৈ আজ্ঞা দিয়াৰ কথা পোৱা যায়।[১১] চৰিত পুথিৰ দৰে বুৰঞ্জীতো মুখা পিন্ধি ভাওনা কৰাৰ নিদৰ্শন পোৱা যায়। 'তুং-খুঙীয়া বুৰঞ্জী'ত আছে কমলেশ্বৰ সিংহৰ ৰাজসভাত ১৭২৭ শকৰ ১৮ ফাগুনত যি 'ৰুক্মিণী হৰণ' ভাওনা চলিহা বাৰেঘৰ সত্ৰৰ ফালৰ পৰা অনুষ্ঠিত হৈছিল সেই ভাওনাত কালীসাপ, ভালুক, হাতী দেখুওৱা হৈছিল আৰু আৱশ্যকীয় স্থানত ছোঁৰ প্ৰয়োগ কৰা হৈছিল।[১২] শংকৰদেৱে 'চিহ্নযাত্ৰা' নাটতে মুখাৰ প্ৰয়োগ ঘটোৱাৰ পাছত শংকৰোত্তৰ যুগতো প্ৰধানকৈ সত্ৰ আৰু নামঘৰ বোৰত মুখা নিৰ্মাণ কৰা পৰম্পৰা গঢ় লৈ উঠিল। অসমৰ সত্ৰ সমূহৰ ভিতৰত যোৰহাট জিলাৰ অন্তৰ্গত মাজুলীৰ শ্ৰী শ্ৰী চামগুৰি সত্ৰ, তিতাবৰত অৱস্থিত শ্ৰী শ্ৰী বগী আই বৰ এলেঙ্গী সত্ৰ আৰু শিৱসাগৰ জিলাৰ শ্ৰী শ্ৰী খাটপাৰ সত্ৰৰ মুখাৰ পৰম্পৰা বিশেষভাৱে উল্লেখযোগ্য।

**মুখাৰ প্ৰয়োজনীয়তা ঃ**

বিযেশকৈ যিবোৰ শাস্ত্ৰসন্মত চৰিত্ৰ, কিন্তু এজন মানুহক বহু যত্ন কৰিলেও সেই ৰূপ দিবলৈ সমৰ্থ নহয় (উদাহৰণ স্বৰূপে ৰাৱণ যাক এজন মানুহে ভাও ল'লেও দহটা মুৰ জোৰা দিব নোৱাৰে) তেনে আকৃতিৰ বাবেই 'ভাওনা'ত মুখাৰ প্ৰয়োজন হ'ল সহজ-সৰল জন-জীৱনক ভক্তি ৰসৰ সোৱাদ দিবৰ বাবে। দেহৰ অংগী-ভঙ্গীৰ সৈতে খোল-তালৰ ছেৱে মুখা পিন্ধি ভাৱৰীয়াই ভাওটো জীৱন্ত কৰি তোলে। ভাওনাৰ চাকি-বন্তিৰ নাতিউজ্জ্বল পোহৰত মুখা পিন্ধি ভাৱৰীয়াই এনে এক পৰিস্থিতি সৃষ্টি কৰে যে দৰ্শক মানসিকভাৱে আলোড়িত হৈ পৰে।

১১) নেওগ, মহেশ্বৰ (সম্পা) ঃ বৰদোৱা গুৰু চৰিত; পৃ. ১৯৬

১২) ভুএগ্ৰা, সূৰ্য্য কুমাৰ (সম্পা) ঃ তুং খুঙীয়া বুৰঞ্জী; ১৯৯০, পৃ. ১৭৭

## অসমত মুখাৰ প্ৰকাৰ

অসমৰ সত্ৰত সাধাৰণতে তিনি ধৰণৰ মুখা সজা দেখা যায়। যেনে — ছোঁ মুখা, লোটোকাই মুখা আৰু মুখ মুখা। এই তিনি বিধ মুখাৰ বিৱৰণ উল্লেখ কৰা হ'ল —

**ছোঁ মুখা ঃ** ছোঁ মুখা হ'ল বৃহদাকাৰ, সৰ্বশৰীৰ ঢকা। নাট্য পৰম্পৰাত ব্যৱহৃত হৈ থকা আৰু সৰ্বশৰীৰ ঢকা মুখা পৃথিৱীৰ ভিতৰত কেৱল অসমতহে আছে। 'শংকৰদেৱৰ শিল্পলোক' গ্ৰন্থত প্ৰদীপজ্যোতি মহন্তই উল্লেখ কৰিছে যে কপিলা বাৎসায়নে (নৃত্যৰ সমালোচক) বাঁহৰ কাঠিৰে সাজি উলিওৱা এই মুখা পৰম্পৰাৰ নিৰ্মাণ ৰীতি আন ক'তো নাই বুলি মন্তব্য কৰিছে।[১৩] ই ভাওনাত ভয়ানক আৰু হাস্যৰসৰ সৃষ্টি কৰে। এই মুখাৰ মুৰ অংশ আৰু শৰীৰ ভাগ সুকীয়া সুকীয়া কৈ সজা হয়। ভাওনাত অভিনয় বা ভাও দিয়াৰ সময়ত মূৰ অংশ শৰীৰৰ লগত বান্ধি মুখাৰ ভিতৰত মানুহ সোমাই যায় আৰু ব্যৱস্থা অনুসৰি কান্ধত পিন্ধি লৈ ভাও আৰু যুদ্ধাদি কৰে। এই মুখা লৰচৰ কৰিব নোৱাৰি। মুখা পিন্ধা মানুহজনৰ ভৰি আদি যাতে দৰ্শকে দেখা নাপায়, তাৰ কাৰণে মুখাৰ কঁকালত কাপোৰৰ ঘুৰি পিন্ধাই দিয়া হয়। ভাও দিয়াৰ সময়ত মুখা প্ৰায় ৮-১০ ফুট পৰ্যন্ত ওখ হয়। মুখা পিন্ধা ভাৱৰীয়াজনে বাহিৰৰ দৰ্শকক দেখা পোৱাৰ কাৰণে ব্যৱস্থা ৰখা হয়। ভাওনাৰ ভাৱৰীয়া চৰিত্ৰৰ প্ৰতি লক্ষ্য ৰাখিহে এই ছোঁ-মুখা সজা হয়। যেনে - ৰাৱণ, বাণৰজা, কুম্ভকৰ্ণ, ময়দানৱ, নৰকাসুৰ, নৰসিংহ, জাম্বৱন্ত ইত্যাদি। এই ছোঁ-মুখা নামটোৰ সম্পৰ্কত বেৰকান্ত মহন্তই আমাক জনাই যে ভাওনাৰ ছোঁ ঘৰত যিহেতু ভাওনাত ব্যৱহৃত সকলো বিলাক সামগ্ৰী সুমোৱাই থোৱা হয়, ঠিক সেইদৰে এই মুখাইও মানুহজনৰ সমগ্ৰ দেহক সামৰি সুমোৱাই লয় বাবে ইয়াৰ নাম ছোঁ মুখা। গোবৰ্দ্ধন ধাৰণ নাটৰ গোবৰ্দ্ধন পৰ্বত, অমৃত মন্থনৰ মন্দৰ পৰ্বত আদিও ছোঁ মুখাৰ ভিতৰুৱা।

**লোটোকাই মুখা ঃ** এই মুখা ছোঁ-মুখাতকৈ সৰু। এই মুখাৰ ধৰণ কৰণ প্ৰায় ছোঁ মুখাৰ দৰেই। এই মুখাৰো মূৰ আৰু শৰীৰ অংশ পৃথকে সজা হয়। হাত, মূৰ, অংগসমূহ লৰ-চৰ

---

১৩) মহন্ত, প্ৰদীপজ্যোতি ঃ পূৰ্বোল্লেখিত গ্ৰন্থ; পৃ. ৬৮

কৰিব পৰাৰ সুবিধা ৰখা হয়। এই বাবেই ইয়াৰ নাম লোটোকাই মুখা। ছোঁ মুখাৰ দৰে এই মুখাৰ মূৰটো গাৰ অংশৰ লগত বন্ধি নিদি মানুহজনৰ নিজৰ মূৰত পিন্ধা হয়। মুখাৰ কঁকালত ঘূৰি পিন্ধাই দিয়ে। পুতনা ৰাক্ষসী, তাৰকা ৰাক্ষসী, শংখচুড়, যক্ষ আদি এনে চৰিত্ৰৰ ভাৱৰীয়া সকলে লোটোকাই মুখা ব্যৱহাৰ কৰে।

মুখ মুখা ঃ মুখ মুখা হৈছে অকল মুখখনহে ঢাকি পিন্ধা মুখা। অভিনয়ৰ সময়ত মুখাখন মানুহৰ মুখত পিন্ধি শৰীৰত বিভিন্ন ৰঙৰ কাপোৰ বা চোলা পিন্ধি ভাও দিয়ে। কংসৰ পাঞ্চনী মাৰিচ, সুবাহু, চক্ৰবাত, উপনন্দ আদিৰ ভাওৰ কাৰণে এনে মুখা ব্যৱহাৰ কৰা হয়। পশু পক্ষী, জীৱ-জন্তু আদিৰ মুখাও সজা হয়। যেনে - অঘাসুৰ, বকাসুৰ, ধেনুকাসুৰ, অনন্ত, কালীনাগ ইত্যাদি।

### অসমৰ মুখা সজা প্ৰণালী

ভাৰতৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণে মুখা নিৰ্মাণ কৰা হয়। যেনে মধ্য প্ৰদেশৰ মুখা কাঠেৰে, বিহাৰৰ মুখা কাগজেৰে নিৰ্মাণ কৰা হয়। অসমত ঘাইকৈ বাঁহ, বেত, গোবৰ, মাটি, কাগজ, আঠা ইত্যাদি এই উপাদান বিলাক মুখা নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰা হয়। মুখা সজাৰ প্ৰণালীটো এনেধৰণৰ — [১৪]

ভাল কাঠি উঠা জাতি বাঁহ এটা কাটি আনি আৱশ্যকীয় জোখমতে টুকুৰা কৰি ফালি লৈ সৰু কৈ কাটি তুলি লয়। কাঠিখিনি কটাৰীৰে ধাৰ-ধূৰ মাৰি চুঁতি মিহিকৈ লৈ কি আকৃতিৰ মুখা সাজিব লাগে সেই আকৃতি শিল্পীৰ মগজুত অংকিত কৰি লৈ উক্ত চচা কাঠেৰে টোমৰ মোৰেৰে মুখ লগাই বয়। এই মোৰ দিয়াক 'লখিমী সূত্ৰ'ৰে আৰম্ভ কৰা বুলি কোৱা হয়। শিল্পীয়ে মনতে ভাৱি লোৱা মুখাটি সম্পূৰ্ণকৈ বৈ উলিয়াই আৰু তাৰ হাত-ভৰি আদিও একে মোৰতে বৈ উলিয়ায়। মানুহৰে হওক বা জন্তুৰেই হওক, মুখাৰ আকাৰ

১৪) দত্ত অমল চন্দ্ৰ, দত্ত সোণাৰাম আৰু মহন্ত বিভুতি (সম্পা) ঃ সব্যসাচী; গোপীকান্ত মহন্তৰ প্ৰবন্ধ, 'মুখা শিল্পৰ পৰ্য্যালোচনা আৰু অসমৰ মুখা তৈয়াৰ কৰা প্ৰণালী'; পৃ. ১১৯-১২২

সম্পূৰ্ণ হ'লে তাক পোনকৈ ধৰি ৰাখিবৰ বাবে কিছুমান বাঁহৰ সৰু শলি আৰু কামি কৰি কেতবোৰ নিৰ্দিষ্ট স্থানত বেতৰ সুতাৰে বন্ধা হয়।

**কাপোৰ মেৰিওৱাৰ প্ৰণালী ঃ**

কোনো নৈ বা জান জুৰিৰ পৰা কুমাৰে চৰু কলহ গঢ়া কুমাৰ মাটিৰ বোকা কৰি খছি লেপলেপীয়া কৰি তাত কাপোৰ খন লেটিয়াই এফালৰ পৰা বাঁহৰ খাংটোৰ ওপৰত লগাই সম্পূৰ্ণকৈ কাঠিবোৰ ঢাকি দি ৰ'দত শুকাবৰ কাৰণে দিয়া হয়। ৰ'দত সম্পূৰ্ণকৈ শুকালে ওপৰত নাক, চকু আদি গোৱৰেৰে দিব লাগে।

**গোবৰ লগোৱা প্ৰণালী**

গোহালিৰ পৰা পুৱাতে টান চাই নতুন গোবৰ আনিব লাগে। ঘাঁহ খোৱা গৰুৰ গোবৰ বেছি উপযুক্ত। দানা খোৱা গৰুৰ গোবৰ খৰছিয়া বাবেই আঠা কম আৰু মিহি নহয়। ঘাঁহ খোৱা গৰুৰ গোবৰৰ আঠা যথেষ্ট বাবে ব্যৱহাৰৰ উপযোগী। এখন বহল তক্তাত গোবৰখিনি ৰাখি এডাল গোটা বাঁহৰ গুৰি অথবা কাঠৰ হাতুৰীৰে মৰিয়াই মিহি কৰিব লাগে বা পতাত বটি মিহি কৰি ল'ব লাগে আৰু এচতা কৰধ্বনি ল'ব লাগে।

কাপোৰ মৰা মুখাটো ভাল ধৰণে শুকালে সেই তৈয়াৰী গোবৰেৰে নাক, চকু, মুখ আদিৰ আকৃতি কৰি গোবৰ লগাই কৰধ্বনিৰে মিহি কৰি লোৱা হয়। তাৰ পিছত আগতে তিয়াই ৰখা কুমাৰ মাটি খিনি এখন কাপোৰ দি চাকি এটা বাচনত ভৰাই ল'ব লাগে। মুখাত গোবৰ লগোৱাৰ ওপৰত সেই চকা মাটি লগাই দিয়া হয়। তাৰ ওপৰত পুনৰ টুকুৰা কাপোৰ লগাই দিয়া হয়। চাৰি পাঁচ ঘণ্টাৰ পাছত অলপ আধা শুকান হ'লে গোবৰৰ ওপৰত কৰধ্বনি চলাই মিহি কৰিব লাগে। চাৰি পাঁচ বাৰ কৰধ্বনি মাৰিলে অতি মিহি হয়। তাৰ পাছত শুকালে ৰং কৰাৰ ব্যৱস্থা কৰা হয়।

**ৰং প্ৰস্তুত কৰাৰ প্ৰণালী ঃ**

অসমৰ সত্ৰসমূহত মুখাত ৰং কৰিবলৈ চাৰিবিধ প্ৰধান ৰং ব্যৱহাৰ কৰে। যেনে ঃ হেঙুল, হাইতাল, নীল, বগা মাটি। কাৰ্যভেদে এই চাৰিবিধৰ সংমিশ্ৰণত বিভিন্ন ৰঙৰ ৰূপ দি ৰং কৰা হয়। অৱশ্যে বৰ্তমান সময়ত হেঙুল হাইতালত যথেষ্ট সময় খৰচ হোৱাৰ বাবে বজাৰত সহজতে কিনিবলৈ পোৱা বগামাটি, পাউডাৰ ৰূপত তেঁতেলী গুটিৰ আঠা, আদিও ব্যৱহাৰ কৰা হয়। আগতে ক'লা ৰঙৰ বাবে শুকান জাতি লাউৰ খোলা বা বাকলি পুৰি তাৰ ছাই ব্যৱহাৰ কৰাৰ লগতে পিছৰ পৰ্যায়ত কেৰাচিনৰ চাকিৰ ধোঁৱা সংগ্ৰহ কৰি সেই কাম সমাধা কৰা হৈছিল, তেনেদৰে আঠা হৈ লাগি ধৰিবৰ বাবে ৰঙৰ লগত মিশ্ৰণ কৰা হৈছিল। হেঙুলৰ পৰা ৰঙা ৰং হাইতালৰ পৰা হালধীয়া, নীলৰ পৰা নীলা, ধলমাটিৰ পৰা বগা ৰং উলিওৱা হৈছিল। এইবিলাক কৰোতে বহুসময়ৰ প্ৰয়োজন হয়। হেঙুল, হাইতাল আদি ৰংবোৰ শিলৰ মিহি পটাত পটাগুটিযোগে পিহি বা ঘঁহি ৰং প্ৰস্তুত কৰোঁতে এক ডেৰ মাহ পৰ্যন্ত সময় লাগে। সেইবাবে এতিয়া সত্ৰসমূহত খনিকৰসকলে বজাৰৰ সহজ মূল্যত পোৱা ৰঙৰহে বেছি ব্যৱহাৰ কৰে। আনহাতে ৰং ৰাখিবৰ কাৰণে বাঁহৰ চুঙা ব্যৱহাৰ কৰা হয়। পাৰ চৰাইৰ পাখি আৰু ছাগলীৰ নোমেৰে তৈয়াৰ কৰা ৰেখনি বা ব্ৰাছ তাহানি খনিকৰ সকলৰ প্ৰধান আহিলা আছিল, আজিকালি বজাৰত কিনিবলৈ পোৱা ব্ৰাছো তেওঁলোকে ব্যৱহাৰ কৰে।

**ৰং দিয়াৰ প্ৰণালী**

মুখা বিলাকত ৰং কৰাৰো এটা নিৰ্দিষ্ট প্ৰণালী আছে। যেনে - ৰং দিয়াৰ সময়ত মুখাটো তিতা কাপোৰেৰে মোহাৰি ৰ'দত দি লব লাগে, শুকালে আৱশ্যকীয় ৰংটো সানি অৱস্থাভেদে কোন ৰঙে, কোন ৰঙৰ জেউতি বঢ়াব অনুমান কৰি নাক, কাণ, চুলি, চেলাউৰি, চকু আদি আঁকবোৰ ৰং কৰি যোৱা হয়।

মুখত ৰং দি শেষ হোৱাৰ পিছত যদি চিক্‌মিক উজ্জলতাৰ প্ৰয়োজন অনুভৱ কৰে তেতিয়া ঔ টেঙাৰ ভিতৰৰ বীজটোৰ বিজলখিনি মুখাত লগাই শুকাবলৈ দিলে ৰঙটো

জকমকীয়া হয়। নতুবা হাঁহৰ কণীৰ কুহুম বাদে বিজল খিনি লগালেও জিক মিকনি আহে। 'খাটপাৰ' সত্ৰটো এই প্ৰণালীৰে মুখা নিৰ্মাণ কৰা হয়।

## মুখা নিৰ্মাণত লোৱা সাৱধানতা

মুখা হ'লেও দেৱ দেৱতা, দৈত্য, অসুৰ যিয়েই নহওক, শাস্ত্ৰসন্মত চৈতন্য বুলি ধৰা হয়। সেইবাবে গা-পা ধুই মনত পৱিত্ৰ ভাব জগাই লৈহে ভক্তি ভাবেৰে ইয়াক নিৰ্মাণ কৰা হয়। সাজোঁতে ভৰি যাতে নালাগে, তাতো প্ৰাধান্য দিয়া হয়।[১৫]

## খাটপাৰ সত্ৰৰ ঐতিহ্যত মুখাশিল্প

খাটপাৰ সত্ৰ খনিত মুখাশিল্পৰ পৰম্পৰা সত্ৰখনিৰ প্ৰতিষ্ঠা কালৰে পৰাই হৈ আহিছে। এই সত্ৰৰে প্ৰয়াত সত্ৰাধিকাৰ গোপীকান্ত মহন্তই সত্ৰৰ চাৰিসীমাৰ ভিতৰতে ইয়াক আৱদ্ধ নাৰাখি বহুল চৰ্চাৰ যোগেদি সমগ্ৰ অসম তথা ভাৰতবাসীৰ আগত পৰিচয় কৰি দিয়ে। যাৰ স্বীকৃতি স্বৰূপে অসম চৰকাৰে তেখেতক শিল্পী পেন্সন প্ৰদান কৰিছিল। তেখেতে প্ৰায় তিনিশৰো অধিক মুখা নিৰ্মাণ কৰিছিল। ইয়াৰ বহুখিনি নষ্ট হয় পঞ্চাছৰ ভূমিকম্পত। এই মুখাবিলাকৰ ভিতৰত উল্লেখযোগ্য হৈছে - গৰুড়, জটায়ু, জাম্বৱন্ত, অসুৰ, ময়ুৰ, বকাসুৰ। এইজনা শিল্পীৰ মুখাবোৰ ১৯৪৮ চনতেই প্ৰথমবাৰ ৰাজহুৱাভাৱে শিৱসাগৰত প্ৰদৰ্শন কৰা হয়। তেতিয়াই কলিকতাৰ যাদুঘৰৰ সঞ্চালকজনে মহন্তৰ পৰা জাম্বৱন্ত আৰু গৰুড়ৰ মুখা দুটা যাদুঘৰত প্ৰদৰ্শন কৰিবলৈ নিছিল। গোপীকান্ত মহন্তৰ বৰপুত্ৰ ৰেৱকান্ত মহন্তইও মুখা শিল্পৰ চৰ্চা কৰি আহিছে। যাৰ ফলস্বৰূপে বৰ্তমান খাটপাৰ সত্ৰৰ মুখা-শিল্পই ৰাজ্যিক স্তৰৰ পৰা আন্তঃৰাজ্যিক স্তৰলৈকে বিস্তৃতি লাভ কৰিছে। গুৱাহাটীস্থ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰইও এই মুখাশিল্পক জনপ্ৰিয় কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। ২০০০ চনত ৰেৱকান্ত মহন্তৰ তত্বাৱধানত কলাক্ষেত্ৰত ৰাজ্যিক ভিত্তিত মুখাশিল্পৰ

১৫) সংবাদদাতা ঃ ৰেৱকান্ত মহন্ত।

প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈ গৈছে। কলাক্ষেত্ৰত যিবিলাক মুখা প্ৰদৰ্শণীৰ বাবে সংগ্ৰহ কৰি থোৱা হৈছে সেইবিলাকো ৰেৱকান্ত মহন্তৰ হস্তনিৰ্মিত। অসম চৰকাৰে তেখেতলৈ মুখাশিল্পৰ কাৰণে এককালীন সাহায্য প্ৰদান কৰাৰ লগতে হস্তশিল্পৰ ৰাজ্যিক উদ্যোগটোৰ দায়িত্ব প্ৰদান কৰে। কলকাতাৰ ললিত কলা একাডেমীয়েও Master Craft man ৰ স্বীকৃতি প্ৰদান কৰে। বৰ্তমানো তেওঁৰ দ্বাৰা নিৰ্মিত ৩০০ ৰো অধিক মুখা খাটপাৰ সত্ৰত আছে।

**খাটপাৰ সত্ৰত নিৰ্মিত মুখাসমূহ**

ব্ৰহ্মা, ব্ৰহ্মাৰ বাহন ৰাজহংস, বিষ্ণুৰ বাহন গৰুড়, শিৱ, শিৱৰ বাহন বৃষভ, অনন্ত শয্যা, ৰাৱণ, কৱন্ধ, নৃসিংহ, বৰাহ, পুতনা, বকাসুৰ, ধেনুকাসুৰ, তাৰকা ৰাক্ষসী, সুত্ৰধাৰ, জটায়ু পক্ষী, হনুমান আৰু আন বান্দৰ সেনা, জাম্বৱন্ত আৰু আন ভালুক সেনা, ৰজা মন্ত্ৰী আৰু পাৰিষদগণ, সেনাপতি, ৰাক্ষসৰাজ, ৰাক্ষস সেনাপতি আৰু পাৰিষদগণ, সাধাৰণ প্ৰজা, শাস্ত্ৰ-বৰ্ণিত অন্যান্য অতিকায় মুখা, গনেশ, বাঘ, সিংহ, হৰিণ, কাছ, সূৰ্য আৰু অন্যান্য মুখা।

খাটপাৰ সত্ৰৰ মুখা বিভিন্ন ঠাইত প্ৰদৰ্শন আৰু মুখাশিল্পৰ কৰ্মশালাত অংশ গ্ৰহণৰ বিষয়ে ৰেৱকান্ত মহন্তই দিয়া লিখিত তথ্যৰ আধাৰত উল্লেখ কৰা হ'ল—

১৯৪৮ চনত প্ৰথমবাৰ খাটপাৰ সত্ৰৰ মুখা ৰাজহুৱাভাৱে প্ৰদৰ্শন কৰা হয়।

১৯৭৬ চনত গুৱাহাটীৰ খানাপাৰাত হোৱা উত্তৰ-পূব ভাৰত সাংস্কৃতিক সমাৰোহত মুখাৰ প্ৰদৰ্শন আৰু সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ।

১৯৮৬ চনত ডিগবৈত মুখা ভাওনা প্ৰদৰ্শন তথা গুৱাহাটী ৰবীন্দ্ৰ ভৱনত মুখা ভাওনা আৰু প্ৰদৰ্শনীত অংশ গ্ৰহণ।

১৯৮৯ চনত ক্ৰাফ্‌ট কাউন্সিল অৱ ইণ্ডিয়াৰ আমন্ত্ৰণ ক্ৰমে কলকাতাৰ ইডেন গাৰ্ডেনত মুখাৰ প্ৰদৰ্শনী আৰু কৰ্মশালাত অংশগ্ৰহণ আৰু তাৰ পৰাই ৰাছিয়ালৈ তিনিটা মুখা সংৰক্ষণৰ বাবে প্ৰেৰণ।

১৯৯৩ চনত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাত শোভাযাত্ৰা আৰু প্ৰদৰ্শনীত মুখা প্ৰদৰ্শন আৰু এই চনতে ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে তথ্য-চিত্ৰৰ বাবে 'স্যমন্তক হৰণ', 'নৃসিংহ যাত্ৰা', 'ৰামবিজয়' আদি দৃশ্য গ্ৰহণ।

১৯৯৪ চনত অসম সত্ৰ মহাসভাৰ শিৱসাগৰ অধিৱেশনত মুখাৰ প্ৰদৰ্শনীত অংশগ্ৰহণ।

১৯৯৮ চনত গুৱাহাটী দূৰদৰ্শনযোগে 'স্যমন্তক হৰণ' মুখা ভাওনাৰ দৃশ্যগ্ৰহণ আৰু সম্প্ৰচাৰ।

১৯৯৯ চনত শ্ৰী মন্ত শংকৰদেৱ কলাক্ষেত্ৰত 'স্যমন্তক হৰণ' মুখা ভাওনা প্ৰদৰ্শন। ৩০ টা বিভিন্ন ধৰণৰ মুখা সংৰক্ষণৰ বাবে প্ৰদান।

২০০০ চনত ললিত কলা একাডেমী আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সৌজন্যত উত্তৰ-পূৰ্বাঞ্চল আৰু পশ্চিমবংগক সামৰি অনুষ্ঠিত মুখাৰ কৰ্মশালাত ৰেৱকান্ত মহন্ত মুখ্য প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ।

২০০১ চনত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত 'নৃসিংহ যাত্ৰা' অংকীয়া মুখা ভাওনা প্ৰদৰ্শন। সংৰক্ষণৰ বাবে বিভিন্ন ধৰণৰ ৫০ টা মুখা দিয়া হয়।

২০০২ চনত কলাক্ষেত্ৰত ভাৰতীয় যাদুঘৰত সংৰক্ষণৰ বাবে ৭০ টা মুখা প্ৰেৰণ। আমেৰিকালৈ ৭ টা মুখা সংৰক্ষণৰ বাবে নিয়া হয়। ইয়াৰ উপৰি দিল্লীস্থিত ইন্দিৰা গান্ধী কলাকেন্দ্ৰলৈ সংৰক্ষণৰ বাবে কেবাবিধো মুখা সংগ্ৰহ কৰি নিয়ে।

২০০৩ চনত গণতন্ত্ৰ দিৱসৰ ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত হস্তনিৰ্মিত মুখাৰ আৰ্হিত অসমৰ প্ৰতীক পট তৈয়াৰ কৰা হয়। ১০ টা এই সত্ৰৰ বিভিন্ন মুখা কাৰ্যসূচীত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত অসমে দ্বিতীয় স্থান লাভ কৰে।

২০০৩ চনৰ মে'ত পশ্চিমবংগৰ 'ঐক্যতান' প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীসকলক মুখা শিল্পৰ প্ৰশিক্ষণ কৰ্মশালাত মুখ্য প্ৰশিক্ষক ৰূপে ৰেৱকান্ত মহন্তৰ অংশগ্ৰহণ।

২০০৩ চনৰ অক্টোবৰত কেৰেলাৰ ত্ৰিৱান্দম চহৰত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয়

মহোৎসৱত ‘কিষ্কিন্ধ্যা কাণ্ড’ আৰু ‘সুন্দৰা কাণ্ড’ নামৰ দুখন অংকীয়া নাটৰ মুখা ভাওনা প্ৰদৰ্শন।

২০০৩ চনৰ ডিচেম্বৰত উজনি অসম গ্ৰন্থ মেলাত মুখাৰ প্ৰদৰ্শনীত অংশগ্ৰহণ।

২০০৪ চনৰ এপ্ৰিলত আউনিআটী সত্ৰত হোৱা সন্ত সমাৰোহত মুখাৰ প্ৰদৰ্শনীত অংশগ্ৰহণ।

২০০৪ চনৰ আগষ্টৰ পৰা ভাৰত চৰকাৰৰ সাংস্কৃতিক দপ্তৰৰ অনুমোদিত ‘গুৰু-শিষ্য পৰম্পৰা’ আঁচনিৰ অধীনত চাৰিজন প্ৰশিক্ষাৰ্থীক দুবছৰৰ বাবে মুখাশিল্পৰ শিক্ষাদানলৈ অনুমতি প্ৰদানৰ কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ। এই শিষ্য চাৰিজন ক্ৰমে হৈছে গিৰীশ মহন্ত, অৰূপজ্যোতি দত্ত, সুজিত বৰুৱা আৰু শ্ৰীমন্ত দত্ত। এওঁলোকে প্ৰশিক্ষণ লাভ কৰি কেৰেলা, পশ্চিমবংগ, বিবেকানন্দ ক্ষেত্ৰ, তামিলনাডু আদি অঞ্চলত প্ৰশিক্ষণ, প্ৰদৰ্শনী আদি অনুষ্ঠিত কৰিছে।

২০০৬ চনৰ জানুৱাৰীত টিহুত অনুষ্ঠিত অসম নাট্য সন্মিলনৰ অধিৱেশনত মুখা ভাওনা প্ৰদৰ্শন। গুৱাহাটীৰ বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত কৰা মুখা শিল্প তথা সাঁচিপাত সংৰক্ষণৰ কৰ্মশালাত আৰু শিৱসাগৰৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান ‘ঈক্ষণে’ আয়োজন কৰা মুখাশিল্পৰ কৰ্মশালাত অংশগ্ৰহণ।

এইবিলাকৰ উপৰিও খাটপাৰ সত্ৰই ১৯৪৭ চনৰ স্বাধীনতা দিৱসৰ উদ্‌যাপনত ধ্বৰগীত আৰু নৃত্য প্ৰদৰ্শন কৰিছে।

১৯৫৭ চনত পাণ্ডুত বহা ভাৰতৰ জাতীয় কংগ্ৰেছ মহাসভাত নৃত্য প্ৰদৰ্শন কৰিছে।

১৯৬৮ চনত নাজিৰা নাট্য মন্দিৰত ৰাসযাত্ৰাৰ অভিনয় প্ৰদৰ্শন।

১৯৭০ চনত শিৱসাগৰৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান 'যুৱদল'ৰ সহযোগত খোলবাদ্য আৰু নৃত্যৰ শিক্ষাদান।

১৯৭৫ চনত শিৱসাগৰ সত্ৰ সংঘৰ সৌজন্যত দিল্লী আৰু বৃন্দাবন ধামত 'ৰামবিজয়' নাট পৰিৱেশন।

# ষষ্ঠ অধ্যায়

# ষষ্ঠ অধ্যায়

## উপসংহাৰ

অসমৰ সত্ৰানুষ্ঠান সমূহ আৰু ইয়াৰ যোগেদি প্ৰচলিত সত্ৰীয়া সংস্কৃতি অসমীয়া জাতীয় জীৱনলৈ এক উল্লেখযোগ্য অৱদান। এই সত্ৰানুষ্ঠানসমূহে মহাপুৰুষ সন্ত-মহন্তসকলৰ মহান আদৰ্শ, সংস্কৃতি, গুণ-গৰিমা বছৰ বছৰ ধৰি জনসাধাৰণৰ মাজত প্ৰচাৰ কৰি আহিছে বিভিন্ন গীত, নাট, চিত্ৰকলা, পুতলা নাচ, চাৰু-কাৰুকলা আৰু নানা ধৰ্মৰ ব্যাখ্যাৰ মাজেদি। বৰ্তমানৰ যুক্তিবাদী যুগত, বিজ্ঞানৰ দ্ৰুত উন্নতিৰ যুগত ধৰ্মৰ প্ৰতি মানুহৰ মনত এটা সন্দেহ আৰু অবিশ্বাসৰ ভাৱ সৃষ্টি হৈছে যদিও মহাপুৰুষ সকলৰ দ্বাৰা সৃষ্ট এই ধৰ্ম সংস্কৃতিক অৱহেলা কৰিব নোৱাৰি। এই সংস্কৃতিয়ে আজিৰ পৰা পাঁচশ-ছয়শ বছৰ আগতেই অসমৰ জাতীয় জীৱনক গভীৰ প্ৰভাৱ পেলাইছিল আৰু ইয়াৰ ফলতেই অসমীয়া জাতিয়ে উচ্চ-নীচৰ ভেদাভেদ পাহৰি এক বৃহত্তৰ অসমীয়া জাতীয় জীৱনৰ সেঁতু বান্ধিছিল। গতিকে এই সত্ৰসমূহ আৰু ইয়াৰ সংস্কৃতিৰ বিষয়ে অধ্যয়ন গৱেষণাৰ জৰিয়তে আলোকপাত কৰি চোৱাটো প্ৰয়োজন হৈ পৰিছে। শিৱসাগৰ জিলাৰ সত্ৰসমূহৰ বিষয়ে আগবঢ়োৱা এই আলোচনাও তাৰেই এক ক্ষুদ্ৰ প্ৰচেষ্টা। 'শিৱসাগৰ জিলাৰ সত্ৰানুষ্ঠান খাটপাৰ সত্ৰৰ বিশেষ উল্লেখসহ এটি অধ্যয়ন' শীৰ্ষক এই ক্ষুদ্ৰ গৱেষণা গ্ৰন্থখনিত মূল পাঁচটা অধ্যায়ত বিষয়বস্তু খিনি সামৰি লোৱাৰ প্ৰয়াস কৰা হৈছে।

**প্ৰথম অধ্যায়ত** শিৱসাগৰ জিলাৰ চমু পৰিচয়ত শিৱসাগৰ জিলাৰ চাৰিসীমা, আহোমৰ ৰাজত্বকালত কলযুগপাৰ, ৰংপুৰ আৰু শেষত বৃটিছসকল অহাৰ পাছত শিৱসাগৰ নামটো কেনেদৰে হ'ল উল্লেখ কৰা হৈছে। লগতে শিৱসাগৰ জিলাৰ ভৌগলিক অৱস্থান আৰু জনসমষ্টি, অসমীয়া সাহিত্য-সংস্কৃতিৰ দিশত শিৱসাগৰৰ অৱদান আৰু শিৱসাগৰ

জিলাৰ বৰ্তমান আৰ্থ-সামাজিক দিশ আৰু বৰ্তমান পৰিবেশ পৰিস্থিতি সম্পৰ্কে চমুকৈ উল্লেখ কৰা হৈছে।

**দ্বিতীয় অধ্যায়ত** উজনি অসম তথা শিৱসাগৰ জিলাত নৱ- বৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া পৰম্পৰাৰ বিষয়ে আলোচনা কৰা হৈছে।

**তৃতীয় অধ্যায়ত** শিৱসাগৰ জিলাৰ সত্ৰসমূহৰ ভিতৰত প্ৰাধান্য লাভ কৰা কেইখনমান সত্ৰৰ চমু পৰিচয় আৰু সত্ৰত বিশেষভাৱে উদযাপিত উৎসৱৰ বৰ্ণনা দিয়া হৈছে। সত্ৰসমূহৰ দৈনিক পালনীয়, বছৰৰ বিভিন্ন মাহত পালনীয় আচাৰ অনুষ্ঠানৰ উল্লেখো কৰা হ'ল।

**চতুৰ্থ অধ্যায়ত** শিৱসাগৰ জিলাৰ পুৰুষ সংহতিৰ সত্ৰসমূহৰ ভিতৰত অন্যতম হাঁহচৰাৰ খাটপাৰ সত্ৰৰ ইতিবৃত্ত, আৰু এই সত্ৰত পালিত উৎসৱ অনুষ্ঠানৰ বিৱৰণ দিয়া হৈছে। লগতে বিভিন্ন সময়ত সত্ৰখনে অংশ গ্ৰহণ কৰা সাংস্কৃতিক কাৰ্য ক্ৰম অনুসৰি বৰ্ণনা কৰা হৈছে।

**পঞ্চম অধ্যায়ত** 'খাটপাৰ সত্ৰৰ ঐতিহ্যত মুখাশিল্প' এই সম্পৰ্কে আলোচনা কৰিবলৈ যাওঁতে পৃথিৱীৰ তথা ভাৰতৰ বিভিন্ন অঞ্চলত মুখা কিদৰে ব্যৱহৃত হৈ আহিছে সেই বিষয়ে এটি চমু আভাষ দি অসমৰ মুখা শিল্পৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ পাছত খাটপাৰ সত্ৰত মুখা শিল্পটো কিদৰে পৰম্পৰাগত ভাৱে চলি আহিছে আৰু বৰ্তমান লৈকে কি কি মুখা নিৰ্মিত হৈছে সেই সম্পৰ্কে উল্লেখ কৰা হৈছে।

এই আলোচনাৰ পৰা ক'ব পাৰি যে শিৱসাগৰ জিলাৰ জনসাধাৰণৰ মাজত এতিয়াও সত্ৰ সমূহে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। এই সত্ৰসমূহে বিভিন্ন জাতি-জনজাতিৰ লোকক শিষ্যত্ব প্ৰদান কৰি জাত-পাত বিভেদ হীন এখন সাম্য সমাজ গঢ়াত বিশেষ ভাৱে অৰিহণা যোগাইছে। আৰু সত্ৰীয়া সংস্কৃতিৰ অংগ গীত, নাট, ভাওনা, মুখাশিল্প আদিৰ সম্প্ৰসাৰণত আগভাগ লৈছে।

সত্ৰসমূহত বহুতো প্ৰাচীন পুথি আৰু বস্তু আছে। এইবিলাক উপযুক্তভাৱে সংগ্ৰহ আৰু সংৰক্ষণ কৰিলে ভৱিষ্যতে ইয়াৰ পৰা অধ্যয়ন আৰু গৱেষণাৰ জৰিয়তে নতুন তথ্য উদঘাটন হ'ব বুলি আশা কৰিব পাৰি। সেই বাবে গবেষণা গ্ৰন্থখনিত প্ৰাচীন সম্পদবোৰৰ নাম দিয়া হৈছে।

খাটপাৰ সত্ৰত ৰেৱকান্ত মহন্তৰ দ্বাৰা নিৰ্মিত বহুতো মুখা উপযুক্ত ভাৱে সংৰক্ষণৰ অভাৱত নষ্ট হৈ গৈছে। সম্পূৰ্ণ একক প্ৰচেষ্টাৰে এটা জাতিৰ সংস্কৃতিক বেছি দিন জীয়াই ৰাখিব নোৱাৰি। গতিকে শংকৰদেৱৰ সৃষ্ট এই শিল্পবিধক জীয়াই ৰাখিবলৈ হ'লে সকলোৰে পৰা আন্তৰিক সমৰ্থনৰ লগতে আৰ্থিক সাহাৰ্যৰো প্ৰয়োজন। পুৰণি ঐতিহ্য বজাই ৰাখি বৰ্তমান আধুনিক ৰূপ দিয়া সৰু সৰু মুখা অন্ততঃ অসমৰ প্ৰতি ঘৰে ঘৰে চ'ৰাঘৰত সজাই থোৱা হয় তেতিয়া মুখা শিল্পৰ লগত জড়িত শিল্পীসকল আৰ্থিকভাৱে লাভান্বিত হোৱাৰ উপৰিও সংস্কৃতিৰ গতি অক্ষুন্ন থাকিব।

নতুন পুৰুষে এই আলোচনাটিৰ জৰিয়তে সামান্য পৰিমাণে হ'লেও উপকৃত হোৱাৰ লগতে নতুন তথ্য উদঘাটন কৰিব পাৰিব বুলি আশা কৰা হৈছে।

# গ্রন্থপঞ্জী

# গ্ৰন্থপঞ্জী


| লেখকৰ নাম | গ্ৰন্থ |
| --- | --- |
| গগৈ, লীলা ঃ | অসমৰ সংস্কৃতি; বীণা লাইব্ৰেৰী<br>গুৱাহাটী, (চতুৰ্থ সংস্কৰণ) ১৯৯৩ |
| গোস্বামী, কেশৱানন্দদেৱ ঃ | সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা;<br>বনলতা, ডিব্ৰুগড়<br>(পঞ্চম সংস্কৰণ) ২০০০ |
| গোস্বামী, পীতাম্বৰদেৱ ঃ | সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য;<br>কৌস্তভ প্ৰকাশন, ডিব্ৰুগড়<br>(দ্বিতীয় প্ৰকাশ) ২০০৪ |
| চলিহা, ভৱ প্ৰসাদ (সম্পা) ঃ | শংকৰী সংস্কৃতিৰ অধ্যয়ন;<br>শ্ৰীমন্ত শংকৰদেৱ সংঘ<br>(দ্বিতীয় প্ৰকাশ) ১৯৯৯ |
| নিৰ্মল প্ৰভা, বৰদলৈ ঃ | জীৱন জীৱন বৰ অনুপম;<br>জ্যোতি প্ৰকাশন, গুৱাহাটী<br>(তৃতীয় প্ৰকাশ) ২০০৭ |
| নিৰুপমা, মহন্ত ঃ | সত্ৰ-সংস্কৃতিৰ ৰূপছাঁয়া ঃ আচাৰ ৰীতি আৰু উৎসৱ-অনুষ্ঠান;<br>কোঁৱৰপুৰ, বৰখাটপাৰ সত্ৰ, শিৱসাগৰ<br>(প্ৰথম প্ৰকাশ) ২০০১ |
| নেওগ, মহেশ্বৰ ঃ | পৱিত্ৰ অসম;<br>লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী<br>(পুনৰ মুদ্ৰণ) ২০০৪ |

নেওগ, মহেশ্বৰ ঃ শ্ৰীশ্ৰী শংকৰদেৱ;
লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী
(চতুৰ্থ তাঙৰণ) ১৯৬৩

বৰ্মন, শিৱনাথ ঃ শংকৰদেৱ আৰু তেৰাৰ উত্তৰ সুৰীসকল;
বাণী মন্দিৰ, গুৱাহাটী
(প্ৰথম প্ৰকাশ) ২০০৪

বৰবৰুৱা, হিতেস্বৰ ঃ আহোমৰ দিন;
অসম প্ৰকাশন পৰিষদ
(প্ৰথম প্ৰকাশ) ১৯৮১

বৰুৱা, নৰকান্ত (সম্পা) ঃ ভাৰতীয় চাৰু কলাৰ চিনাকি;
অসম অকাডেমী
(প্ৰথম প্ৰকাশ) ১৯৬৮

বৰুৱা, সত্যপ্ৰসাদ ঃ নাটক আৰু অভিনয় প্ৰসংগ;
গ্ৰন্থপীঠ, গুৱাহাটী
(তৃতীয় প্ৰকাশ) ১৯৮৩

বৰুৱা, সোণাৰাম (সম্পা) ঃ বুৰঞ্জীয়ে পৰশা ৰংপুৰ;
ৰংপুৰ তিনিশ বছৰ উদযাপন সমিতি, শিৱসাগৰ- ২০০০

বেজবৰুৱা, লক্ষ্মীনাথ ঃ শ্ৰী শ্ৰী শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱ;
জ্যোতি প্ৰকাশন, গুৱাহাটী
(নতুন সংস্কৰণ) ২০০৪

ভট্টাচাৰ্য, শিৰীষ কুমাৰ (সম্পা) ঃ অসমৰ সত্ৰ পৰিচয়;
সাহিত্য প্ৰকাশন সমিতি, শিৱসাগৰ
(প্ৰথম প্ৰকাশ) ২০০৪

ভৰালী, শৈলেন ঃ অসমীয়া লোকনাট্য পৰম্পৰা;
বাণী প্ৰকাশ, গুৱাহাটী
(প্ৰথম প্ৰকাশ) ১৯৮৪

ভূঞা, সূৰ্য্য কুমাৰ (সম্পা) ঃ তুং খুঙীয়া বুৰঞ্জী;
অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ, গুৱাহাটী
(তৃতীয় প্ৰকাশ) ১৯৯০

মহন্ত, প্ৰদীপজ্যোতি ঃ শংকৰদেৱৰ শিল্পলোক;
পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী
(প্ৰথম প্ৰকাশ) ২০০৭

শৰ্মা, তীৰ্থনাথ ঃ আউনী আটী সত্ৰৰ বুৰঞ্জী;
নবজীৱন প্ৰেছ, কলিকতা
(প্ৰথম তাঙৰণ) ১৯৭৫

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;
অৰুণোদয় প্ৰেছ, গুৱাহাটী
(সপ্তম সংস্কৰণ) ১৯৯৬

হাজৰিকা, অতুল চন্দ্ৰ (সম্পা) বেজবৰুৱা গ্ৰন্থাৱলী;
সাহিত্য প্ৰকাশ, গুৱাহাটী
(প্ৰথম প্ৰকাশ) ১৯৬৮

## চৰিত পুথি ঃ

অধিকাৰ, নাৰায়ণ দেৱ ঃ সম্প্ৰদা চৰিত্ৰ;
ধলৰ সত্ৰ, (১ম তাঙ্গৰণ) ১৮৪২ শক

গোস্বামী, শৰতচন্দ্ৰ দেৱ (সম্পা) ঃ ৰামৰায় ভণিত গুৰুলীলা;
(নতুন সংস্কৰণ) ১৮৬৯ শক, বৰপেটা

নেওগ, মহেশ্বৰ (সম্পা) ঃ ৰামৰায় দ্বিজ ৰচিত শ্ৰীশ্ৰী বংশীগোপালদেৱ চৰিত্ৰ;
শ্ৰীশ্ৰী শংকৰদেৱ লাইব্ৰেৰী, গুৱাহাটী
(প্ৰথম তাঙৰণ) ১৮৭২ শক

নেওগ, মহেশ্বৰ (সম্পা) ঃ গুৰুচৰিত কথা;
লয়ার্ছ বুক ষ্টল, গুৱাহাটী
(দ্বিতীয় তাঙৰণ) ১৯৯৯

নেওগ, মহেশ্বৰ (সম্পা) ঃ বৰদোৱা গুৰু চৰিত;
গুৱাহাটী বুক ষ্টল, গুৱাহাটী
(প্ৰথম প্ৰকাশ) ১৯৭৭

ভট্টাচাৰ্য, বসন্ত কুমাৰ (সম্পা) ঃ ৰামচৰণ ঠাকুৰ কৃত গুৰু চৰিত;
চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৮৫

## সত্ৰৰ ইতিবৃত্ত বিষয়ক পুথি ঃ

গোস্বামী, মহেন্দ্ৰ নাথ ঃ বটৰগএগ্ৰা সত্ৰৰ ইতিবৃত্ত আৰু বৰ্তমান পৰিস্থিতি,
নিতাই পুখুৰী, শিৱসাগৰ, ১৯৬৭

মহন্ত, যোগেন্দ্ৰ নাথ ঃ ধৰ্মালয় শ্ৰীশ্ৰী কোৱামৰা সত্ৰৰ চমু ইতিবৃত্ত;
কোৱামৰা সত্ৰ, শুকান পুখুৰী, শিৱসাগৰ
(তৃতীয় প্ৰকাশ) ২০০৭

মহন্ত, ৰেৱকান্ত ঃ খাটপাৰ সত্ৰৰ চমু ইতিবৃত্ত আৰু বংশাৱলী কথন;
খাটপাৰ সত্ৰ, শিৱসাগৰ, ১৯৯৬

## স্মৃতি গ্ৰন্থ ঃ

দত্ত, অমলচন্দ্ৰ, (সম্পা) ঃ সব্যসাচী;

দত্ত, সোণাৰাম আৰু মহন্ত বিভূতি খাটপাৰ সত্ৰৰ গোপীকান্ত মহন্তৰ জন্ম শতবাৰ্ষিকী উপলক্ষে সোঁৱৰণী গ্ৰন্থ; ২০০৬

বৰ্ণালী, বৰুৱা (সম্পা) ঃ বটবৃক্ষ;
শ্ৰীশ্ৰী জকাই সত্ৰ তিথি উদযাপন, শিষ্য সমাৰোহ আৰু
সত্ৰাধিকাৰ অভিষেক
উৎসৱ উদযাপন, ২০০৩

বৰুৱা, সোণাৰাম (সম্পা) ঃ ৰংপুৰ, ৰংপুৰ;
৫৯তম অধিবেশন, অসম সাহিত্য সভা,
১৯৯৩ শিৱসাগৰ

মহন্ত, প্ৰশান্ত কুমাৰ (সম্পা) ঃ সেতুবন্ধ;
অসম সত্ৰ মহাসভাৰ উদ্যোগত বিভিন্ন জনগোষ্ঠীৰ
পৰিবেশনাৰে অংকীয়া ভাওনা আৰু সাংস্কৃতিক সমাৰোহ,
২০০৫, যোৰহাট

মহন্ত, লীলা আৰু অন্যান্যসকল (সম্পা) ঃ মোৰ প্ৰাণ গৈলা কোন থান;
শ্ৰীশ্ৰী জৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰ গৌৰীকান্ত গোস্বামীৰ
আদ্যতিথিৰ উপলক্ষ্যত
প্ৰকাশিত, ২০০৭

মেছ, কুশলচন্দ্ৰ (সম্পা) ঃ সৰ্বগুণাকৰ;
৫৫৭তম মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৱিৰ্ভাৱ মহোৎসৱ,
হাবিপৰা আলি, শিৱসাগৰ, ২০০৫

**বাতৰি কাকত ঃ** দৈনিক বাতৰি;
১০ ছেপ্তেম্বৰ, ২০০৬

# পৰিশিষ্ট

# পৰিশিষ্ট - ক

**শিৱসাগৰ জিলাৰ সত্ৰসমূহৰ নাম, সংহতি, অৱস্থানৰ তালিকা —**

| নাম | সংহতি | অৱস্থান |
|---|---|---|
| আদ্য গজলা সৌকাজান | কাল | মথিয়াছিগা |
| আদ্য দেওপানী গজলা | কাল | খনামুখ, মিছাজান |
| উজনীয়াল | পুৰুষ | বেলিমুখীয়া |
| এলেঙ্গী ফুলবাৰী | পুৰুষ | মলিয়াচুক, বকতা |
| ঔ-গুৰি খটৰা | নিকা | নিৰ্ম্মলীয়া গাওঁ |
| ক'ৰচুং | পুৰুষ | নকটানি |
| কাটনীপাৰ | কাল | বেতবাৰী, নঙলামৰা |
| কালশিলা | পুৰুষ | মৰাণ |
| কাৰৈমাৰী | পুৰুষ | ধিতাইপুখুৰী, মৰাণ, বানমুখ |
| কোৰেখনা | কাল | কোঁৱৰপুৰ, নিমনাগড়, বেতবাৰী বকতা |
| কাংসপাৰ | কাল | বেলিমুখীয়া, সোণাৰী, কালুগাওঁ |
| খাটপাৰ | পুৰুষ | দয়াচাৰিআলিত |
| খুন্দামৰা | পুৰুষ | আমোলাপট্টি |
| গজলা ডোখৰামুখ | কাল | টেঙাপুখুৰী |
| গোমোঠা মাহৰা | পুৰুষ | নিৰ্ম্মলীয়া, মৰাণ |
| চলিহা বাৰেঘৰ | কাল | নাজিৰা |
| চেকেৰাতলী | পুৰুষ | বকতা |
| চুপহা | পুৰুষ | বগীদ'ল, কোঁৱৰপুৰ, সিংহদুৱাৰ, বানমুখ |
| জকাই | কাল | চাৰিং |
| জৰাবাৰী | নিকা | জাঁজী |
| টকৌবাৰী এলেঙ্গী | পুৰুষ | নকটানি, জাঁজী |
| ঠকৰিয়াল | পুৰুষ | কালুগাওঁ |

| | | |
|---|---|---|
| ডবামৰা গজলা | কাল | শ্ৰীপুৰ |
| থুকুবিল | পুৰুষ | বগীদ'ল, সোণাৰী |
| থুৰামুখ গজলা | কাল | নামতি |
| দিহিং ন-মাটি | কাল | ন-মাটি, ভজো বাঁহবৰীয়া ন-মাটি, নামতি |
| দুৰামাৰি | ব্ৰহ্ম | নিৰ্ম্মলীয়া গাওঁ |
| ন-বুদবাৰী | কাল | ওপৰ-নাজিৰা |
| ন-ৰোৱা ধুন্দুল | পুৰুষ | আমগুৰি |
| না-সম-বাপু | ব্ৰহ্ম | শ্ৰীপুৰ, নিমনাগড়ত |
| পুথিপঢ়া গজলা | কাল | নামতি, সাপেখাতী |
| পুণিয়া | পুৰুষ | দিখৌমুখ, নামদাং |
| ফুলবাৰী | পুৰুষ | বকতা |
| বটৰগঞা | ব্ৰহ্ম | নিতাইপুখুৰী |
| বৰমাহৰা | ব্ৰহ্ম | ন-কটানি |
| বৰ এলেঙি বগী আই | পুৰুষ | ৰাঙলী ৰিজাৰ্ভত |
| বৰখাটপাৰ | পুৰুষ | কোঁৱৰপুৰ |
| বিজয় মাহৰা | ব্ৰহ্ম | চাৰিঙত |
| বিহিমপুৰ | পুৰুষ | ৰাঙলী |
| বুদবাৰী | কাল | উপ-নাজিৰা |
| বেঙেনাআটী | পুৰুষ | আমগুৰি |
| মিছামাৰী | পুৰুষ | বকতা |
| মেধিজান গজলা | কাল | জাঁজী |
| মৈৰামৰা | কাল | নগাগাঁও |
| ৰতনপুৰ | পুৰুষ | নামতি, দিখৌমুখ, চাৰিং |
| ৰত্নাকৰ | পুৰুষ | শিমলুগুৰি, জাঁজী |
| শলগুৰি | পুৰুষ | শলগুৰি |
| সাউদকুছি | পুৰুষ | কোঁৱৰপুৰ, বেদবাৰী বকতা |

## পৰিশিষ্ট - খ

### সংবাদ দাতা / দাত্ৰীৰ নামৰ তালিকা ঃ

১। ইন্দ্ৰভূষণ গোস্বামী (সত্ৰৰ যুৱক)
নিতাইপুখুৰী, বটৰগএগ্ৰা সত্ৰ
বয়স - ২৩

২। কমলা মহন্ত (সম্পাদক, মৈৰামৰা সত্ৰ পৰিচালনা সমিতি)
হাঁহচৰা, মৈৰামৰা সত্ৰ
বয়স - ৬০

৩। গঙ্গেশ্বৰ মহন্ত (সভাপতি, মৈৰামৰা সত্ৰ পৰিচালনা সমিতি)
হাঁহচৰা, মৈৰামৰা সত্ৰ
বয়স - ৬২

৪। গোবিন্দ চন্দ্ৰ গোস্বামী (সত্ৰাধিকাৰ, চলিহা বাৰেঘৰ সত্ৰ )
নাজিৰা, চলিহা বাৰেঘৰ সত্ৰ
বয়স - ৭৬

৫। ঘনকান্ত দেৱগোস্বামী (সত্ৰাধিকাৰ, আদ্য গজলা সৌকাজান সত্ৰ )
মথিয়াছিগা , আদ্য গজলা সৌকাজান সত্ৰ
বয়স - ৮০

৬। ড° জগন্নাথ মহন্ত (সত্ৰীয়া নৃত্যৰ গৱেষক)
জাঁজী, জৰাবাৰী সত্ৰ
বয়স - ৬৯

৭। দুৰ্বাকান্ত গোস্বামী (সত্ৰাধিকাৰ, ঔগুৰি খটৰা সত্ৰ)
নাজিৰা, ঔগুৰি খটৰা সত্ৰ
বয়স - ৮১

৮। দুলেশ্বৰ মহন্ত (গৱেষক বিজ্ঞানী)

ধিতাইপুখুৰী, কাৰৈমাৰী সত্ৰ

বয়স - ৭৬

৯। প্ৰবীণ মহন্ত (বনবিভাগৰ চাকৰিয়াল)

ধিতাইপুখুৰী, কাৰৈমাৰী সত্ৰ

বয়স - ৪৭

১০। প্ৰেমনাথ গোস্বামী (সত্ৰাধিকাৰ, দিহিং ন-মাটি সত্ৰ)

নাজিৰা, দিহিং ন-মাটি সত্ৰ

বয়স - ৯০

১১। নাৰায়ণ মহন্ত (সত্ৰাধিকাৰ, দুৰামাৰি সত্ৰ)

নাজিৰা, দুৰামাৰি সত্ৰ

বয়স - ৭৬

১২। ভদ্ৰকৃষ্ণ গোস্বামী (সভাপতি, সদৌ অসম সত্ৰ মহাসভা)

চাৰিং, জকাই সত্ৰ

বয়স - ৭৯

১৩। মহানন্দ মহন্ত (সত্ৰাধিকাৰ, বুদবাৰী সত্ৰ)

উপ-নাজিৰা, বুদবাৰী সত্ৰ

বয়স - ৮৫

১৪। ৰঞ্জন মহন্ত (সম্পাদক, শিৱসাগৰ জিলা সত্ৰ মহাসভা)

চাৰিং, জকাই সত্ৰ

বয়স - ৩৯

১৫। ৰেৱকান্ত মহন্ত (মুখা শিল্পী, খাটপাৰ সত্ৰ)

হাঁহচৰা, খাটপাৰ সত্ৰ

বয়স - ৭০

১৬। লীলা মহন্ত (সত্ৰাধিকাৰ)

শিৱসাগৰ, বৰখাটপাৰ সত্ৰ

বয়স - ৭৭

১৭। শচীন্দ্ৰ দেৱগোস্বামী (শ'লগুৰি সত্ৰৰ ভকত)

শিৱসাগৰ, শ'লগুৰি সত্ৰ

বয়স - ৩২

১৮। সনত কুমাৰ গোস্বামী (শিক্ষক)

নিতাইপুখুৰী, বটৰগএগ সত্ৰ

বয়স - ৫৮

**সংবাদদাত্ৰী ঃ**

১। অমিয়া মহন্ত (বোৱাৰী)

নাজিৰা, দুৰামাৰি সত্ৰ

বয়স - ৪৫

২। নিৰুপমা মহন্ত (অৱসৰপ্ৰাপ্ত অধ্যাপিকা)

শিৱসাগৰ, বৰখাটপাৰ সত্ৰ

বয়স - ৬৪

২। বীণা গোস্বামী (প্ৰয়াত সত্ৰাধিকাৰণীৰ দুহিতা)

শিৱসাগৰ, শ'লগুৰি সত্ৰ

বয়স - ৬৮

৩। মণিকা গোস্বামী (বোৱাৰী)

সোণাৰী, থুকুবিল সত্ৰ

বয়স - ৪৩

৪। সৰুমাই মহন্ত (দুৰামাৰি সত্ৰৰ সত্ৰাধিকাৰৰ পত্নী)

নাজিৰা, দুৰামাৰি সত্ৰ

বয়স - ৬০

# আলোকচিত্ৰ




খাটপাৰ সত্ৰৰ বাটচ'ৰা




খাটপাৰ সত্ৰৰ তোৰণ



খাটপাৰ সত্ৰৰ কীৰ্ত্তনঘৰ



খাটপাৰ সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ গোপীকান্ত মহন্ত

ৰেৱকান্ত মহন্তৰ দ্বাৰা নিৰ্মিত মুখাসমূহ




বাঁহৰ কাঠিৰে নিৰ্মিত সূত্ৰধাৰ



মুখা সজা অৱস্থাত ৰেৱকান্ত মহন্ত



কালীনাগ



গরুড়




নৰসিংহৰ মুখা



বিভিন্ন ধৰণৰ মুখ-মুখা



পুতনা ৰাক্ষসী



নৰসিংহ




ৰাৱণ



কবন্ধ

অসুৰৰ মুখা



অসুৰৰ মুখা






কাল সংহতিৰ চলিহা বাৰেঘৰ সত্ৰ




কাল সংহতিৰ বুদবাৰী সত্ৰৰ বাটচ'ৰা



মৈৰামৰা সত্ৰৰ মণিকূট গৃহ



কাৰৈমাৰী সত্ৰত উদ্‌যাপিত বোকা-ভাওনাৰ এটি দৃশ্য

# টোকা

**ক) মুখা শিল্পৰ সম্পৰ্কে ৰেৱকান্ত মহন্তক কৰা কেইটিমান প্ৰশ্নৰ উত্তৰ তলত দিয়া হ'ল—**

১/ মুখাৰ প্ৰয়োজন কি কাৰণত আহিল?

— মুখা মনুষ্য জীৱনৰ আদিম কলা। মানুহে গছৰ ধোন্দ, খোৰোং, পৰ্বতৰ গুহা আদিত অঘৰী জীৱন যাপন কৰি থকা কালত গছ লতাৰ গুটি পাত শিপা খাই জীৱন যাপন কৰিছিল। মাংস আছিল সেই সময়ৰ তেওঁলোকৰ প্ৰিয় খাদ্য। চিকাৰ কৰি তেওঁলোকে জীৱ-জন্তু বধ কৰিছিল। মানুহ দেখিলে আতংকিত হৈ জীৱ-জন্তুবোৰ পলাই আঁতৰি গৈছিল। জীৱ-জন্তুবোৰৰ কাষ চাপিবৰ কাৰণে গছৰ পাত আৰু অন্যান্য প্ৰাকৃতিক সম্পদ আহৰণ কৰি নিজৰ অৱয়বটো ঢাকি ৰাখি জীৱ-জন্তুৰ কাষ চাপিবলৈ সুবিধা কৰি লোৱাৰ যি সামগ্ৰী তাৰ আৰ্হিতে মুখাৰ সৃষ্টি হয়। নিজৰ মুখ খন ঢাকি ৰাখি অন্য আকৃতি পৰিবেশন কৰিবলৈ বিচৰা ব্যৱস্থাটোৱে মুখা। পৃথিৱীৰ সকলো জাতি-জনজাতিৰ মজতেই মুখাৰ প্ৰচলন আদিম কালৰে পৰা হৈ আহিছে। মুখাৰ আকৃতিৰ নানা ধৰণৰ দেৱ দেৱী সৃষ্টি কৰি পূজা কৰাটো ইয়াৰ আধাৰতে পৰৱৰ্তী কালত হৈছে। পাহাৰীয়া বিভিন্ন জাতি-জনজাতিৰ লোকসকলৰ মাজত অতীজৰে পৰা এনেধৰণৰ মুখাৰ প্ৰচলন ঘটি আহিছে। গ্ৰীক মহাদেশৰ বহু প্ৰচীন গুহাত মুখা পিন্ধা কিছুমান চিকাৰীৰ দৃশ্য দেখিবলৈ পোৱা যায়। চীন দেশতো ড্ৰেগনৰ মুখা পিন্ধি কৰা নৃত্যৰ দৃষ্টান্ত আছে।

মহাপুৰুষ শংকৰদেৱে গুৰু গৃহত শিক্ষা সাং কৰি জন্মস্থানত থিতাপি লোৱা প্ৰথম অৱস্থাত শিক্ষাগত আৰু ঈশ্বৰ প্ৰদত্ত জ্ঞান গৰিমাৰ ফলত লাভ কৰা অভিজ্ঞতাৰ বাবে

# টোকা

ক) মুখা শিল্পৰ সম্পৰ্কে ৰেৱকান্ত মহন্তক কৰা কেইটিমান প্ৰশ্নৰ উত্তৰ তলত দিয়া হ'ল—

১/ মুখাৰ প্ৰয়োজন কি কাৰণত আহিল?

— মুখা মনুষ্য জীৱনৰ আদিম কলা। মানুহে গছৰ ধোন্দ, খোৰোং, পৰ্বতৰ গুহা আদিত অঘৰী জীৱন যাপন কৰি থকা কালত গছ লতাৰ গুটি পাত শিপা খাই জীৱন যাপন কৰিছিল। মাংস আছিল সেই সময়ৰ তেওঁলোকৰ প্ৰিয় খাদ্য। চিকাৰ কৰি তেওঁলোকে জীৱ-জন্তু বধ কৰিছিল। মানুহ দেখিলে আতংকিত হৈ জীৱ-জন্তুবোৰ পলাই আঁতৰি গৈছিল। জীৱ-জন্তুবোৰৰ কাষ চাপিবৰ কাৰণে গছৰ পাত আৰু অন্যান্য প্ৰাকৃতিক সম্পদ আহৰণ কৰি নিজৰ অৱয়বটো ঢাকি ৰাখি জীৱ-জন্তুৰ কাষ চাপিবলৈ সুবিধা কৰি লোৱাৰ যি সামগ্ৰী তাৰ আৰ্হিতে মুখাৰ সৃষ্টি হয়। নিজৰ মুখ খন ঢাকি ৰাখি অন্য আকৃতি পৰিৱেশন কৰিবলৈ বিচৰা ব্যৱস্থাটোৱে মুখা। পৃথিৱীৰ সকলো জাতি-জনজাতিৰ মজতেই মুখাৰ প্ৰচলন আদিম কালৰে পৰা হৈ আহিছে। মুখাৰ আকৃতিৰ নানা ধৰণৰ দেৱ দেৱী সৃষ্টি কৰি পূজা কৰাটো ইয়াৰ আধাৰতে পৰৱৰ্তী কালত হৈছে। পাহাৰীয়া বিভিন্ন জাতি-জনজাতিৰ লোকসকলৰ মাজত অতীজৰে পৰা এনেধৰণৰ মুখাৰ প্ৰচলন ঘটি আহিছে। গ্ৰীক মহাদেশৰ বহু প্ৰচীন গুহাত মুখা পিন্ধা কিছুমান চিকাৰীৰ দৃশ্য দেখিবলৈ পোৱা যায়। চীন দেশতো ড্ৰেগনৰ মুখা পিন্ধি কৰা নৃত্যৰ দৃষ্টান্ত আছে।

মহাপুৰুষ শংকৰদেৱে গুৰু গৃহত শিক্ষা সাং কৰি জন্মস্থানত থিতাপি লোৱা প্ৰথম অৱস্থাত শিক্ষাগত আৰু ঈশ্বৰ প্ৰদত্ত জ্ঞান গৰিমাৰ ফলত লাভ কৰা অভিজ্ঞতাৰ বাবে

সেই সময়ৰ বিশৃংখলিত আৰু অশান্তি জৰ্জৰ অসমবাসীৰ মাজত শিক্ষা, সংস্কৃতি আৰু ধৰ্ম
প্ৰচাৰৰ জৰিয়তে শান্তি শৃংখলিত সমাজ গঢ়াৰ সপোন দেখিলে। লোকৰঞ্জন, লোকসংগ্ৰহ
আৰু ধৰ্ম প্ৰচাৰৰ কাৰণে সেই সময়ৰ অনাখৰী জনসাধাৰণক আধ্যাত্মিক জ্ঞানেৰে পৰিপুষ্ট
কৰিবৰ কাৰণে এটি সাংস্কৃতিক কাৰ্যক্ৰমৰ পাতনি মেলিলে আৰু শিল্পী শংকৰদেৱে ভাগৱত
বা অন্যান্য শাস্ত্ৰৰ আধাৰিত জ্ঞানৰ জৰিয়তে তেৰাৰ সংগী কিছু সহযোগী ভক্তৰ অনুৰোধত
সপ্ত বৈকুণ্ঠৰ পট আকি চিহ্ন যাত্ৰা নামৰ ভাওনা পতাৰ ব্যৱস্থা কৰিলে। ডবা, কাঁহ, শংখ,
ঘন্টা, নাগেৰা, খোল, তাল, পাতিতাল, ভোৰতাল, খুটিতাল আদি সামগ্ৰী সমূহ সংগ্ৰহ কৰি
বা তৈয়াৰ কৰি যুগুতাই উলিয়ালে। লগতে গীত-ৰাগ, তাল-মান সুৰ-লয় আৰু নৃত্য, গীত
কাব্য আদি সংগত কৰিব পৰাকৈ বহুখিনি লোকক এই আটাইবোৰতে পাকৈত কৰি তুলিলে।
তাৰ লগতে শাস্ত্ৰ-বৰ্ণিত অলৌকিক চৰিত্ৰ সমূহ ৰূপায়িত কৰিবৰ কাৰণে বাঁহৰ কাঠিৰে মুখা
সজাৰ ব্যৱস্থা ললে। শংকৰদেৱে নিজ হাতে বিষ্ণুৰ বাহন গৰুড়, শিৱ আৰু শিৱৰ বাহন
বৃষভ, ব্ৰহ্মা আৰু ব্ৰহ্মাৰ বাহন ৰাজহংস এইকেইটা মুখা সাজি ছোঁ ঘৰত সুমোৱাই থৈ
ভাওনা পাতি সেই সময়ৰ জনসাধাৰণক আকৃষ্ট কৰি তুলিলে আৰু ভাওনাৰ সেয়াই সূত্ৰপাত
ঘটিল। পৰৱৰ্তী কালত শংকৰদেৱ-মাধৱদেৱৰ শিষ্যসকলৰ তৎপৰতাত ধৰ্ম প্ৰচাৰৰ বাবে
দুজনা গুৰুৰ আজ্ঞাত গঢ়ি উঠিল বহু সত্ৰ। এই সত্ৰবোৰত দুজনা গুৰুৱে লিখা নাটসমূহৰ
উপৰিও ৰামায়ণ, মহাভাৰত, ভাগৱত, অন্যান্য পুৰাণ আদিৰ কাহিনীক সন্নিবিষ্ট কৰি নাট
ৰচিত হ'ল। সেই চৰিত্ৰবোৰৰ ভিতৰত অসুৰ, দানৱ, ৰাক্ষস, জীৱ-জন্তু আৰু অতিকায়
আৰু অস্বাভাৱিক অলৌকিক কিছু চৰিত্ৰ নাটকসমূহত ৰূপায়িত হ'ল। সেই চৰিত্ৰবোৰ
সফলভাৱে ফুটাই তুলিবলৈ নাট বা ভাওনাত মুখাৰ প্ৰয়োজন আহি পৰিল। শাস্ত্ৰ-বৰ্ণিত
চৰিত্ৰ অনুসৰি বিভিন্ন ধৰণে মুখাসাজি মানুহৰ মনোৰঞ্জনৰ ব্যৱস্থা কৰিলে। যাৰ ফলত
নিৰক্ষৰ জনসাধাৰণৰ মাজত ভাগৱত বা অন্যান্য ধৰ্ম শাস্ত্ৰীয় কাহিনীয়ে তেওঁলোকৰ মনক
আকৰ্ষণ কৰিবলৈ ধৰিলে আৰু ধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণে সহজ হ'ল। এনেদৰেই মুখাৰ
প্ৰয়োজনটো আহিল বুলি ক'ব পৰা যায়।

মুখা সজাৰ কামত ব্যস্ত আছে?
২/ আপুনি কেতিয়াৰ পৰা মুখা সজাৰ কামত আৰম্ভ কৰিলোঁ। শিক্ষা গ্ৰহণ
— সাত বছৰ বয়সৰ পৰাই মই মুখা সজা কাম

কৰা বা চাকৰিৰ কালতো মুখা সজা কামটোৰ ধাৰাবাহিকতা ৰক্ষা কৰিছো। ১৯৯৬ চনত অৱসৰ গ্ৰহণ কৰাৰ পাছৰ পৰা মোৰ সকলো চিন্তা চৰ্চা মুখা সজা কামত প্ৰয়োগ কৰি ৰাজ্য, দেশ তথা দেশৰ বাহিৰতো মুখা শিল্পৰ প্ৰচাৰ, শিক্ষণ আৰু সংৰক্ষণৰ কামত আত্মনিয়োগ কৰিছো।

৩/ এই শিল্পৰ প্ৰতি আকৃষ্ট হোৱাৰ কাৰণ?

— ই আমাৰ সত্ৰীয়া পৰম্পৰাৰ অন্তৰ্গত। ইয়াক বৰ্তাই ৰাখিবলৈ বিচৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।

৪/ সাধাৰণ নাটক আৰু মুখা পিন্ধি কৰা নাটকৰ ভিতৰত জনসাধাৰাণক কিহে আকৃষ্ট কৰে?

— সাধৰণ নাটকৰ চৰিত্ৰসমুহে নিজস্ব অৱয়বৰে অভিনয় কৰি যেনে দৰে আনন্দ যোগায় তাতকৈ একোটা মুখা পিন্ধি একেজন মানুহে বিভিন্ন ধৰণৰ চৰিত্ৰ ৰূপায়ণ কৰি বেলেগ বেলেগ ৰসৰ সঞ্চাৰৰ জৰিয়তে মানুহক অধিকভাবে মনোৰঞ্জন কৰিব পাৰে।

৫/ বৰ্তমান সময়ত মুখাৰ প্ৰয়োজনীয়তা কিমান?

— মুখা মানৱীয় আদিম কলা। ই প্ৰাচীন কালৰে পৰা মনোৰঞ্জনৰ সামগ্ৰী ৰূপে ব্যৱহৃত হৈ আহিছে তাৰ অস্তিত্ব কোনোদিনে অস্বীকাৰ কৰিব নোৱাৰি। কেৱল অভিনয়ৰ বাবে মুখাৰ ব্যৱহাৰ কৰাৰ লগতে আমাৰ প্ৰত্যেকৰ ঘৰতে থকা চৰাঘৰ বা অতিথি গৃহত বিভিন্ন ধৰণৰ সামগ্ৰীৰ লগতে মুখাকো যদি সৰু আকৃতিৰ আলমাৰিত ভৰাই থওঁ ই প্ৰাচীন সংস্কৃতিলৈ মনত পেলাই দিয়াৰ উপৰিও সৌন্দৰ্যৰ খোৰাক যোগাব পাৰে।

৬/ মুখা শিল্পক লৈ আপোনাৰ ভৱিষৎ পৰিকল্পনা কি?

— মুখা শিল্পটো আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰাৰ পিছৰ পৰা ম্লান পৰি গ'ল। পৰম্পৰাগত ভাবে প্ৰায় সকলো সত্ৰতে মুখা সজা ব্যৱস্থাটো বৰ্তি আছিল যদিও সেই সময়ৰ পৰাই বহুত সত্ৰত পৰম্পৰাটো ৰহিত হৈ গ'ল। সীমিত সংখ্যক সত্ৰই এই পৰম্পৰাটো বজাই ৰাখিলেও ইয়াৰ ব্যৱহাৰিক অনিশ্চতাৰ কাৰণে প্ৰায় নোহোৱাৰ দৰে হৈ আহিল।

বৰ্ত্তমান অসমৰ তিনি চাৰিখন সত্ৰতহে এই পৰম্পৰাটো বৰ্তি আছে । খাটপাৰ সত্ৰত এই পৰম্পৰাটো বৰ্ত্তমানলৈকে বৰ্তি থকাত মোৰ পিতৃ গুৰুজনাৰ পৰাই এই শিক্ষা গ্ৰহণ কৰি লুপ্ত প্ৰায় আপুৰুগীয়া মুখা শিল্পটোক পুনৰ প্ৰতিষ্ঠা কৰাটোৱেই মোৰ একমাত্ৰ উদ্দেশ্য । এই উদ্দেশ্যক সাৰোগত কৰি মোৰ যথাসৰ্বস্ব প্ৰয়োগেৰে মুখা সাজি অসমৰ বিভিন্ন সামাজিক - সাংস্কৃতিক অনুষ্ঠানত প্ৰদৰ্শন, শোভাযাত্ৰা আদিৰ জৰিয়তে প্ৰচেষ্টা অব্যাহত ৰাখি অহা হৈছে। পৰিৱৰ্তী কালত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰতিষ্ঠা হোৱাৰ পাছত আমি সজা সৰু ডাঙৰ ৮০ টা বিভিন্ন ধৰণৰ মুখা আৰু কলিকতাস্থিত ভাৰতীয় যাদুঘৰত তেনেদৰে বিভিন্ন ধৰনৰ ৭০টা মুখা সংৰক্ষিত হোৱাৰ উপৰিও ইন্দিৰা গান্ধী আৰ্ট চেন্টাৰত, ৰাছিয়া, আমেৰিকা, লণ্ডন আদি ঠাইত সংৰক্ষণ কৰাৰ ব্যৱস্থা লোৱা হেতু মোৰ মনত মুখা শিল্পৰ গুৰুত্ব বৃদ্ধি পাইছে। অসমৰ চুকে কোণে মুখা শিল্পৰ প্ৰশিক্ষণ দি ইয়াক গোটেই জাতিটোৰ মাজত জীয়াই ৰখাৰ ইচ্ছাই হৈছে মোৰ মুখা শিল্পক লৈ ভৱিষ্যত পৰিকল্পনা ।

খ) জকাই সত্ৰৰ ভিক্টৰ ট্ৰ'ছিন আৰু শ্লাভা ট্ৰ'ছিন নামৰ দুগৰাকী ৰাছিয়ান শিষ্য আছে। এই সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰজন হৈছে সদৌ অসম সত্ৰ মহাসভাৰ সভাপতি ভদ্ৰ কৃষ্ণ গোস্বামী।

গ) বৰখাটপাৰ সত্ৰৰ সত্ৰাধিকাৰ লীলা মহন্ত আৰু ড° নিৰুপমা মহন্তৰ দ্বাৰা ৰচিত আৰু প্ৰকাশিত গ্ৰন্থসমূহ হৈছে —

১/ সত্ৰীয়া সংস্কৃতিৰ ৰূপছাঁয়া - আচাৰ ৰীতি উৎসৱ অনুষ্ঠান (ড° নিৰুপমা মহন্ত)
২/ জোনাকৰ দেশত মৌ - ঐ
৩/ নামঘোষাৰ মাধুৰ্য্য - (লীলা মহন্ত)
৪/ মহাপুৰুষীয়া ধৰ্মত বৈদিক বিচাৰ - ঐ
৫/ ব্ৰহ্ম পুৰাণৰ কাহিনী - ঐ
৬/ বাসুদেৱ মূৰ্ত্তিৰ অলৌকিক আৰ্বিভাৱ - ঐ
৭/ সৰ্বগুণাকৰ - শংকৰদেৱৰ জীৱন ভিত্তিক উপন্যাস - (ড° নিৰুপমা মহন্ত)

ঘ) কাৰৈমাৰী সত্ৰই গায়ন-বায়নৰ প্ৰশিক্ষণ দিয়াৰ উপৰিও ১৯৯৪ চনত অসম সত্ৰমহাসভাৰ দ্বাৰা আয়োজিত সাংস্কৃতিক শোভাযাত্ৰাত প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছিল।

'থিয়নাম' এই সত্ৰৰ সুকীয়া বৈশিষ্ট্যপূৰ্ণ নাম। এই নাম ভাদ মাহত আৰু অন্যান্য উৎসৱটো গোৱা হয়। আমেৰিকাই গৱেষণাৰ কাৰণে থিয় নাম আৰু সত্ৰৰ পাঁচটা ডবাৰ Music Recite in Daba নামেৰে ৰেকৰ্ডিং কৰি নিয়ে।